www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

যিসকলে অনুভৱ কৰে তেওঁৰ বাবে জীৱনটো ট্ৰেজেডি আৰু যিসকলে ভাৱে তেওঁলাকেৰ বাবে কমেডী। – লা. ব্ৰুমেৰ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৭৫ | শুকুৰবাৰ | ১৪ আগষ্ট, ২০২৬ চন | Volume/Year- I | Issue- 275 | Friday | 14th August, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

■ নিউ তিনিচুকীয়া-গুৱাহাটী পথেৰে আজিৰে পৰা ৰে'ল চলাচল আৰম্ভ ■

# বানৰ তাণ্ডৱৰ পাছত পুনৰ উজনিলৈ ৰে'ল যোগাযোগ

## নিৰাপত্তাৰ বাবে ২০ কিলোমিটাৰলৈ গতি সীমিত



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ আগষ্ট ঃ** উজনি অসমলৈ ৰে'ল যোগাযোগ পুনৰ স্বাভাৱিক হোৱাৰ পথত। বিগত ১৯ জুলাইত সংঘটিত প্ৰলয়ংকৰী বানপানীৰ ফলত এই পথটো ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হৈছিল, যাৰ বাবে বিগত প্ৰায় ২০ দিন ধৰি উজনি অসমলৈ ৰে'ল যাতায়াত সম্পূৰ্ণৰূপে ব্যাহত হৈ আছিল। দীৰ্ঘদিনীয়া এই বিচ্ছিন্নতাৰ অৱসান ঘটাই ৰে'ল বিভাগে নিউ তিনিচুকীয়া—গুৱাহাটী মূল ৰে'লপথটো সম্পূৰ্ণৰূপে পুনৰুদ্ধাৰ কৰি ৰে'ল চলাচলৰ বাবে উপযোগী কৰি তুলিছে। ৰে'ল বিভাগৰ ঘোষণা অনুসৰি, অহা শুকুৰবাৰৰ পৰা এই পথছোৱাৰে দূৰণিবটীয়া ৰে'লসমূহ পুনৰ চলাচল কৰিব। তিনিচুকীয়া মণ্ডলৰ ৰে'ল প্ৰবন্ধক পৰাগ কাত্ৰেই তিনিচুকীয়া মণ্ডল কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত এই তথ্য নিশ্চিত কৰে। তেওঁ জানিবলৈ দিয়ে যে, ৰে'ল বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু পুনৰুদ্ধাৰকাৰী দলৰ অহৰহ প্ৰচেষ্টাৰ ফলত বানত ক্ষতিগ্ৰস্ত হোৱা ৰে'লপথৰ বিভিন্ন অংশৰ মেৰামতি আৰু পুনৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে। ৰে'ল প্ৰবন্ধক কাত্ৰেই সংবাদমেলত কয়, "বাঢ়নী পানী সম্পূৰ্ণৰূপে শুকুৱাৰ পাছতে ৰে'ল বিভাগে ক্ষতিগ্ৰস্ত ৰে'লপথসমূহ চিনাক্ত কৰি যুদ্ধকালীন তৎপৰতাৰে পুনৰুদ্ধাৰৰ কাম আৰম্ভ কৰে। ৰে'লপথৰ ক্ষতিগ্ৰস্ত অংশত মাটি ভৰোৱা, ট্ৰেক মেৰামতি, ❑ ৬ পৃষ্ঠাত

## ৮০তম স্বাধীনতা দিৱসৰ অসমত চূড়ান্ত প্ৰস্তুতি

### খানাপাৰাত ২৫টা বাহিনীৰ পেৰেড, আৰক্ষী-অৰ্ধসামৰিক বাহিনীৰ অনুশীলন সম্পূৰ্ণ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৩ আগষ্ট ঃ** আগন্তুক ১৫ আগষ্টত ৮০ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন কৰিব দেশবাসীয়ে। এই উপলক্ষে সমগ্ৰ দেশৰ লগতে অসমতো ব্যাপক প্ৰস্তুতি চলি আছে। গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ জোৱানসকলে পেৰেডৰ অনুশীলন প্ৰায় সম্পূৰ্ণ কৰিছে। বিগত বছৰসমূহৰ দৰে এইবাৰো ৰাজ্য চৰকাৰৰ উদ্যোগতে খানাপাৰাত কেন্দ্ৰীয়ভাৱে স্বাধীনতা দিৱস উদযাপন ❑ ৬ পৃষ্ঠাত

## RSSকো ৰক্ষা কৰিম, কাৰণ তেওঁলোকৰো প্ৰকাশৰ স্বাধীনতা আছে ঃ ৰাহুল গান্ধী

### যন্তৰ-মন্তৰৰ শিক্ষাৰ্থীৰ প্ৰসংগত সমালোচনা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৩ আগষ্ট ঃ** কংগ্ৰেছৰ এখন সন্মিলনত লোকসভাৰ বিৰোধী দলনেতা তথা সাংসদ ৰাহুল গান্ধীয়ে এক চাঞ্চল্যকৰ মন্তব্য কৰি ৰাজনৈতিক মহলত নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (RSS)ক লক্ষ্য কৰি তেওঁ কয় যে, যিদিনা দেশৰ পৰা RSSৰ প্ৰকাশভংগী বাহিৰ কৰি দিয়াৰ চেষ্টা আৰম্ভ হ'ব, সেইদিনা তেওঁ নিজেই তেওঁলোকক ৰক্ষা কৰিবলৈ আগবাঢ়ি যাব। কাৰণ, তেওঁলোকৰো নিজৰ মত প্ৰকাশৰ স্বাধীনতা আছে বুলি ৰাহুল গান্ধীয়ে স্পষ্টভাৱে উল্লেখ কৰে। তেওঁ লগতে কয় যে কোনো পক্ষক ৰোধ কৰাটো তেওঁলোকৰ ❑ ৬ পৃষ্ঠাত

### বিজেপিৰ প্ৰত্যুত্তৰ-সদন অচল কৰি নিজৰ ব্যৰ্থতা ঢাকিছে বিৰোধীয়ে

## বিৰোধীৰ ঐক্যই ৰুদ্ধ কৰিলে পাঁচ গুৰুত্বপূৰ্ণ প্ৰস্তাৱ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৩ আগষ্ট ঃ** বৃহস্পতিবাৰে সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ সামৰণি পৰাৰ পিছতে ৰাজনৈতিক মহলত তুমুল সমালোচনা আৰু প্ৰত্যুত্তৰৰ পৰ্ব আৰম্ভ হৈছে। কংগ্ৰেছে দাবী কৰিছে যে, বিৰোধী দলসমূহৰ সংহত প্ৰচেষ্টাৰ ফলত শাসকীয় চৰকাৰে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আগবঢ়োৱাত বাধা প্ৰাপ্ত হৈছে আৰু কিছুমান গুৰুত্বপূৰ্ণ বিল স্থগিত হৈ ৰৈছে। আনফালে, বিজেপিয়ে কংগ্ৰেছৰ এই দাবী সম্পূৰ্ণৰূপে খাৰিজ কৰি উল্লেখ কৰিছে যে বিৰোধীসকলে নিজৰ মত সঘনাই সলনি কৰি সদনৰ কাম-কাজত ইচ্ছাকৃতভাৱে ব্যাঘাত ঘটাইছে। ❑ ৬ পৃষ্ঠাত




### মাজুলীত অসম-অৰুণাচল সীমান্তৰ ঘটনাক লৈ মন্ত্ৰী অতুল বৰাৰ গুৰুত্বপূৰ্ণ মন্তব্য

## অৰ্থনৈতিক অৱৰোধে পৰিস্থিতি অধিক জটিল কৰিব পাৰে ঃ অতুল বৰা

**অসম বাৰ্তা, ফুলনি, ১৩আগষ্ট ঃ** অসম-অৰুণাচল সীমান্তত শেহতীয়াকৈ সংঘটিত অনাকাংক্ষিত ঘটনাক লৈ আজি মাজুলীত গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে অসম চৰকাৰৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন মন্ত্ৰী অতুল বৰাই। ধেমাজীত অনুষ্ঠিত হ'বলগীয়া এখন গুৰুত্বপূৰ্ণ সভাত অংশগ্ৰহণৰ বাবে মাজুলী হৈ ধেমাজীলৈ যাত্ৰা কৰাৰ সময়তে অফলামুখ পাৰঘাটত



সাংবাদিকৰ আগত সীমান্তৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে মন্ত্ৰীগৰাকীয়ে। অসম-অৰুণাচল সীমান্তত সংঘটিত ঘটনাক দুৰ্ভাগ্যজনক আখ্যা দি মন্ত্ৰী অতুল বৰাই কয় যে সীমান্তত অসমীয়াৰ ওপৰত গুলীচালনাৰ দৰে ঘটনা সংঘটিত কৰা দুষ্কৃতিকাৰীৰ ❑ ৬ পৃষ্ঠাত

### আতংকিত সীমান্তবাসী; অসম আৰক্ষীৰ নিৰৱতা

# লিকাবালিত পুনৰ উত্তেজনা অৰুণাচলী আৰক্ষীৰ গুলীচালনা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ আগষ্ট ঃ** অসম-অৰুণাচল সীমান্তৰ লিকাবালি অঞ্চলত আজি পুনৰ এক চাঞ্চল্যকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। অৰ্থনৈতিক অৱৰোধৰ বিৰুদ্ধে চলি থকা প্ৰতিবাদৰ মাজতে দুপৰীয়া পৰিস্থিতি অধিক উত্তপ্ত হৈ উঠে। প্ৰাপ্ত তথ্যমতে, অৰুণাচল প্ৰদেশৰ আৰক্ষীয়ে লিকাবালিত প্ৰতিবাদকাৰী লোকসকলক ছত্ৰভংগ দিয়াৰ উদ্দেশ্যে চাৰিবাৰকৈ শূন্যত গুলীচালনা কৰে। উল্লেখযোগ্য যে, এই গুলীচালনাৰ ঘটনাত অসম আৰক্ষীৰ তৰফৰ পৰা কোনো ধৰণৰ প্ৰত্যুত্তৰ বা মন্তব্য প্ৰদান কৰা হোৱা নাই। ঘটনাটোৰ পিছতে অঞ্চলটোত ❑ ৬ পৃষ্ঠাত

## গোগামুখৰ গুলীচালনা ঘটনাৰ দোষীয়ে শাস্তি পাবই লাগিব ঃ সাংসদ ৰঞ্জিত দত্ত

### খেৰগেটত টিএমপিকেৰ প্ৰতিবাদস্থলীত উপস্থিত, অসম-অৰুণাচল সীমান্ত সমস্যাৰ স্থায়ী সমাধানৰ আশ্বাস



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ আগষ্ট ঃ** গোগামুখত অৰুণাচলী দুষ্কৃতিকাৰীয়ে চলোৱা গুলীচালনাৰ ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিছে শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই। এই অনাকাংক্ষিত ঘটনাৰ লগত জড়িত প্ৰতিজন দোষীয়ে উপযুক্ত শাস্তি পাবই লাগিব বুলি হুংকাৰ দি সাংসদগৰাকীয়ে কয়, "অৰুণাচলী দুষ্কৃতিকাৰীয়ে ❑ ৬ পৃষ্ঠাত

## ৰাজনৈতিক সংঘাতৰ মাজতে সামৰণি পৰিল সংসদৰ বৰ্ষাকালীন অধিৱেশন ঃ গৃহীত হ'ল ১২ বিধেয়ক

### লোকসভা-ৰাজ্যসভা অনিৰ্দিষ্টকাললৈ স্থগিত; বিতৰ্কত ব্যৰ্থতা স্বীকাৰ মন্ত্ৰী কিৰেণ ৰিজিজুৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৩ আগষ্ট ঃ** বৃহস্পতিবাৰে সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ সামৰণি পৰে। ৰাজধানীৰ সংসদ ভৱনত শাসকীয় আৰু বিৰোধী শিবিৰৰ মাজত হোৱা তীব্ৰ ৰাজনৈতিক দ্বন্দ্ব, বাক-বিনিময় আৰু হুলস্থুলীয়া পৰিস্থিতিৰ মাজেৰে এই অধিৱেশন শেষ হয়। অধিৱেশনৰ অন্তত ❑ ৬ পৃষ্ঠাত



### ডেলাৱেৰ প্ৰদেশতো পালিত হ'ব স্বাধীনতা দিৱস; নিউয়ৰ্ক-নিউ জাৰ্চিৰ পিছতে নতুন সংযোজন

## আমেৰিকাত ১৫ আগষ্ট 'ভাৰত দিৱস' হিচাপে ঘোষণা ট্ৰাম্প চৰকাৰৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৩আগষ্ট ঃ** আগন্তুক ১৫ আগষ্টৰ দিনটোক আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিভিন্ন প্ৰদেশত 'ভাৰত দিৱস' হিচাপে পালন কৰাৰ ঘোষণা দিছে ট্ৰাম্প চৰকাৰে। ইতিমধ্যে নিউয়ৰ্ক, নিউ জাৰ্চি আৰু মেছাচুচেটছ প্ৰদেশৰ পিছতে এইবাৰ ডেলাৱেৰ প্ৰদেশতো ঐতিহাসিক এই দিনটোত 'ভাৰত দিৱস' উদযাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ডেলাৱেৰ ৰাজ্যৰ গৱৰ্ণৰ মেথিউ মেয়াৰে ❑ ৬ পৃষ্ঠাত

## ভোট বিভাজনৰ জালত বিজেপিৰ বাবে 'ট্ৰাম কাৰ্ড' আজমল

### নগাঁও উপ-নিৰ্বাচনত AIUDF-ৰ প্ৰাৰ্থী ৰেজাউল কৰিম সৰকাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ আগষ্ট ঃ** নগাঁও সংসদীয় সমষ্টিৰ আসন্ন উপ-নিৰ্বাচনক লৈ টুটহুডডগ্ঠ-এ পূৰ্ণগতিৰ প্ৰস্তুতি আৰম্ভ কৰিছে। দলটোৰ সভাপতি বদৰুদ্দিন আজমলে ইতিমধ্যে সংবাদ মাধ্যমৰ সন্মুখত দলীয় প্ৰাৰ্থীৰ নাম চূড়ান্ত ঘোষণা কৰি দিছে। তেওঁৰ ঘোষণা অনুসৰি, ৰেজাউল কৰিম সৰকাৰ AIUDF-ৰ হৈ এই উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। ❑ ৬ পৃষ্ঠাত

### ৩০ লাখ টকাৰ চেক প্ৰদান; ভাৰতীয় দলৰ দুটা জাৰ্চি উপহাৰ স্বৰূপে মুখ্যমন্ত্ৰীক প্ৰদান

## গ্লাছগ' কমনৱেলথ গেমছত ৰূপৰ পদক জয়ী লাভলীনা বৰগোহাঁইক মুখ্যমন্ত্ৰীৰ সম্বৰ্ধনা




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩আগষ্ট ঃ** গ্লাছগ'ত অনুষ্ঠিত কমনৱেলথ গেমছ ২০২৬-ত বক্সিঙৰ ৭৫ কিলোগ্ৰাম শাখাত ৰূপৰ পদক অৰ্জন কৰি অসমলৈ গৌৰৱ কঢ়িয়াই অনা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বক্সাৰ লাভলীনা বৰগোহাঁইক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। বৃহস্পতিবাৰে দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত এক বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা লাভলীনাৰ হাতত ৩০ লাখ টকাৰ চেক প্ৰদান কৰে। কমনৱেলথ গেমছত তেওঁ প্ৰদৰ্শন কৰা অসামান্য ক্ৰীড়া নৈপুণ্য আৰু ❑ ৬ পৃষ্ঠাত

### ফুকেট-দিল্লী বিমানৰ ঘটনাৰ পাছতে পদক্ষেপ

## এয়াৰ ইণ্ডিয়াৰ কঠোৰ সিদ্ধান্ত ঃ পাইলটৰ নিচা পৰীক্ষা বাধ্যতামূলক

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৩আগষ্ট ঃ** এয়াৰ ইণ্ডিয়াই বিমান পৰিচালনাৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। এতিয়াৰ পৰা সংস্থাটোৰ প্ৰতিগৰাকী পাইলটৰ বাবে নিচাজাতীয় সামগ্ৰীৰ পৰীক্ষা বাধ্যতামূলক কৰা হৈছে। এয়াৰ ইণ্ডিয়া আৰু এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছৰ সকলো পাইলটে বিমান উৰুওৱাৰ পূৰ্বে এই পৰীক্ষাত অংশগ্ৰহণ কৰিব লাগিব। এই সিদ্ধান্তৰ আঁৰত আছে শেহতীয়াকৈ ফুকেট—দিল্লী অভিমুখী এখন বিমানৰ ❑ ৬ পৃষ্ঠাত

## গুৱাহাটীৰ ফাঁচী বজাৰত ব্যৱসায় নিষিদ্ধ অঞ্চল ঘোষণা

### যান-বাহন ৰখোৱাত কঠোৰ নিষেধাজ্ঞা; পথচাৰীৰ নিৰাপত্তা আৰু যান-জঁট নিয়ন্ত্ৰণৰ বাবে গুৰুত্বপূৰ্ণ সিদ্ধান্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৩ আগষ্ট ঃ** যান-জঁটৰ প্ৰশমন আৰু পথচাৰীসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে গুৱাহাটী মহানগৰীৰ ব্যস্ততম বাণিজ্যিক অঞ্চল ফাঁচী বজাৰৰ তিনিটা মুখ্য পথ-এছ এছ ৰোড, এম এছ ৰোড আৰু এইচ বি ৰোড-ক ব্যৱসায় নিষিদ্ধ অঞ্চল (নো-পাৰ্কিং জোন) হিচাপে ঘোষণা কৰিছে ৰাজ্য চৰকাৰে। লগতে এই পথসমূহত যান-বাহন ৰখোৱাত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ৰ অধ্যক্ষতাত কালি জনতা ভৱনত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকখনত ফাঁচী বজাৰ অঞ্চলত সৃষ্টি হোৱা যান-জঁটৰ সমস্যাৰ সমাধান আৰু পথচাৰীৰ সুৰক্ষা বৃদ্ধিৰ সম্ভাব্য উপায়সমূহৰ ওপৰত বিশদ আলোচনা কৰা হয়। বৈঠকত বিভাগীয় ❑ ৬ পৃষ্ঠাত

## লোকপিয়ল ২০২৭ৰ কৰ্মী বদলিত স্থগিতাদেশ ৰাজ্য চৰকাৰৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩আগষ্ট ঃ** অসম চৰকাৰে ২০২৭ চনৰ লোকপিয়লৰ বাবে নিযুক্ত তথ্য সংগ্ৰহকাৰী আৰু পৰিদৰ্শকসকলক তেওঁলোকৰ দায়িত্ব সম্পূৰ্ণ নোহোৱালৈকে বদলি কৰাৰ পৰা বিৰত থাকিবলৈ ৰাজ্যৰ সকলো বিভাগক কঠোৰ নিৰ্দেশ জাৰি কৰিছে। আগন্তুক লোকপিয়লৰ প্ৰস্তুতি সুচাৰুভাৱে আগুৱাই নিবলৈ এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সাম্প্ৰতিকভাৱে লখিমপুৰ জিলা প্ৰশাসনে এক প্ৰতিবেদন দাখিল কৰি জনায় যে লোকপিয়লৰ কামত নিয়োজিত কিছুসংখ্যক শিক্ষকে বাধ্যতামূলক প্ৰশিক্ষণ সম্পূৰ্ণ কৰাৰ লগতে 'হাউছ লিষ্টিং ব্ল'ক' আবণ্টন লাভ কৰিও তেওঁলোকক বদলি কৰা ❑ ৬ পৃষ্ঠাত

## অৰুণাচলৰ বিৰুদ্ধে টিএমপিকেৰ অৰ্থনৈতিক অৱৰোধ স্থগিত

### ধেমাজিত দুই মন্ত্ৰী আৰু সংগঠনৰ নেতৃত্বৰ মাজত আলোচনা; তিনিটা দাবী পূৰণৰ আশ্বাস

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ আগষ্ট ঃ** অসম-অৰুণাচল সীমান্তত চলি থকা টাকাম মিচিং পৰিণ কৌবাং (টিএমপিকে)ৰ অৰ্থনৈতিক আৰু পথ অৱৰোধ কাৰ্যসূচী সাময়িকভাৱে স্থগিত ৰখা হৈছে। অৰুণাচল প্ৰদেশৰ সীমান্তত সংঘটিত গুলীচালনাৰ ঘটনাৰ প্ৰতিবাদস্বৰূপে সংগঠনটোৱে এই অৱৰোধ কাৰ্যসূচী ঘোষণা কৰিছিল, যাৰ ফলত বিগত দুদিন ধৰি বিশ্বনাথ, লখিমপুৰকে ধৰি সীমান্তৰ বিভিন্ন ❑ ৬ পৃষ্ঠাত

## অভিনেত্ৰী চেতনা দাসক সংগীত নাটক অকাডেমী বঁটা প্ৰদান

### ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ পৰা সন্মান গ্ৰহণ; অসমীয়া নাট্য-অভিনয় জগতৰ অৱদানৰ স্বীকৃতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ আগষ্ট ঃ** অসমীয়া মঞ্চ আৰু অভিনয় জগতলৈ অনন্য অৱদান আগবঢ়োৱা বিশিষ্ট অভিনেত্ৰী চেতনা দাসক ২০২৫ বৰ্ষৰ প্ৰতিষ্ঠিত সংগীত নাটক অকাডেমী বঁটা প্ৰদান কৰা হৈছে। নতুন দিল্লীৰ বিজ্ঞান ভৱনত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে অভিনেত্ৰীগৰাকীৰ হাতত এই সন্মান তুলি দিয়ে। অসমীয়া নাট্য আৰু অভিনয় শিল্পৰ বিকাশত চেতনা দাসে নথকা অমূল্য অৱদানৰ স্বীকৃতি হিচাপে সংগীত নাটক অকাডেমীয়ে তেওঁলৈ এই বঁটা আগবঢ়ায়। অনুষ্ঠানত উপস্থিত থকা বিশিষ্ট শিল্পী, সংস্কৃতিপ্ৰেমী আৰু ৰাজ্যিক গণ্যমান্য ব্যক্তিসকলে অভিনেত্ৰীগৰাকীৰ এই সফলতাক উষ্ম সম্বৰ্ধনা জনায়। উল্লেখযোগ্য যে, চেতনা দাসে দীৰ্ঘদিন ধৰি অসমীয়া মঞ্চ নাটক, দূৰদৰ্শন ধাৰাবাহিক আৰু চলচ্চিত্ৰত অভিনয় কৰি অসমীয়া শিল্প জগতত নিজকে প্ৰতিষ্ঠা কৰিছে। তেওঁৰ সংবেদনশীল আৰু স্পষ্টভাষী অভিনয়ে দৰ্শক-শ্ৰোতা উভয়ৰে মন জয় কৰি আহিছে। এই বঁটা প্ৰাপ্তিৰ পাছতে ৰাজ্যখনৰ শিল্পী আৰু সংস্কৃতি মহলত উল্লাসৰ সৃষ্টি হৈছে। চেতনা দাসে এই সন্মান গ্ৰহণ কৰি প্ৰকাশ কৰে যে, অসমীয়া ভাষা আৰু সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰতে তেওঁৰ জীৱনৰ মূল উদ্দেশ্য। ইয়াৰ লগতে তেওঁ মঞ্চৰ লগত ❑ ৬পৃষ্ঠাত



# লাংকাঁচি গাঁও পঞ্চায়তত কক' খেতিৰ অভিলাষী আঁচনি শুভাৰম্ভ

## কৃষকৰ মাজত কক' পুলি বিতৰণ

**অসম বাৰ্তা, মাকুম, ১২ আগষ্ট ঃ** তিনিচুকীয়া জিলা কৃষি বিভাগৰ উদ্যোগত লাংকাচী গাঁও পঞ্চায়তৰ সভাকক্ষত কেন্দ্ৰীয় চৰকাৰৰ উত্তৰ-পূব আৰু হিমালয় পাদদেশীয় ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযান, অৰ্থাৎ HMNEH-ৰ অধীনত যোগ্য হিতাধিকাৰীৰ মাজত কক' পুলি বিতৰণ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত প্ৰায় ৪৮ গৰাকী হিতাধিকাৰীৰ মাজত কক' পুলি বিতৰণ কৰা হয়। জিলা কৃষি বিষয়া ৰজিত দত্তই আঁত ধৰা অনুষ্ঠানত জিলা আয়ুক্ত সুমিত সাত্তাৱান, মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষান, মাকুম সমজিলাৰ আয়ুক্ত নিলোৎপল শৰ্মা, কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° হেমচন্দ্ৰ শইকীয়া, বিজেপি জিলা সভাপতি কোষকান্ত বড়াকে প্ৰমুখ্য কৰি অন্যান্য বিষয়ববীয়া উপস্থিতি থাকে। উক্ত সভাত আনুষ্ঠানিকভাৱে কৃষক নোমল ৰাজপুত, ৰূপালী মৰাণ, নিৰু ডেকা, মিজু মৰাণ, বীৰেন মহন্ত, তৰুণ বৰুৱা, দয়াল গড়ক কক' পুলি বিতৰণ কৰা হয়। পৰৱৰ্তী সময়ত বাকী পুলিসমূহো হিতাধিকাৰীসকলৰ মাজত বিতৰণ কৰা হয়। জিলা আয়ুক্ত সুমিত সাত্তাৱানে তেওঁৰ বক্তব্যত কৃষি বিভাগৰ এই পদক্ষেপক প্ৰশংসা কৰাৰ লগতে কক' খেতিৰ প্ৰসাৰৰ বাবে জিলা প্ৰশাসনৰ তৰফৰ পৰা প্ৰয়োজনীয় সকলো সহযোগিতা আগবঢ়োৱাৰ লগতে প্ৰয়োজন সাপেক্ষে থলুৱা কক' খেতিৰ কৃষক সকলক বিশেষজ্ঞ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰাত সুবিধা কৰি দিয়া আশ্বাস দিয়ে। অনুষ্ঠানত তিনিচুকীয়া কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° হেমচন্দ্ৰ শইকীয়া উপস্থিত থাকি লাংকাচী গাঁও পঞ্চায়ত অন্তৰ্গত অঞ্চল সমূহত কক' খেতিৰ বৈজ্ঞানিক পদ্ধতি আৰু সম্ভাৱনা সন্দৰ্ভত কৃষকসকলক বিস্তৃত পৰামৰ্শ আগবঢ়ায়। আনহাতে লাংকাচী অঞ্চলত কক' খেতিৰ সম্প্ৰসাৰণৰ বাবে বিশেষ লক্ষ্য নিৰ্ধাৰণ কৰিছে বিধায়ক সঞ্জয় কিষানে। অনাগত দিনত পৰ্যায়ক্ৰমে প্ৰায় ১০০০ বিঘা কৃষি ভূমিত ক'ক' খেতি কৰাৰ দৃঢ় সংকল্প প্ৰকাশ কৰে বিধায়ক গৰাকীয়ে। বিধায়কগৰাকীয়ে কয় যে, মাকুম সমষ্টিত বিধায়ক হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পিছৰে পৰা বিভিন্ন উন্নয়নমূলক কামৰ লগতে কক' খেতিক আগুৱাই নিয়াৰ বিষয়টোক বিশেষ গুৰুত্ব দিয়া হৈছে। লাংকাচী অঞ্চলৰ কৃষকসকলে কক' খেতিৰ জৰিয়তে আৰ্থিকভাৱে লাভান্বিত হোৱাৰ লগতে এই অঞ্চলটোক কক' উৎপাদনৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ আশা প্ৰকাশ কৰিছে। ইয়াৰ পাছতে বিধায়ক, জিলা প্ৰশাসন, কৃষি বিভাগ আৰু কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়াসকলে লাংকাচী গাঁৱৰ উদ্যমী কৃষক মিজু মৰাণৰ কক' খেতিৰ ক্ষেত্ৰ পৰিদৰ্শন কৰি কক' খেতিৰ উৎপাদন আৰু লাভালাভৰ বিষয়ে বুজ লয়। উল্লেখযোগ্য যে, লাংকাচী গাঁৱত কক' খেতিৰ এনে সম্প্ৰসাৰণমূলক পদক্ষেপে আগন্তুক দিনত অঞ্চলটোৰ কৃষকসকলৰ বাবে নতুন উপাৰ্জনৰ পথ মুকলি কৰাৰ লগতে কৃষি অৰ্থনীতি আৰু অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

# অসম-বংগ সীমান্তৰ জে. এন. (এম) ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ প্ৰবীণ কুমাৰ ঈশ্বৰাৰীক বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১২ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ সোণকোষস্থিত জে. এন. (এম) ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সন্মানীয় অধ্যক্ষ প্ৰবীণ কুমাৰ ঈশ্বৰাৰীক আজি বিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে বিদ্যালয় প্ৰাঙ্গণত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাত বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু বুদ্ধিজীৱীসকল উপস্থিত থাকে। সভাত সভাপতিত্ব কৰি পাষ্টৰ ৰেভাৰেণ্ড এৰিষ্টল বসুমতাৰীয়ে অধ্যক্ষ প্ৰবীণ কুমাৰ ঈশ্বৰাৰীৰ নিষ্ঠা, নেতৃত্ব, দায়বদ্ধতা আৰু বিদ্যালয়খনৰ প্ৰতি আগবঢ়োৱা অৱদানৰ কথা উল্লেখ কৰে। তেওঁ কয় যে শূন্যৰ পৰা আৰম্ভ কৰি জীৱনৰ দীঘলীয়া সময় বিদ্যালয়খনৰ উন্নয়নৰ বাবে উৎসৰ্গা কৰা অধ্যক্ষগৰাকীৰ নেতৃত্বত এই বিদ্যালয়ৰ পৰা শিক্ষা গ্ৰহণ কৰা বহু ছাত্ৰ-ছাত্ৰী আজি চিকিৎসক, অভিযন্তা, গৱেষক, সেনা বাহিনীকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত প্ৰতিষ্ঠিত হৈছে। সেয়েহে বিদ্যালয়খনৰ প্ৰতি তেওঁৰ অৱদান চিৰস্মৰণীয় হৈ থাকিব বুলি তেওঁ মন্তব্য কৰে। উল্লেখ্য যে, ২০০০ চনৰ ১ জানুৱাৰীৰ পৰা বিদ্যালয়খনৰ দায়িত্ব গ্ৰহণ কৰি প্ৰবীণ কুমাৰ ঈশ্বৰাৰীয়ে সুদীৰ্ঘ সময় সেৱা আগবঢ়াই আহিছে। তেওঁৰ ২৭ বছৰীয়া কৰ্মজীৱনত বিদ্যালয়খনৰ শৈক্ষিক উন্নয়নৰ লগতে আন্তঃগাঁথনিৰ বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে অনুষ্ঠানৰ অন্যতম আবেগিক মুহূৰ্তত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শুভাকাংক্ষীসকলে অধ্যক্ষগৰাকীক মৰম আৰু সন্মানৰ প্ৰতীক হিচাপে বিভিন্ন উপহাৰেৰে সম্বৰ্ধনা জনায়। উপস্থিত বক্তাসকলে তেওঁৰ সুদীৰ্ঘ সেৱা, নেতৃত্ব, দায়বদ্ধতা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি থকা আন্তৰিকতাৰ কথা স্মৰণ কৰে। বিদায়ৰ এই আবেগিক ক্ষণত বিদ্যালয় পৰিয়ালৰ মাজত এক আৱেগঘন পৰিৱেশৰ সৃষ্টি হয়। সকলোৱে অধ্যক্ষ প্ৰবীণ কুমাৰ ঈশ্বৰাৰীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে তেওঁৰ আগন্তুক জীৱন সুখী, সুস্থ আৰু সফল হওক বুলি আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে।

# আৰক্ষী জোৱান ইদুল হাজৰিকাৰ মহানুভৱতাঃ নিজৰ একক প্ৰচেষ্টাৰে বানপীড়িতক সহায়ৰ হাত

**অসম বাৰ্তা, গেলেকী, ১২ আগষ্ট ঃ** বিপদৰ সময়ত মানুহেই মানুহৰ বাবে থিয় দিয়াটোৱেই মানৱতাৰ ডাঙৰ পৰিচয়। সচৰাচৰ বানপানী বা দুৰ্যোগৰ সময়ত সমাজৰ বহু সম্ভ্ৰান্ত তথা প্ৰভাৱশালী লোকে নীৰৱ ভূমিকা পালন কৰা দেখা যায়। কিন্তু তাৰ বিপৰীতে থিয় দি অসম আৰক্ষীৰ এজন জোৱানে দেখুওৱা মহানুভৱতাই এতিয়া সমগ্ৰ অঞ্চলটোতে চৰ্চা লাভ কৰিছে। অসম আৰক্ষীৰ জোৱান ইদুল হাজৰিকাই নিজৰ একক প্ৰচেষ্টাৰে বানত বিধ্বস্ত হোৱা দুৰ্গম অঞ্চলৰ লোকসকলৰ কাষত থিয় হৈ আগবঢ়াইছে জৰুৰী সাহায্য। সাম্প্ৰতিক বানত সৰ্বস্বান্ত হোৱা লোকসকলৰ বিলৈ-বিপত্তি দেখি থমকি ৰ'ব নোৱাৰিলে আৰক্ষী জোৱানজনে। তেওঁ নিজৰ সাধ্যানুসাৰে খৰচ বহন কৰি খাদ্য সামগ্ৰী আদিকে ধৰি অতি প্ৰয়োজনীয় বস্তুবোৰ বানপীড়িত ৰাইজৰ মাজত বিতৰণ কৰে। কেৱল সাময়িকভাৱে বস্তু বিতৰণ কৰিয়েই ক্ষান্ত নাথাকি, অনাগত দিনবোৰতো বিপন্ন লোকসকলক সম্ভাব্য সকলো ধৰণে সহায় কৰাৰ আশ্বাস প্ৰদান কৰে জোৱানজনে। নিজৰ এই মহানুভৱতাৰ সন্দৰ্ভত সদৌ অসম আৰক্ষী সংস্থা, শিৱসাগৰ জিলাৰ প্ৰচাৰ সম্পাদক ইদুল হাজৰিকাই কয়— "বিপদৰ সময়ত মানুহৰ কাষত থিয় দিয়াটো আমাৰ নৈতিক দায়িত্ব। চৰকাৰ বা প্ৰশাসনে নিজৰ কাম কৰিব, কিন্তু এজন সচেতন আৰু দায়িত্বশীল নাগৰিক হিচাপে নিজৰ সাধ্যানুসাৰে বানপীড়িত লোকসকলক সহায় কৰিবলৈ ওলাই আহিছোঁ। ভৱিষ্যতেও মোৰ এই প্ৰচেষ্টা অব্যাহত থাকিব।" এফালে আৰক্ষীৰ সচৰাচৰ কঠোৰ দায়িত্ব আৰু আনফালে বুকুৰ ভিতৰত থকা এক কোমল মানৱীয় হৃদয়— ইদুল হাজৰিকাৰ এইপদক্ষেপে পুনৰ এবাৰ প্ৰমাণ কৰিলে যে আৰক্ষী কেৱল আইন-শৃংখলা ৰক্ষাতেই সীমিত নহয়, ৰাইজৰ প্ৰকৃত বন্ধুও। তেওঁৰ এইপদক্ষেপক স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

# ৰঙিয়া ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত ভস্মীভূত চাৰিচকীয়া বাহন

**অসম বাৰ্তা, ৰঙিয়া, ১২ আগষ্ট ঃ** ৰঙিয়াৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি দিনৰ ভাগত এখন বাহন জ্বলি চাৰখাৰ হৈ যায়। এখন বাইকৰ লগত সংঘটিত হোৱা দুৰ্ঘটনাৰ ফলত বাহনখনৰ যান্ত্ৰিক বিজুতি ঘটি লগে লগে জুই লাগি যায় বাহনখনত। ৰঙিয়াৰ মৰানজানা জিও পেট্ৰ'ল দিপোৰ সমুখত সংঘটিত হয় এই দুৰ্ঘটনাটো। 22 BH 5729D নম্বৰৰ টাটা পাঞ্চ নামৰ এখন ব্যক্তিগত বাহন দাউদাউকৈ জ্বলি উঠে ৰাজপথত। উক্ত দুৰ্ঘটনাৰ ফলত বাইক আৰোহী এজনো আঘাতপ্ৰাপ্ত হয়। ৰঙিয়া অগ্নিনিৰ্বাপক খবৰ কৰাৰ পাছতেই অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী উপস্থিত হৈ জুই নিৰ্বাপনৰ চেষ্টা কৰে যদিও তেতিয়ালৈ বাহনখন জ্বলি ছাৰখাৰ হৈ যায়। উল্লেখ্য যে এই ঘটনাৰ পিছতে কিছুসময়ৰ বাবে ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত তীব্ৰ যানজঁটৰ সৃষ্টি হয়।

## মাতৃহীনা হ'ল নামনি মাজুলীৰ একমাত্ৰ হ'কাৰ নন্দেশ্বৰ মেধি

# নামনি মাজুলীৰ সৰবৰহী ধৰ্ম পৰায়ণা মহিলা নুমলি মেধিৰ মৃত্যু

**অসম বাৰ্তা, উজনী মাজুলী, ১২ আগষ্ট ঃ** নামনি মাজুলীৰ কৰতিপাৰ গাঁও পঞ্চায়তৰ বেবেজীয়া কৈৱৰ্ত গাঁৱৰ সৰবৰহী, ধৰ্মপ্ৰাণা মহিলা, নামনি মাজুলীৰ একমাত্ৰ হ'কাৰ নন্দেশ্বৰ মেধিৰ মাতৃ নুমলি মেধিৰ কালি সন্ধিয়া বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। মাজুলী জিলা একশৰণ ভাগৱতী সমাজৰ প্ৰপন্ন বৈষ্ণৱ তথা নামাচাৰ্য প্ৰয়াত ধুলাৰাম মেধিৰ পত্নী নুমলি মেধি যোৱা এসপ্তাহ ধৰি শাৰীৰিক অসুস্থতাত ভুগি আছিল। কালি দিনৰ ভাগত তেওঁৰ স্বাস্থ্যৰ দ্ৰুত অৱনতি ঘটে আৰু সন্ধিয়ালৈ মৃত্যু হয়। নুমলি মেধি এসময়ত বেবেজীয়া গাঁৱৰ এগৰাকী আগশাৰীৰ মহিলা আছিল। আই নাম, বিয়া নাম আদিত অতি পাকৈত নামতি নুমলি মেধি অতি সৰল আৰু মৃদুভাষী সমাজপ্ৰিয় মহিলা আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৬ বছৰ। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ, এগৰাকী বোৱাৰী, তিনিজন নাতি আৰু এগৰাকী নাতি বোৱাৰী ইহ সংসাৰত এৰি থৈ গৈছে। নুমলি মেধি নামনি মাজুলীৰ বাতৰি কাকতৰ হ'কাৰ তথা বাতৰি বিতৰক নন্দেশ্বৰ মেধিৰ মাতৃ আছিল। ফলত, মাতৃ হীন হ'ল বৃহত্তৰ নামনি মাজুলীৰ একমাত্ৰ হ'কাৰ নন্দেশ্বৰ মেধি। সৰবৰহী, ধৰ্মপৰায়ণা মহিলা নুমলি মেধিৰ মৃত্যুত নামনি মাজুলীত গভীৰ শোকৰ ছাঁ পৰিছে।

## ৪ ছেপ্টেম্বৰত দিনজোৰা কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱসৰ আয়োজন

# গড়মূৰ বংশীগোপাল নাট্য মন্দিৰৰ শতবৰ্ষ উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, ১২ আগষ্ট ঃ** মাজুলীৰ সাংস্কৃতিক ইতিহাসৰ স্বৰ্ণিল সাক্ষী, ঐতিহ্যমণ্ডিত গড়মূৰ সত্ৰৰ 'গড়মূৰ বংশীগোপাল নাট্য মন্দিৰ'ৰ এশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে অহা ৪ ছেপ্টেম্বৰ ২০২৬ অসমীয়া ১৭ ভাদ তাৰিখে দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস উদযাপনৰ উদ্যোগ গ্ৰহণ কৰা হৈছে। গড়মূৰস্থিত বংশীগোপাল নাট্য মন্দিৰ প্ৰাংগনত অনুষ্ঠিত হ'বলগীয়া এই দিৱসৰ লগত সংগতি ৰাখি মাজুলী ভিত্তিত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। সেই উপলক্ষে উক্ত দিনা পুৱা ১০ বজাৰ পৰা পঞ্চমন পৰা সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰাইজমানি চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ ১৫০০ টকা, দ্বিতীয় পুৰস্কাৰ ১০০০০ টকা আৰু তৃতীয় পুৰস্কাৰ ৭০০ টকা প্ৰদান কৰা হ'ব। ইয়াৰ সমান্তৰালকৈ ১২ বছৰৰ পৰা ১৮ বছৰ বয়সলৈ কিশোৰ-কিশোৰীসকলৰ বাবে মাজুলী ভিত্তিত প্ৰাইজমানি একক সংলাপ প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৩০০০ টকা, দ্বিতীয় পুৰস্কাৰ ২০০০ টকা আৰু তৃতীয় পুৰস্কাৰ ১০০০০ টকা ধাৰ্য কৰা হৈছে। প্ৰতিযোগিতাসমূহত অংশগ্ৰহণৰ বাবে আয়োজক কমিটিৰ ৭৬৩৭৯২৪০৮৮, ৮৮১১৯২৮৬১১ অথবা ৮৪৮৬৫৯১৪৫৪ ফোন নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। দিৱসৰ নিশালৈ এক বিশেষ সাংস্কৃতিক আকৰ্ষণ হিচাপে স্থানীয় যুৱতীসকলৰ দ্বাৰা "কৈকসী নন্দনৰ লংকা লাভ-বেদৱতী আখ্যান" ভাওনা প্ৰদৰ্শন কৰা হ'ব। এশ বছৰ অতিক্ৰম কৰা এই ঐতিহ্যমণ্ডিত নাট্য মন্দিৰৰ প্ৰতিষ্ঠা দিৱসৰ সমগ্ৰ কাৰ্যসূচীত মাজুলীৰ প্ৰত্যেকজন সাংস্কৃতিকপ্ৰেমী ৰাইজৰ সহায়-সহযোগ আৰু উপস্থিতি গড়মূৰ বংশীগোপাল নাট্য মন্দিৰৰ শতবৰ্ষ উদযাপন সমিতিৰ সভাপতি ৰাজু কাকতি, সম্পাদক ভবেন শইকীয়াই আহ্বান জনাইছে।

# 'হৰ ঘৰ তিৰংগা' অভিযানৰ অধীনত গুৱাগাছাত SSBৰ তিৰংগা প্ৰদৰ্শনী

**অসম বাৰ্তা, বৰপেটাৰোড, ১২ আগষ্ট ঃ** দেশপ্ৰেমৰ চেতনাৰে শিক্ষাৰ্থীসকলক উদ্বুদ্ধ কৰাৰ উদ্দেশ্যে 'হৰ ঘৰ তিৰংগা-২০২৬' অভিযানৰ অধীনত আজি গুৱাগাছাৰ H.E. উচ্চ বিদ্যালয়ত সশস্ত্ৰ সীমা বল (SSB)ৰ ২৭ নং বাহিনী, গুৱাগাছাৰ উদ্যোগত এক বিশেষ সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীৰ অন্যতম আকৰ্ষণ আছিল SSB-ৰ জোৱানসকলে আয়োজন কৰা বিশেষ তিৰংগা প্ৰদৰ্শনী। প্ৰদৰ্শনীৰ জৰিয়তে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাৰ গৌৰৱোজ্জ্বল ইতিহাস, ইয়াৰ ক্ৰমবিকাশ তথা তিৰংগাৰ সৈতে জড়িত দেশৰ সন্মান আৰু গৌৰৱৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰা হয়। অনুষ্ঠানত SSB-ৰ বিষয়াসকলে শিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক সম্বোধন কৰি প্ৰতিটো ঘৰত গৌৰৱেৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ বাবে আহ্বান জনায়। লগতে 'হৰ ঘৰ তিৰংগা' অভিযানৰ অংশ হিচাপে শিক্ষাৰ্থীসকলক তিৰংগাৰ সৈতে ছেলফি তুলি 'হৰ ঘৰ তিৰংগা' প'ৰ্টেলত আপলোড কৰিবলৈ উৎসাহিত কৰা হয়। কাৰ্যসূচীত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে ব্যাপক উৎসাহেৰে অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় পতাকাৰ প্ৰতি তেওঁলোকৰ গভীৰ শ্ৰদ্ধা আৰু দেশপ্ৰেমৰ উচ্ছ্বাস অনুষ্ঠানস্থলীত পৰিলক্ষিত হয়। বিদ্যালয় কৰ্তৃপক্ষই SSBৰ ২৭ নং বাহিনীৰ এই প্ৰশংসনীয় পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। এনে কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰাষ্ট্ৰীয় চেতনা, দেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় পতাকাৰ প্ৰতি সন্মান অধিক সুদৃঢ় কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি বিদ্যালয় কৰ্তৃপক্ষই মত প্ৰকাশ কৰে।

# শিঙিমাৰীত 'হৰ ঘৰ ত্ৰিৰংগা' যাত্ৰা

**অসম বাৰ্তা, ৰূপহীহাট, ১২ আগষ্ট ঃ** দেশৰ স্বাধীনতা দিৱস উপলক্ষে ৰূপহীহাটৰ শিঙিমাৰী গাঁও পঞ্চায়তৰ উদ্যোগত আজি উলহ-মালহেৰে উলিওৱা হয় 'হৰ ঘৰ ত্ৰিৰংগা' যাত্ৰা। শিঙিমাৰীস্থিত বিজেপি কাৰ্যালয়ৰ পৰা শিঙিমাৰী বজাৰৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উলিওৱা এইপদযাত্ৰাত শতাধিক লোকে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে। হাতে হাতে জাতীয় পতাকা লৈ অংশগ্ৰহণকাৰীসকলে শিঙিমাৰীৰ বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰি দেশপ্ৰেম, ৰাষ্ট্ৰীয় একতা আৰু সম্প্ৰীতিৰ বাৰ্তা প্ৰচাৰ কৰে। 'ভাৰত মাতা কী জয়' আৰু 'বন্দে মাতৰম' ধ্বনিৰে মুখৰিত হৈ পৰে পদযাত্ৰাৰ পথ। এই ত্ৰিৰংগ যাত্ৰাত যুৱ নেতা মুজিবৰ ৰহমান, কলিয়াবৰ জিলা সংখ্যালঘু মৰ্চাৰ সভাপতি ইমৰান হুছেইন, শিঙিমাৰী গাঁও পঞ্চায়তৰ সভাপতি আফজালুৰ ৰহমানৰ লগতে বিজেপিৰ দলীয় কৰ্মী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত আয়োজন কৰা এই কাৰ্যসূচীৰ জৰিয়তে জাতীয় পতাকাৰ প্ৰতি সন্মান জনোৱাৰ লগতে প্ৰতিগৰাকী নাগৰিকৰ মাজত দেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় একতাৰ ভাব অধিক শক্তিশালী কৰাৰ লক্ষ্য লোৱা হয় বুলি আয়োজকসকলে জানিবলৈ দিয়ে।

# মাজুলীত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১২ আগষ্ট ঃ** ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ মাজুলী জিলা সমিতিৰ সৌজন্যত তত্ত্বাৱধায়ক শিক্ষকসকলৰ বাবে শিশু বিজ্ঞানীৰ প্ৰকল্প প্ৰস্তুতি বিষয়ক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। মাজুলী জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক লিপিকা বুঢ়াগোহাঁইৰ বিশেষ তৎপৰতাত ৯ আগষ্ট তাৰিখে অনলাইন যোগে আৰু ১১ আগষ্ট তাৰিখে ৰঙাচাহী মহাবিদ্যালয় আৰু মাজুলী আউনিআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সমান্তৰাল ভাৱে এই প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন কৰা হয়। প্ৰশিক্ষণত উপস্থিত থাকি মাজুলী জিলা সমিতিৰ সভাপতি তিলক চন্দ্ৰ শৰ্মাই শিশু বিজ্ঞান সমাৰোহৰ মঞ্চখনলৈ ছাত্ৰ-ছাত্ৰীক আগুৱাই আনিবলৈ শিক্ষকসকলৰ পূৰ্ণ সহযোগিতা কামনা কৰে। অনলাইন মাধ্যমৰ প্ৰশিক্ষণত এইবাৰৰ সমাৰোহত প্ৰযোজ্য হ'বলগীয়া কিছু নতুন নিয়মাৱলীৰ লগতে প্ৰকল্প সম্পৰ্কীয় অন্যান্য বিভিন্ন বিষয়ত বক্তব্য প্ৰদান কৰে জিলা শৈক্ষিক সমিতিৰ সভাপতি প্ৰাণজিৎ শইকীয়া, জিলা শৈক্ষিক সমন্বয়ক ড° দেৱজ্যোতি ভট্টাচাৰ্য তথা জিলা শৈক্ষিক উপ-সমন্বয়ক বসন্ত বৰাই। ৰঙাচাহী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা প্ৰশিক্ষণ কাৰ্যসূচীত প্ৰকল্প প্ৰস্তুতৰ লগতে চলিত বৰ্ষৰ উপ-বিষয় সমূহৰ বিষয়ে সমল ব্যক্তি হিচাপে উপস্থিত থাকি প্ৰশিক্ষণ প্ৰদান কৰে ক্ৰমে প্ৰাণজিৎ শইকীয়া, লোহিত শইকীয়া, বুবুল বৰুৱা, ৰূপজ্যোতি কলিতা, মানস শইকীয়া আৰু কল্পনা শইকীয়াই। আনহাতে মাজুলী আউনিআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত প্ৰশিক্ষণত সমল ব্যক্তি ৰূপে উপস্থিত থাকে ক্ৰমে বসন্ত বৰা, যুগল চুতীয়া, ধ্ৰুৱজ্যোতি ওজা, পম্পী হাজৰিকা আৰু ড° দেৱজ্যোতি ভট্টাচাৰ্যই। প্ৰশিক্ষণত মাজুলী আউনিআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জগতজ্যোতি সাতোলা, জিলা সমন্বয়ক সুনীল কুমাৰ বৰা, সহঃ সমন্বয়ক নাৰায়ণ শইকীয়া, মাজুলী জিলা শিক্ষা বিভাগৰ তৰফৰ পৰা কুশদীপ হাটীমতা, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ দুয়োটা খণ্ডৰ সমন্বয়ক ক্ৰমে জয়ন্ত মাধৱ কলিতা আৰু বিকাশ বৰা উপস্থিত থাকি সমাৰোহখন সফল কৰাত সকলোৰে সহযোগিতা কামনা কৰে। উল্লেখযোগ্য যে এইপ্ৰশিক্ষণত মাজুলী জিলাৰ বিভিন্ন প্ৰান্তৰ শতাধিক শিক্ষকে অংশগ্ৰহণ কৰে।


**NAME CORRECTION**

My actual and correct name is RAHIMA BIBI which has been recorded in my relevant all documents including Aadhar Card, vide No. 8643 1211 0750, PAN Card vide no EVRPB3619A but my Name has erroneously been recorded M/S ROHIMA BEGUM in my bank passbook of Assam Gramin Vikash Bank having A/C no. 7150010005161 Lakhiganj Branch as M/S ROHIMA BEGUM instead of RAHIMA BIBI.

Sd/-
RAHIMA BIBI
W/O : Ferdus Rahman
Village: Udmari pt 4
PO:Lakhiganj,PIN: 783345
SD: Bilasipara
Dist: Dhubri Assam.

AB-118/2026


# থিয়েটাৰ ৰুদ্ৰৰ মঞ্চত চন্দন জ্যোতি ভূঞাৰ এজাক বৰষুণৰ অপেক্ষাত

**অসম বাৰ্তা, ৰহা, ১২ আগষ্ট ঃ** আগন্তুক নাট্যবৰ্ষত থিয়েটাৰ ৰুদ্ৰৰ বাবে নাট্যকাৰ চন্দন জ্যোতি ভূঞাই সাজু কৰি তুলিছে হাঁহি, কান্দোন, প্ৰেম কমাণ্ডেৰে ভৰপূৰ ত্ৰিকোণ প্ৰেমৰ কাহিনীৰে সমৃদ্ধ 'এজাক বৰষুণৰ অপেক্ষাত' নামৰ নাটকখন। ইতিমধ্যে পাণ্ডুলিপি সম্পূৰ্ণ হৈ উঠা নাটখনে দৰ্শকক আপ্লুত কৰিবলৈ সক্ষম হ'ব বুলি নাট্যকাৰ আৰু প্ৰযোজক আশাবাদী। থিয়েটাৰ ৰুদ্ৰৰ মঞ্চত প্ৰথমটো নাট্যবৰ্ষত দেখিবলৈ পাব নাট্যকাৰ-পৰিচালক অভিজিত ভট্টাচাৰ্যৰ 'মন বাগিচাৰ মজনু' আৰু নাট্যকাৰ-পৰিচালক ভাস্কৰ জ্যোতি শৰ্মাৰ 'চন্দনা মোক পাহৰি নাযাবি' নামেৰে দুখন নাটক। উল্লেখ্য যে মীনাক্ষী হাজৰিকা প্ৰযোজিত থিয়েটাৰ ৰুদ্ৰৰ জৰিয়তে প্ৰায় ১৪ বছৰৰ বিৰতিৰ অন্তত ভ্ৰাম্যমাণৰ দৰ্শকে মঞ্চত দেখিবলৈ পাব অভিনেতা আকাশদীপ ডেকাক। তেওঁৰ উপৰি ৰুদ্ৰৰ মঞ্চত অভিনয়ৰ বাবে চুক্তিবদ্ধ হৈছে অভিনেতা সিদ্ধান্ত কলিতা, অভিনেত্ৰী শৰ্মিষ্ঠা চক্ৰবৰ্তী, মুহি বৰা, পলাশ প্ৰতিম পাটকাই, মৌচুমী লস্কৰ, অৰ্চনা কলিতা, ঋতুৰাজ ডেকা আদি। থিয়েটাৰ ৰুদ্ৰৰ স্থায়ী আখৰা শিবিৰ মৰিগাঁৱত। থিয়েটাৰ ৰুদ্ৰৰ যোগাযোগৰ নম্বৰ ৬০০৩৭-৯৫৩৯৯ আৰু ৬০০২১৬৭৯৪৯।

# পঞ্চম গোলাঘাট জিলা কাৰাটে চেম্পিয়নশ্বিপত দেৰগাঁও ষ্টাৰ স্প'ৰ্টছ মাৰ্চিয়েল আৰ্টছ একাডেমিৰ চমকপ্ৰদ সফলতা

**অসম বাৰ্তা, দেৰগাঁও, ১২ আগষ্ট ঃ** গোলাঘাট জিলা কাৰাটে সন্থাৰ উদ্যোগত, অসম অলিম্পিক সন্থাৰ স্বীকৃতিপ্ৰাপ্ত আৰু সদৌ অসম কাৰাটে সন্থাৰ অনুমোদিত পঞ্চম গোলাঘাট জিলা কাৰাটে চেম্পিয়নশ্বিপ-২০২৬ যোৱা ৯ আগষ্ট, দেওবাৰে গোলাঘাট কলেজ তিনিআলিস্থিত মুকলি মঞ্চত অনুষ্ঠিত হয়। উক্ত প্ৰতিযোগিতাত জিলাখনৰ কাৰাটে সন্থাৰ অন্তৰ্গত কেইবাটিও ক্লাবৰ প্ৰায় ৩০০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাখনত দেৰগাঁৱৰ অন্যতম অগ্ৰণী সমৰকলা শিক্ষানুষ্ঠান "SSKF ASSAM, দেৰগাঁও ষ্টাৰ স্প'ৰ্টছ মাৰ্চিয়েল আৰ্টছ একাডেমি"ৰ মুঠ ২৬গৰাকী প্ৰশিক্ষাৰ্থীয়ে একক কাটা, কুমিটে আৰু দলীয় কাটা বিভাগত ল'ৰা-ছোৱালী উভয় শাখাত অংশগ্ৰহণ কৰি উল্লেখনীয় সফলতা অৰ্জন কৰে। একাডেমিখনৰ প্ৰশিক্ষাৰ্থীসকলে প্ৰতিযোগিতাখনত সৰ্বমুঠ ২১টা সোণৰ পদক, ১১টা ৰূপৰ পদক আৰু ৮টা ব্ৰঞ্জৰ পদক অৰ্জন কৰি একাডেমিখনৰ লগতে দেৰগাঁৱৰ ক্ৰীড়াক্ষেত্ৰলৈ পূৰ্বৰ দৰেই সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়। প্ৰতিযোগিতাখনত কৃতিত্বৰে বিজয়ী হোৱা একাডেমিৰ প্ৰশিক্ষাৰ্থীয়ে আগন্তুক ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন কাৰাটে প্ৰতিযোগিতাৰ বাছনি প্ৰক্ৰিয়াৰ বাবে নিৰ্বাচিত হোৱাৰ সুযোগ লাভ কৰে। এই সাফল্যই প্ৰশিক্ষাৰ্থীসকলৰ কঠোৰ পৰিশ্ৰম, নিয়মানুৱৰ্তিতা, অধ্যৱসায় আৰু প্ৰশিক্ষকসকলৰ নিষ্ঠাপূৰ্ণ প্ৰশিক্ষণৰ এক সুন্দৰ প্ৰতিফলন দাঙি ধৰিছে। এই সফলতাৰ বাবে একাডেমিৰ প্ৰশিক্ষক-প্ৰশিক্ষাৰ্থী, অভিভাৱক-অভিভাৱিকা আৰু সংশ্লিষ্ট সকলোকে কৃতজ্ঞতা প্ৰকাশে অভিনন্দন জ্ঞাপন কৰি আগন্তুক ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাসমূহতো একাডেমিখনৰ খেলুৱৈসকলে অধিক সফলতা অৰ্জন কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

# যোগীঘোপাত উচুঙ্গাৰ চৰত প্ৰায় ৫ লক্ষাধিক টকাৰ পোহনীয়া মহ চুৰি

**অসম বাৰ্তা, যোগীঘোপা, ১২ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা উচুঙ্গাৰ চৰত প্ৰায়, ৫ লক্ষাধিক টকাৰ পোহনীয়া মহ চুৰি। লুটি নিলে চাৰিটা পোহনীয়া মহ। প্ৰায় ৫ লক্ষ্যাধিক টকাৰ মহ চাৰিটা হেৰুৱাৰ পিছত হতাশাত ভুগিছে গৰাকীয়ে। মহ চাৰিটাৰ ভিতৰত দুটা জাতি মহ আৰু দুটা গুৰজোতি পাৰা (মতা) মহ বুলি জানিব দিয়ে। ৰাতি এন্ধাৰৰ সুযোগতে মহ চাৰিটা চুৰ কৰি হঠাৎ উধাও হয় চোৰটো। ঘটনাটো যোৱা ০৩ অক্টোবৰ ২০২৬ ইং তাৰিখে সংগঠিত হয চুৰিকাণ্ড। মহ চাৰিটাৰ আনুমানিক মূল্য প্ৰায় ৫ লক্ষ্যাধিক টকা হ'ব বুলি ভুক্তভোগী শাহজামালে জনাইছে। বিভিন্ন ঠাইত বিচাৰ খোচাৰ কৰি নাপাই অৱশেষত আজি ঔডুবী আৰক্ষী চকীত দাখিল কৰে এজাহাৰ। বিভিন্ন ঠাইত বিচাৰ খোচাৰ কৰাৰ বাবে এজাহাৰ দিয়াত পলম হোৱা বুলি মহৰ গৰাকী শাহজামালে জানিবলৈ দিয়ে। আজি ১০-০৮-২০২৬ ইং তাৰিখে বঙাইগাঁও জিলাৰ ঔডুবী আৰক্ষী চকীত ভুক্তভোগীয়ে এজাহাৰ দাখিলৰ পিছত ঘটনাটো ব্যাক্ত কৰে। কোনো সদাশয় ব্যক্তিয়ে কোনো শুংসূত্ৰ পালে এজাহাৰ কাৰীৰ শাহজামালৰ ৭০০২৬৮৭৪২০ ফোন নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনায়। মহ চাৰিটাৰ বৰ্তমানৰ ফটো ভুক্তভোগীৰ ওচৰত নথকাৰ বাবে ক্ৰয় কৰা সময়ৰ সৰু পোৱালি মহ চাৰিটাৰ ফটো দেখুৱাই দিয়া হ'ল।

# জাগীৰোডৰ সোণাইকুচি পাহাৰ খননৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ বীৰ লাচিত সেনা, অসমৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১২ আগষ্ট ঃ** আজি বীৰ লাচিত সেনা অসমৰ জাগীৰোড আঞ্চলিক সমিতিৰ সভাপতি অৰূপ বৰা আৰু মুখ্য সচিব ভৱেন গগৈ স্বাক্ষৰিত স্মাৰক পত্ৰখন এখন জাগীৰোড সম-জিলা আয়ুক্তৰ জৰিয়তে অসম চৰকাৰৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰি উল্লেখ কৰে যে, নগাঁও বন সংমণ্ডলৰ অন্তৰ্গত জাগীৰোডৰ সোণাইকুচি পাহাৰৰ অবাধ ব্লাষ্টিঙৰ বিৰুদ্ধে সংগঠনটোৱে সৰৱ হৈ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰি তাৎক্ষণিকভাৱে বন্ধ কৰিবলৈ দাবী জনোৱাৰ লগতে বৃহত্তৰ জাগীৰোডৰ পৰিৱেশ আৰু জনস্বাস্থ্য সুৰক্ষাৰ স্বাৰ্থত কোনো পাহাৰ খনন বা ব্লাষ্টিংৰ বাবে আবণ্টন নিদিবলৈ আহ্বান জনায়। নীতিবিৰুদ্ধভাৱে ব্লাষ্টিং কাৰ্যত জড়িত থকা লোক সকলৰ বিৰুদ্ধেও আইনগত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা সমিতিৰ মুখ্য সচিব দ্বীপমনি হীৰাই সংবাদ মাধ্যমৰ আগত দাবী জনায়। সঁজাতি দলটোত জিলা সমিতিৰ সভাপতি হিতেশ ডেকা, জাগীৰোড আঞ্চলিক সমিতিৰ সাংগঠনিক সচিব লক্ষ্মী দত্ত, প্ৰচাৰ সচিব প্ৰাণ ভূষণ, জিলা কাৰ্যনিৰ্বাহক বিকাশদ্বীপ ডেকা উপস্থিত থাকে।

□ হাতে-হাতে জাতীয় পতাকা, মুখত দেশপ্ৰেমমূলক ধ্বনি □

# মাজুলীত দেশপ্ৰেমৰ জোৱাৰ; উজনী মাজুলী মণ্ডল বিজেপিৰ উদ্যোগত জেংৰাইমুখত বৃহৎ ত্ৰিৰংগা যাত্ৰা

## প্ৰায় ৩ কিলোমিটাৰজোৰা সমদলত বিধায়ক ভুৱন গাম, এন.চি.চি., স্কাউট-গাইড, ছাত্ৰ-ছাত্ৰী আৰু শতাধিক ৰাইজৰ অংশগ্ৰহণ

**অসম বাৰ্তা, উজনী মাজুলী, ১৩ আগষ্ট ঃ** দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ৰাজ্যজুৰি চলি থকা 'হৰ ঘৰ ত্ৰিৰংগা' অভিযানৰ অংশ হিচাপে মাজুলীৰ উজনী মাজুলী মণ্ডল বিজেপিৰ উদ্যোগত আজি জেংৰাইমুখত এক বিশাল 'ত্ৰিৰংগা যাত্ৰা' অনুষ্ঠিত হয়। দেশপ্ৰেম, জাতীয় ঐক্য আৰু স্বাধীনতাৰ চেতনাৰে উদ্বুদ্ধ এই কাৰ্যসূচীত উজনী মাজুলীৰ আঠখন পঞ্চায়তৰ বিজেপি কৰ্মী, এন.চি.চি., স্কাউট-গাইড, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজৰ ব্যাপক অংশগ্ৰহণে সমগ্ৰ জেংৰাইমুখক ত্ৰিৰংগাময় কৰি তোলে। ব্যৱসায়িক প্ৰাণকেন্দ্ৰ জেংৰাইমুখত আৰম্ভ হোৱা এই শোভাযাত্ৰাই প্ৰায় ৩ কিলোমিটাৰ পথ অতিক্ৰম কৰে। অংশগ্ৰহণকাৰীসকলে হাতে হাতে জাতীয় পতাকা লৈ দেশপ্ৰেমমূলক শ্লোগান আৰু 'ভাৰত মাতাৰ জয়' ধ্বনিৰে সমগ্ৰ পৰিৱেশ মুখৰিত কৰি তোলে। স্বাধীনতা দিৱসৰ প্ৰাকমুহূৰ্তত এই ত্ৰিৰংগা যাত্ৰাই জাতীয় পতাকাৰ মৰ্যাদা আৰু দেশপ্ৰেমৰ বাৰ্তা সৰ্বসাধাৰণৰ মাজলৈ কঢ়িয়াই নিয়ে। ত্ৰিৰংগা যাত্ৰাত মাজুলীৰ বিধায়ক ভুৱন গামে অংশগ্ৰহণ কৰি কয়, "মনে-প্ৰাণে ত্ৰিৰংগা, ঘৰে-ঘৰে ত্ৰিৰংগা।" তেওঁ কয়, স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগ আৰু আত্মবলিদানক শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে দেশৰ অখণ্ডতা, সাৰ্বভৌমত্ব আৰু গৌৰৱ অক্ষুণ্ণ ৰখাৰ সংকল্পৰে এই ত্ৰিৰংগা যাত্ৰা আয়োজন কৰা হৈছে। জাতীয় পতাকাৰ সন্মান ৰক্ষা আৰু দেশপ্ৰেমৰ চেতনাক প্ৰতিগৰাকী নাগৰিকৰ অন্তৰত জগাই তোলাই এই কাৰ্যসূচীৰ মূল লক্ষ্য বুলি তেওঁ উল্লেখ কৰে। আনহাতে, মাজুলী জিলা বিজেপিৰ সভাপতি দীপক গোস্বামীয়ে কয় যে জাতীয় পতাকা কেৱল এখন পতাকাই নহয়, ই ভাৰতৰ স্বাধীনতা, ঐক্য, আত্মসন্মান আৰু গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতীক। এনে কাৰ্যসূচীয়ে নতুন প্ৰজন্মৰ মাজত দেশপ্ৰেম আৰু দায়িত্ববোধ অধিক শক্তিশালী কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলিও তেওঁ মন্তব্য কৰে। উক্ত কাৰ্যসূচীত অসম প্ৰদেশ বিজেপিৰ ৰাজ্যিক সম্পাদক বিতু পন দলে, মাজুলী জিলা পৰিষদৰ সভানেত্ৰী নৱনিতা দাস, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য বীৰেন শইকীয়া, উজনী মাজুলী মণ্ডল সমিতিৰ সভাপতি ৰাজমোহন পেগু, ৫খন গাঁও পঞ্চায়তৰ সভাপতিকে ধৰি দলৰ বহু জ্যেষ্ঠ নেতা-কৰ্মী উপস্থিত থাকে। লগতে জেংৰাইমুখ মহাবিদ্যালয়ৰ স্কাউট-গাইড, এন.চি.চি.ৰ কেডেট, জেংৰাইমুখ হাইস্কুলৰ ছাত্ৰ-ছাত্ৰী আৰু বিভিন্ন শ্ৰেণীৰ ৰাইজে উৎসাহেৰে অংশগ্ৰহণ কৰি সমগ্ৰ কাৰ্যসূচীক সাফল্যমণ্ডিত কৰি তোলে। দেশপ্ৰেম, জাতীয় ঐক্য আৰু স্বাধীনতাৰ গৌৰৱগাঁথাৰে মুখৰিত এই ত্ৰিৰংগা যাত্ৰাই স্বাধীনতা দিৱসৰ পূৰ্বে মাজুলীবাসীৰ মাজত এক নতুন উদ্দীপনা আৰু জাতীয় চেতনাৰ সঞ্চাৰ ঘটোৱাৰ লগতে সমগ্ৰ জেংৰাইমুখক ত্ৰিৰংগাৰ ৰঙেৰে ৰঙীন কৰি তোলে।

# কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত শিক্ষয়িত্ৰীসকলৰ বাবে নৱনিৰ্মিত আবাসিক গৃহ উদ্বোধন

"গুণগত শিক্ষা আৰু উজ্জ্বল ভৱিষ্যৎ গঢ়াত কস্তুৰবা গান্ধী বিদ্যালয়ৰ ভূমিকা গুৰুত্বপূৰ্ণ" ঃ বিধায়ক সঞ্জয় কিষাণ




**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ১৩ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ মাকুম বিধানসভা সমষ্টিৰ গুইজান খণ্ডৰ অন্তৰ্গত কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ শিক্ষয়িত্ৰী সকলৰ বাবে নৱনিৰ্মিত আবাসিক গৃহটি আজি মাকুম বিধানসভা সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণে আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। বিদ্যালয়খনৰ তত্ত্বাৱধায়ক জয়ন্তী মৰাণে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা সমগ্ৰ শিক্ষাৰ জিলা মিচন সমন্বয়ক বিন্তী শৰ্মা, অসম চাহ কৰ্মচাৰী কল্যাণ ব'ৰ্ডৰ অধ্যক্ষ নগেন কুমাৰ, জিলা আঁচনি বিষয়া আৰতি দাস বৰুৱা, তিনিচুকীয়া নগৰ শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি দুৰ্জয় লোচন চেতিয়া, বিজেপিৰ গুইজান মণ্ডলৰ সভাপতি গিৰাজ বৰুৱা, সাধাৰণ সম্পাদক অনিমেষ চেতিয়াকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিধায়ক সঞ্জয় কিষাণে কয় যে, গুণগত শিক্ষা সুনিশ্চিত কৰা আৰু গ্ৰামাঞ্চলৰ ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যৎ গঢ়ি তোলাৰ ক্ষেত্ৰত কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ে পালন কৰা ভূমিকা অতি গুৰুত্বপূৰ্ণ। নৱনিৰ্মিত আবাসিক গৃহটিয়ে শিক্ষয়িত্ৰীসকলক অধিক নিৰাপদ, সুন্দৰ আৰু সুশৃংখলিত পৰিৱেশত বসবাসৰ সুবিধা প্ৰদান কৰিব বুলি তেওঁ উল্লেখ কৰে। উন্নত আবাসিক সুবিধাই শিক্ষয়িত্ৰীসকলক অধিক উৎসাহ, একাগ্ৰতা আৰু নিষ্ঠাৰে শিক্ষাদানত মনোনিৱেশ কৰিবলৈ অনুপ্ৰাণিত কৰিব বুলিও বিধায়কগৰাকীয়ে আশা প্ৰকাশ কৰে। ইয়াৰ ফলত বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ অধিক উন্নত হোৱাৰ লগতে ছাত্ৰীসকলৰ শৈক্ষিক মানদণ্ড আৰু সৰ্বাংগীণ বিকাশতো ইতিবাচক প্ৰভাৱ পৰিব বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা জিলা মিচন সমন্বয়ক বিন্তী শৰ্মাই কয় যে, বিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নয়নৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে সুস্থ, নিৰাপদ আৰু অনুকূল পৰিৱেশ নিশ্চিত কৰাটো শিক্ষাৰ গুণগত মান উন্নয়নৰ এক গুৰুত্বপূৰ্ণ অংশ। বিশেষকৈ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ দৰে আবাসিক বিদ্যালয়ত শিক্ষয়িত্ৰীসকলৰ বাবে উন্নত আবাসিক সুবিধাই বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ অধিক শক্তিশালী কৰাৰ লগতে ছাত্ৰীসকলৰ সৈতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ নিবিড় সম্পৰ্ক গঢ়ি তোলাত সহায় কৰিব বুলি তেওঁ মন্তব্য কৰে। ছাত্ৰীসকলৰ সৰ্বাংগীণ বিকাশৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলক নিষ্ঠা, দায়িত্ববোধ আৰু আন্তৰিকতাৰে কাম কৰি যাবলৈও তেওঁ আহ্বান জনায়। অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী মাধুৰীমা ফুকনে উদ্দেশ্য ব্যাখ্যা কৰে। বিষয় শিক্ষয়িত্ৰী মাধুৰী হাজৰিকাই শলাগৰ শৰাই আগবঢ়ায়। শেষত জাতীয় সংগীতেৰে উদ্বোধনী অনুষ্ঠানৰ সামৰণি মৰা হয়।

# চাৰিং দুৱৰাপাৰৰ ১৬টা বানপীড়িত পৰিয়ালক ৰটাৰী ক্লাবৰ আৰ্থিক সাহায্য

**অসম বাৰ্তা, জাঁজী, ১৩ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ চাৰিং দুৱৰাপাৰৰ বানপীড়িত তথা আৰ্থিকভাৱে দুৰ্বল ১৬টা পৰিয়ালৰ কাষত থিয় দিলে দিল্লীস্থিত Rotary Club of Delhi West। ক্লাবটোৰ 'নৱনিৰ্মাণ প্ৰকল্প'ৰ জৰিয়তে বানপানীত ক্ষতিগ্ৰস্ত পৰিয়াল কেইটাক ঘৰ পুনৰ নিৰ্মাণৰ বাবে ২১ হাজাৰ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। এই উপলক্ষে চাৰিং দুৱৰাপাৰ গাঁৱৰ ৮৯৫ নং ন-আলি প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত সুদূৰ দিল্লীৰ পৰা অহা ৰটাৰী ক্লাবৰ প্ৰতিনিধিসকলে বানপীড়িত পৰিয়ালসমূহৰ হাতত আৰ্থিক সাহায্য আগবঢ়ায়। অনুষ্ঠানত Rotary Club of Delhi West-ৰ বৰ্তমানৰ সভাপতি তথা অসম সন্তান বিদ্যুত তামোলী, প্ৰাক্তন সভাপতি অনিল টায়াল আৰু ক্লাবৰ জিলা পৰিচালক অৰুণ ৰংতা উপস্থিত থাকে। তেওঁলোকক এই সাহায্য অভিযানত সহযোগিতা আগবঢ়ায় চাৰিঙৰ বিশিষ্ট সমাজসেৱক তথা ব্যৱসায়ী প্ৰতুল দুৱৰাই। অনুষ্ঠানত ৮৯৫ নং ন-আলি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অলকা কাকতি, মোমাই তামোলী পঞ্চায়তৰ সভাপতি প্ৰাঞ্জল দুৱৰা, সাংবাদিক পদ্মলোচন খনিকৰ, মানস প্ৰতিম বৰুৱা, সৌৰভ দুৱৰা, কৃতিদীপ্ত ভূঞা আৰু বিদ্যালয়খনৰ সহকাৰী শিক্ষক সত্যৰঞ্জন শৰ্মা উপস্থিত থাকে। শ্ৰীমন্ত দত্তই আঁত ধৰা অনুষ্ঠানত বক্তাসকলে বানপানীৰ দৰে দুৰ্যোগৰ সময়ত আৰ্তজনৰ কাষত থিয় দি সহায়ৰ হাত আগবঢ়োৱাৰ বাবে ৰটাৰী ক্লাবৰ এই পদক্ষেপক প্ৰশংসা কৰে। বিশেষকৈ অসম সন্তান বিদ্যুত তামোলীৰ নেতৃত্বত দিল্লীস্থিত ৰটাৰী ক্লাৱে উজনি অসমৰ বানপীড়িত লোকসকলৰ পুনৰ সংস্থাপনৰ ক্ষেত্ৰত আগবঢ়োৱা এই মানৱীয় উদ্যোগে আশাৰ সঞ্চাৰ কৰিছে বুলি মত প্ৰকাশ কৰে। বানপানীত ঘৰ-দুৱাৰ আৰু সা-সম্পত্তি হেৰুৱাই অসহায় হৈ পৰা পৰিয়ালসমূহৰ ঘৰ পুনৰ নিৰ্মাণৰ বাবে আগবঢ়োৱা এই আৰ্থিক সাহায্যই ক্ষতিগ্ৰস্ত পৰিয়ালকেইটাক নতুনকৈ জীৱন আৰম্ভ কৰাৰ ক্ষেত্ৰত কিছু সকাহ দিব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰে।

# 'সুস্থ সাংবাদিকতাত বাধা আৰোপৰ প্ৰৱণতাই দায়বদ্ধ সাংবাদিকতাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰি আহিছে'

## সাংবাদিক নীলিম চৌধুৰী সোঁৱৰণী স্মাৰক বক্তৃতাৰ বক্তা সুশান্ত তালুকদাৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৩ আগষ্ট ঃ** যেনেদৰে চৰকাৰে লোৱা আঁচনি, নীতি, প্ৰকল্প আদিৰ বিষয়ে ৰাইজক অৱগত কৰাটো সাংবাদিকৰ দায়িত্ব, তেনেদৰে এনে চৰকাৰী সিদ্ধান্ত আৰু কাৰ্যকৰীকৰণ সন্দৰ্ভত ৰাইজৰ প্ৰশ্নসমূহৰ উত্তৰ বিচাৰি মুখ্যমন্ত্ৰী, মন্ত্ৰী, বিষয়াক প্ৰশ্ন কৰাটোও সাংবাদিকৰ দায়িত্ব। কিন্তু প্ৰকৃত তথ্য সাংবাদিকে ৰাইজক অৱগত কৰাৰ সুস্থ সাংবাদিকতাৰ এনে প্ৰক্ৰিয়াত বাধা আৰোপ কৰাৰ প্ৰৱণতাই ৰাজ্যখনত মুক্ত, স্বাধীন আৰু দায়বদ্ধ সাংবাদিকতাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে, যিটো গণতন্ত্ৰৰ বাবে অতি বিপদজনক। ৰাজ্যখনৰ মুখ্যমন্ত্ৰীয়ে যেতিয়া প্ৰশ্নসোধা সাংবাদিকক উত্তৰ দিয়াৰ পৰিৱৰ্তে তেওঁৰ নাম, ধৰ্মৰ বিষয়ে ৰাজহুৱাকৈ জানিব বিচাৰিব, মালিকৰ সৈতে কথা পতাৰ ভাবুকি দিব, ঠাট্টা-মস্কৰা কৰিব তেতিয়া এচাম সাংবাদিকে ৰাইজৰ প্ৰশ্নসমূহৰ উত্তৰ বিচাৰি চাকৰি হেৰুৱাতকৈ মুখ্যমন্ত্ৰী, মন্ত্ৰী, বিষয়াৰ বক্তব্য প্ৰচাৰ কথাতে নিজকে সীমাবদ্ধ কৰি ৰখাৰ যি প্ৰৱণতা আৰম্ভ হৈছে তাৰ অৱসান ঘটোৱাটো সাংবাদিকৰ স্বাধীনতা ৰক্ষা আৰু গণতন্ত্ৰ শক্তিশালী কৰাৰ স্বাৰ্থত অতি জৰুৰী হৈ পৰিছে। ডিব্ৰুগড়ত অনুষ্ঠিত পঞ্চদশ বাৰ্ষিক সাংবাদিক নীলিম চৌধুৰী সোঁৱৰণী স্মাৰক বক্তৃতা অনুষ্ঠানত অংশগ্ৰহণ কৰি "সাম্প্ৰতিক অসমৰ সাংবাদিকতাঃ আশা আৰু প্ৰত্যাশা" শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি ভাষণ প্ৰসংগত এই কথা প্ৰকাশ কৰে বিশিষ্ট লেখক-চিন্তাবিদ তথা দ্যা হিন্দু কাকতৰ প্ৰাক্তন সহকাৰী সম্পাদক সুশান্ত তালুকদাৰে। স্মাৰক বক্তৃতা প্ৰদান কৰি তেখেতে ১৯৩৬ চন ৰেডিঅ' আৰু ১৯৫৯ চনত টেলিভিছনৰ সংযোজন ঘটাৰ দিনৰ পৰা সাম্প্ৰতিক সময়লৈকে সাংবাদিকতাৰ জগতখনত ঘটা উত্থান-পতনৰ আৰু তাৰ লগে লগে আহি পৰা সমস্যা সম্পৰ্কত এক বিস্তৃত ব্যাখ্যা দাঙি ধৰে। স্মাৰক বক্তৃতা অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি এটি সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰে অৰুণাচল প্ৰদেশৰ অৱসৰপ্ৰাপ্ত উপায়ুক্ত আৰু গালু লুনভ বানভৰ(জি এল বি কে)ৰ সভাপতি টুংগে লয়াই। তেখেতে প্ৰদান কৰা ভাষণত ঘাইকৈ উত্তৰ পূৰ্বাঞ্চলৰ কেওখন ৰাজ্যৰ ঐতিহ্যমণ্ডিত ঐক্যবদ্ধতাত হেঙাৰ হৈ থিয় দিয়া যিকোনো অপশক্তিৰ বিৰুদ্ধে যৌথ ভাৱে থিয় দিয়াত গুৰুত্ব আৰোপ কৰে। আমি এক হৈ আছিলোঁ, এক হৈ আছোঁ আৰু আগলৈকো এক হৈ থাকিম-তেখেতে কয়। ডিব্ৰুগড় প্ৰেছক্লাবৰ সভাপতি মানস জ্যোতি দত্তৰ সভাপতিত্বত অনুষ্ঠিত স্মাৰক বক্তৃতা অনুষ্ঠানৰ আৰম্ভণিতে প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰিপুঞ্জয় দাসে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছতে প্ৰয়াত সাংবাদিক নীলিম চৌধুৰীৰ প্ৰতিচ্ছবিত এগছি বন্তি জ্বলাই পুষ্পাঞ্জলি অৰ্পণ কৰে জ্যেষ্ঠ সাংবাদিক তথা ডিব্ৰুগড় প্ৰেছক্লাবৰ অন্যতম উপদেষ্টা শৰৎচন্দ্ৰ নেওগে। তাৰ লগে-লগে অন্য দুগৰাকী প্ৰয়াত সাংবাদিক ক্ৰমে হৰি বিনোদ বাৰ্মা আৰু সঞ্জীৱ নন্দীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে দুয়োগৰাকী প্ৰয়াত সাংবাদিকৰ পৰিয়ালবৰ্গই। উল্লেখযোগ্য যে, আজিৰ স্মাৰক বক্তৃতা অনুষ্ঠানৰ উপলক্ষে ডিব্ৰুগড় প্ৰেছ ক্লাৱে চাৰিটাকৈ বিশেষ সন্মানসূচক বঁটা চাৰিজন কৃতি সাংবাদিকক আনুষ্ঠানিক ভাৱে প্ৰদান কৰে। সেই মৰ্মে সাংবাদিক নীলিম চৌধুৰী সোঁৱৰণী বঁটা প্ৰদান কৰা হয় লখিমপুৰৰ ডি ৱাই ৩৬৫ৰ ব্যুৰো কৰুণা কৃষ্ণ নাথক, সাংবাদিক সঞ্জীৱ নন্দী যুৱ সাংবাদিকতা বঁটা প্ৰদান কৰা হয় ডিব্ৰুগড়ৰ দ্যা চেণ্টিনেল কাকতৰ ষ্টাফ ৰিপ'ৰ্টাৰ অভীক চক্ৰৱৰ্তীক, জ্যোতি-ললিতা কানৈ ফাউণ্ডেশ্যনৰ পৃষ্ঠপোষকতাত অনুসন্ধান মূলক সাংবাদিকতাৰ বঁটা প্ৰদান কৰা হয় তিনিচুকীয়াৰ দৈনিক জনমভূমি কাকতৰ ছিনিয়ৰ ষ্টাফ ৰিপ'ৰ্টাৰ প্ৰণৱ ফুকনক আৰু হৰি বিনোদ বাৰ্মা (ডব্লিউ) ফটো সাংবাদিকতাৰ বঁটা প্ৰদান কৰা হয় শিৱসাগৰৰ নিউজ লাইভৰ ছিনিয়ৰ ভিডিঅ' সাংবাদিক হিমাংশু নেওগক। বঁটা প্ৰাপক কেইগৰাকীৰ হৈ দুগৰাকী বঁটা প্ৰাপক ক্ৰমে কৰুণা কৃষ্ণ নাথ আৰু প্ৰণৱ ফুকনে নিজৰ অনুভৱৰ কথা ব্যক্ত কৰি দুআষাৰ কয়। স্মাৰক বক্তৃতা অনুষ্ঠানৰ আজিৰ সভাত একোটিকৈ শুভেচ্ছামূলক বক্তব্য আগবঢ়ায় স্থানীয় বিশিষ্ট সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈ, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ড° সৈকত পাত্ৰ, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া আৰু প্ৰয়াত নীলিম চৌধুৰীৰ সহধৰ্মিনী ড°সুবাসনা মহন্ত চৌধুৰীয়ে। স্মাৰক বক্তৃতা প্ৰদান সভাত সাম্প্ৰতিক উজনি অসমৰ প্ৰলয়ংকাৰী বানত ক্ষতিগ্ৰস্ত লোকক উপযুক্ত ক্ষতিপূৰণ দিবলৈ আৰু তথ্য সহকাৰে অভিযোগ উঠা মতে যিহেতু এই প্ৰলয়ংকাৰী বানে অনা দুৰ্যোগটো প্ৰাকৃতিক সৃষ্ট দুৰ্যোগ নহয়, ই মানৱ সৃষ্ট দুৰ্যোগ, সেয়েহে এই ক্ষেত্ৰত নিৰপেক্ষ তদন্তৰ ব্যৱস্থা কৰি দোষীক শাস্তি দিয়াৰ দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰে।

অফিচলৈ অহা বুলি কৈ সাংবাদিকৰ আগত ফাঁকি মাৰি পৰিল ধৰা

# বনমন্ত্ৰীৰ ৰঙা চকুলৈ কেৰেপ নকৰে হেলেম সামাজিক বনানীকৰণৰ ৰেঞ্জাৰ মুনীন্দ্ৰ বৰদলৈয়ে

## ১০০ কিলোমিটাৰ দূৰৈৰ লখিমপুৰৰ ঘৰৰ পৰা চলাই কাৰ্য্যালয়

**অসম বাৰ্তা, গহপুৰ, ১৩ আগষ্ট ঃ** অসম চৰকাৰৰ বন বিভাগক পূৰ্বতকৈ অধিক গতিশীল আৰু কৰ্মমুখী কৰাৰ বাবে যি সময়ত বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কঠোৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে তেনে সময়তে বনমন্ত্ৰীৰ কঠোৰ পদক্ষেপলৈ কেৰেপ নকৰি নিজৰ মইমতালিৰে কাৰ্য্যলয় চলাইছে বিশ্বনাথ জিলাৰ এগৰাকী বনাঞ্চলিক বিষয়াই। নাম তেওঁৰ মুনীন্দ্ৰ বৰদলৈ। বিশ্বনাথ জিলাৰ অন্তৰ্গত গহপুৰ সমজিলাৰ এলেকাধীন চন্দামাৰীত থকা অসম চৰকাৰৰ বন বিভাগৰ অধীনস্থ হেলেম সামাজিক বনানীকৰণৰ বনাঞ্চলিক বিষয়া হিচাপে কৰ্মৰত এই গৰাকী বনাঞ্চলিক বিষয়াই "হেড কোৱাৰ্টাৰ"'ত থাকি নিজৰ বিভাগীয় কাৰ্য্য পৰিচালনা কৰাৰ বিপৰীতে ১০০ কিলোমিটাৰ দূৰৈৰ লখিমপুৰৰ লালুকৰ ঘৰৰ পৰা চলাই আহিছে চৰকাৰী কাম কাজ। অভিযোগ অনুসৰি - বনাঞ্চলিক বিষয়া মুনীন্দ্ৰ বৰদলৈ সপ্তাহত এদিন বা দুদিনহে আহে কাৰ্য্যলয়লৈ। বাকি কেইদিন লখিমপুৰৰ ঘৰৰ পৰা চলাই বিভাগীয় কাম কাজ। তলতীয়া কৰ্মচাৰীক কাৰ্য্যালয়টো চোৱা চিতাৰ দায়িত্ব দি নিজে ঘৰত জিৰণি লৈ নিজৰ গুৰু দায়িত্বলৈ পিঠি দি অহা বনাঞ্চলিক বিষয়া মুনীন্দ্ৰ বৰদলৈয়ে আজি এই প্ৰতিবেদকৰ আগত মিছা মাতি ধৰা পৰা ঘটনাই তেওঁ যে চৰকাৰী কামত ফাঁকি দি আহিছে সেয়া প্ৰমাণিত হৈছে। বনাঞ্চলিক বিষয়া গৰাকী কাৰ্য্যালয়লৈ নহা বুলি উত্থাপন হৈ অহা অভিযোগৰ সত্যতা প্ৰতিপন্ন কৰিবলৈ আজি দিনৰ প্ৰায় ১০-৫০ বজাত এই প্ৰতিবেদকে তেওঁলৈ ফোন কৰি "ক'ত আছে?" বুলি সোধাত তেওঁ প্ৰথমে ক'বলৈ অমান্তি হৈছিল যদিও পিছত ঘৰত আছো বুলি ক'বলৈ বাধ্য হয়। আজি কাৰ্য্যলয় খোলা দিনত কাৰ্য্যলয়ত কিয় নাই বুলি প্ৰশ্ন কৰাত তেওঁ কয়-"এইমাত্ৰ অফিচৰ পৰা উভতি আহি ঘৰ পাইছোহি।" ১০০ কিলোমিটাৰ দূৰত্ব অহা যোৱা কৰি ইমান সোনকালে কেনেকৈ ঘৰ গৈ পালে বুলি এইপ্ৰতিবেদকে পুনৰ তেওঁক প্ৰশ্ন কৰাত তেওঁ এইক্ষেত্ৰত কোনো যুক্তি ডাঙি ধৰিব নোৱাৰিলে। পিছত তেওঁ আজি কাৰ্য্যালয়লৈ নগৈ ঘৰতে থকাৰ কথা এইপ্ৰতিবেদকৰ আগত স্বীকাৰ কৰিবলৈ বাধ্য হয়। দায়িত্বশীল বনাঞ্চলিক বিষয়া গৰাকীৰ এইফাঁকি কথাই তেওঁ যে কৰ্তব্যত গাফিলতি কৰি আহিছে সেই কথা প্ৰমাণিত কৰিছে। তদুপৰি হেড কোৱাৰ্টাৰৰ এগৰাকী বনাঞ্চলিক বিষয়াই কাৰ্য্যলয় এলেকাত যাপন কৰি কাৰ্য্যলয় পৰিচালনা কৰাতো নিয়ম যদিও এইগৰাকী বিষয়াই কাৰ আশীৰ্বাদত ১০০ কিলোমিটাৰ দূৰৈৰ ঘৰৰ পৰা কাৰ্য্যলয় চলোৱাৰ সাহস পাইছে সেয়া হৈ পৰিছে গুৰুত্বপূৰ্ণ বিষয়। ইপিনে হেলেম সামাজিক বনানীকৰণ বনাঞ্চলিক বিষয়া কাৰ্যালয়ত বৰ্তমান ৰূপায়ণ হৈ থকা আঁচনি, আঁচনিৰ নাম আৰু আঁচনিৰ বিপৰীতে আবণ্টিত পুঁজিৰ সম্পৰ্কে বিষয়াগৰাকীৰ পৰা জানিব বিচৰাত তেওঁ এইক্ষেত্ৰত সম্পূৰ্ণ অজ্ঞতা প্ৰকাশ কৰি ইয়াৰ তথ্য বিশ্বনাথ চাৰিআলিত থকা সামাজিক বনানীকৰণৰ ডি এফ অ' কাৰ্য্যলয়েহে দিব পাৰিব বুলি পালমৰা স্বভাৱৰ উত্তৰ দিয়ে। চৰকাৰী কামত ফাঁকি দি অহা এইগৰাকী বন বিষয়াৰ বিৰুদ্ধে বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু বিশ্বনাথ জিলাৰ জিলা আয়ুক্ত কৰবী শইকীয়া কৰণৰ ওচৰত দাবী জনাইছে স্থানীয় ৰাইজৰ লগতে বিভিন্ন দল সংগঠনে।

# বিহালীত গ্ৰন্থাগাৰিক দিৱস পালন

**অসম বাৰ্তা, জিনজিয়া, ১৩ আগষ্ট ঃ** আজি সমগ্ৰ দেশৰ লগতে বিহালী স্নাতক মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰতো ভাৰতৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ পদ্মশ্ৰী ড° এছ. আৰ. ৰঙ্গনাথনৰ জন্ম দিনটো 'গ্ৰন্থাগাৰিক দিৱস' হিচাপে পালন কৰা হয়। অনুষ্ঠানটিত বন্তি প্ৰজ্জ্বলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেন বৰাই। মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত গ্ৰন্থাগাৰিক মৃদুল দত্তই আঁত ধৰা অনুষ্ঠানত শৈক্ষিক বিষয়া ড° বিনোদ সুবেদী, ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° মিতালী দেৱীৰ লগতে অন্যান্য প্ৰবক্তা সকলে সহযোগিতা আগবঢ়ায়। অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰী কস্তুৰি বৰাই ড° এছ.আৰ ৰঙ্গনাথনৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত ভাৰতৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ ড° ৰঙ্গনাথনৰ জীৱন দৰ্শনৰ ওপৰত অধ্যক্ষ ড° ৰমেন বৰা, ভাৰপ্ৰাপ্ত গ্ৰন্থাগাৰিক মৃদুল দত্তই সবিশেষ আলোচনা কৰাৰ লগতে সকলোৱে সশ্ৰদ্ধ স্মৰণ কৰে। গ্ৰন্থাগাৰ সহায়ক পাৰ্থপ্ৰতিম বৰা আৰু মঞ্জু দাসৰ সহযোগিতাত অনুষ্ঠিত হোৱা উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰীও উপস্থিত থাকে।

# তাৰাবাৰী থানাৰ উদ্যোগত দেশপ্ৰেমৰ বাণীৰে তিৰংগা যাত্ৰা বাইক ৰেলী

**অসম বাৰ্তা, চেঙা, ১৩ আগষ্ট ঃ** সমগ্ৰ দেশৰ লগতে বৰপেটা জিলাতো আগন্তুক স্বাধীনতা দিৱসক কেন্দ্ৰ কৰি বিভিন্ন দেশপ্ৰেমমূলক কাৰ্যসূচী অনুষ্ঠিত হৈছে। স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত দেশপ্ৰেম, ৰাষ্ট্ৰীয় ঐক্য আৰু ভাতৃত্ববোধৰ বাৰ্তা জন সাধাৰণৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্যে বৰপেটা জিলাৰ তাৰাবাৰী থানাৰ উদ্যোগত উলিওৱা হয় এক বিশেষ 'তিৰংগা যাত্ৰা' বাইক ৰেলী। জাতীয় পতাকাৰ ত্ৰিৰংগা ৰঙেৰে সজাই তোলা বাইক লৈ ৰেলীত অংশগ্ৰহণ কৰা আৰক্ষী বিষয়া-জোৱান, স্থানীয় ৰাইজ আৰু সচেতন নাগৰিকসকলে শৃংখলাবদ্ধভাৱে যাত্ৰাত অংশগ্ৰহণ কৰে। হাতে হাতে জাতীয় পতাকা লৈ বাইক আৰোহীসকলে বিভিন্ন পথ পৰিক্ৰমা কৰাৰ সময়ত সমগ্ৰ অঞ্চলটো দেশপ্ৰেমৰ শ্লোগান আৰু জাতীয় পতাকাৰ উজ্জ্বল উপস্থিতিৰে মুখৰিত হৈ পৰে। স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত অনুষ্ঠিত এই তিৰংগা যাত্ৰাত তাৰাবাৰী থানাৰ আৰক্ষী বিষয়া আৰু জোৱানসকলৰ লগতে বিভিন্ন শ্ৰেণীৰ লোক তথা সচেতন নাগৰিকেও অংশগ্ৰহণ কৰে। দেশৰ স্বাধীনতাৰ বাবে জীৱন আহুতি দিয়া অগণন বীৰ শ্বহীদক শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে তেওঁলোকৰ ত্যাগ আৰু আত্মবলিদানৰ কথা সোঁৱৰাই দেশৰ প্ৰতি নাগৰিকৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ প্ৰয়াস কৰা হয়। তিৰংগা যাত্ৰা চলি থকা সময়ছোৱাত পথৰ দুয়োকাষে বহু সংখ্যক লোক উপস্থিত হৈ বাইক ৰেলীৰ দৃশ্য উপভোগ কৰাৰ লগতে অংশগ্ৰহণকাৰীসকলক উৎসাহিত কৰে। জাতীয় পতাকা উৰুৱাই দেশপ্ৰেমৰ বিভিন্ন শ্লোগান দি বাইক আৰোহীসকলে যাত্ৰা আগবঢ়াই নিয়াৰ ফলত সমগ্ৰ পথছোৱাত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। আৰক্ষীৰ উদ্যোগত অনুষ্ঠিত এই বিশেষ কাৰ্যসূচীয়ে আৰক্ষী আৰু সাধাৰণ জনসাধাৰণৰ মাজত এক সু-সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। আইন-শৃংখলা ৰক্ষাৰ দায়িত্বৰ সমান্তৰাল ভাৱে আৰক্ষীয়ে সমাজৰ মাজত দেশপ্ৰেম, সামাজিক সম্প্ৰীতি আৰু জাতীয় ঐক্যৰ বাৰ্তা প্ৰচাৰ কৰাৰ এনে পদক্ষেপ গ্ৰহণ কৰাত স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰে। তিৰংগা যাত্ৰাৰ মূল উদ্দেশ্য হৈছে দেশৰ স্বাধীনতাৰ তাৎপৰ্য নতুন প্ৰজন্মৰ মাজত অধিক গভীৰভাৱে উপলব্ধি কৰোৱা আৰু নাগৰিকসকলৰ মাজত ৰাষ্ট্ৰীয় ঐক্য, ভাতৃত্ববোধ তথা দেশপ্ৰেমৰ ভাৱনা অধিক শক্তিশালী কৰা। স্বাধীনতা কেৱল এটা ঐতিহাসিক ঘটনা নহয়; ইয়াৰ আঁৰত আছে অগণন বীৰ শ্বহীদৰ ত্যাগ, সংগ্ৰাম আৰু আত্মবলিদান। সেই ইতিহাস নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰতো এনে কাৰ্যসূচীৰ বিশেষ গুৰুত্ব আছে। স্থানীয় সচেতন মহলে মত প্ৰকাশ কৰে যে, বিশেষকৈ যুৱ প্ৰজন্মক দেশৰ প্ৰতি দায়বদ্ধ কৰি তোলা, জাতীয় পতাকাৰ প্ৰতি সন্মানৰ ভাৱ জগাই তোলা আৰু সমাজত ঐক্য-সম্প্ৰীতিৰ পৰিৱেশ শক্তিশালী কৰাৰ ক্ষেত্ৰত তিৰংগা যাত্ৰাৰ দৰে কাৰ্যসূচীয়ে ইতিবাচক ভূমিকা গ্ৰহণ কৰে। ইয়াৰ উপৰি আৰক্ষী আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ ক্ষেত্ৰতো এনে কাৰ্যসূচী সহায়ক বুলি মত প্ৰকাশ কৰে সচেতন নাগৰিকে। উল্লেখ্য যে স্বাধীনতা দিৱস উপলক্ষে দেশৰ বিভিন্ন প্ৰান্তত তিৰংগা যাত্ৰা, জাতীয় পতাকা উত্তোলনকে ধৰি বিভিন্ন দেশপ্ৰেমমূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। তাৰাবাৰী থানাৰ উদ্যোগত অনুষ্ঠিত এই বাইক ৰেলীয়েও স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত অঞ্চলটোত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰাৰ লগতে 'একতা, সম্প্ৰীতি আৰু দেশপ্ৰেম'ৰ শক্তিশালী বাৰ্তা জনসাধাৰণৰ মাজলৈ কঢ়িয়াই নিয়ে।

## সম্পাদকীয়

# আলোচনা আৰু গুলীৰ মাজত অসম-অৰুণাচল

অসম আৰু চুবুৰীয়া ৰাজ্যসমূহৰ মাজত দীৰ্ঘদিন ধৰি চলি থকা সীমা বিবাদ শান্তিপূৰ্ণভাৱে সমাধান কৰাৰ বাবে চৰকাৰী পৰ্যায়ত নানা প্ৰচেষ্টা চলাই থকা হৈছে। বিশেষকৈ অসম-অৰুণাচল প্ৰদেশ সীমান্তৰ জটিলতা নিশেষৰ বাবে আঞ্চলিক সমিতিৰ বৈঠক, 'নামচাই ঘোষণা' আৰু ধাৰাবাহিক দ্বি-পাক্ষিক আলোচনাৰ জৰিয়তে এক আশাব্যঞ্জক বাতাবৰণৰ সৃষ্টি কৰা হৈছিল। শেহতীয়াকৈ ধেমাজিত অনুষ্ঠিত পঞ্চমলানি গুৰুত্বপূৰ্ণ বৈঠকত মন্ত্ৰী ডাঃ ৰণোজ পেগু, জয়ন্ত মল্ল বৰুৱাৰ উপৰি অৰুণাচলৰ প্ৰতিনিধিবৰ্গৰ উপস্থিতিত সমস্যা সমাধানৰ পথ প্ৰশস্ত হোৱা বুলি দাবী কৰা হৈছিল। একেদৰে গুৱাহাটীৰ অৰুণাচল ভৱনতো যৌথমঞ্চৰ বৈঠকত আন্তঃৰাজ্যিক সম্পৰ্ক সুদৃঢ় কৰাৰ কথা আলোচনা হৈছিল। কিন্তু এই সকলো চৰকাৰী মেজৰ আলোচনা আৰু আশ্বাসক বুঢ়া আঙুলি দেখুৱাই গোগামুখৰ বদতিত যি ভয়াৱহ ঘটনা সংঘটিত হ'ল, সি সমগ্ৰ ৰাজ্যবাসীক স্তম্ভিত আৰু শংকিত কৰি তুলিছে। গোগামুখ ৰাজহ চক্ৰৰ অন্তৰ্গত মিংমাং বদতি সীমান্তত অসমৰ মাটিত অৰুণাচলী দুৰ্বৃত্তই চলোৱা বেদখলক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সংঘাত আৰু পৰৱৰ্তী সময়ত নিৰ্বিচাৰ গুলিচালনাত ৮ জনকৈ অসমীয়া লোক গুৰুতৰভাৱে আহত হোৱা ঘটনা অত্যন্ত উদ্বেগজনক। দুৰ্গেশ্বৰ পাতিৰ, ৰোহিত দলে, নাগৰাজ দলে আদি আঠজন নীৰস্ত্ৰ স্থানীয় অধিবাসী অৰুণাচলীৰ গুলীত আহত হ'ল, যাৰ ভিতৰত কেইবাজনৰো অৱস্থা সংকটজনক হোৱাত ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিবলগীয়া হৈছে। নিজৰ ভেটি-মাটি ৰক্ষা কৰিবলৈ গৈ সীমান্তৰ খিলঞ্জীয়া ৰাইজে এনেদৰে গুলীৰ খাবলগীয়া হোৱা কথাই ৰাজ্যখনৰ সীমান্ত সুৰক্ষাৰ প্ৰকৃত ছবিখন উন্মোচিত কৰিছে। এই লোমহৰ্ষক ঘটনাই সাধাৰণ ৰাইজৰ মনত কেবাটাও গুৰুত্বপূৰ্ণ তথা পোনপটীয়া প্ৰশ্নৰ উদয় কৰাইছে: উপৰ্যুপৰি বৈঠকৰ অস্তিত্ব ক'ত? উচ্চ পৰ্যায়ৰ মন্ত্ৰী-বিধায়কসকলৰ উপস্থিতিত বিলাসী কক্ষত যিবোৰ সীমান্ত বৈঠক আৰু চুক্তি অনুষ্ঠিত হয়, সেইবোৰৰ সুফল সীমান্তৰ একেবাৰে তলৰ খাপৰ মাটিত কিয় প্ৰতিফলিত হোৱা নাই? আনহাতে, চুবুৰীয়া ৰাজ্যৰ দুৰ্বৃত্তই অসমৰ ভূমিত প্ৰৱেশ কৰি অসংকোচে আগ্নেয়াস্ত্ৰ লৈ নিৰ্বিচাৰে গুলিচালনা কৰাৰ সাহসবোৰ ক'ৰ পৰা পায়? অসম সীমান্তত প্ৰশাসন আৰু আৰক্ষীৰ উপস্থিতি কিয় ইমান দুৰ্বল? মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই স্পষ্টভাৱে আৰক্ষীক নিৰ্দেশ দিছে যে কোনো কাৰণতে অসমৰ মাটি এৰি দিয়া নহ'ব। কিন্তু সীমান্তৰ খিলঞ্জীয়া ৰাইজে যেতিয়া নিজ মাটি ৰক্ষা কৰিবলৈ গৈ চৰকাৰী নিৰাপত্তাৰ অভাৱত নিজৰ তেজ বোৱাব লগা হয়, তেতিয়া চৰকাৰৰ এই শূন্য-সহনশীল নীতিৰ অৰ্থ কি থাকিল?

অসম চৰকাৰে সীমান্ত সমস্যা সমাধানৰ বাবে গ্ৰহণ কৰা 'আলোচনাৰ নীতি' নিশ্চয়কৈ প্ৰশংসনীয়। যুদ্ধ বা সংঘাত কোনো স্থায়ী সমাধান হ'ব নোৱাৰে; পাৰস্পৰিক বুজাবুজি আৰু শান্তিপূৰ্ণ সহাৱস্থানহে একমাত্ৰ পথ। কিন্তু আলোচনাৰ প্ৰক্ৰিয়া চলি থকাৰ মাজতে যদি এটা পক্ষই সীমান্তৰ যথাস্থিতি ভংগ কৰি অসমৰ ভূমিত বলপূৰ্বক বেদখল চলায় আৰু বন্দুকৰ গুলীৰে ৰাইজক আতংকিত কৰে, তেন্তে তেনে আলোচনাক চুবুৰীয়া ৰাজ্যই সঁচাকৈয়ে গুৰুত্ব দিছেনে নাই- সেই লৈ সন্দেহৰ অৱকাশ ৰয়। পৰিস্থিতি ক্ৰমান্বয়ে জটিল হৈ পৰাৰ পূৰ্বে অসম আৰু অৰুণাচল প্ৰদেশ- দুয়োখন ৰাজ্যৰ চৰকাৰ, আৰক্ষী আৰু প্ৰশাসনে যৌথভাৱে কঠোৰ আইনী পদক্ষেপ গ্ৰহণ কৰা উচিত। কেৱল আনুষ্ঠানিক বিবৃতিত সীমাবদ্ধ নাথাকি এই হিংসাত্মক কাণ্ডত জড়িত দোষীক দৃষ্টান্তমূলক শাস্তি দিব লাগিব। সীমান্ত অঞ্চলত পৰ্যাপ্ত আৰক্ষী পহৰা আৰু নিৰাপত্তা শিবিৰ স্থাপন কৰাটো জৰুৰী, যাতে স্থানীয় খিলঞ্জীয়া ৰাইজে নিজকে সুৰক্ষিত বুলি ভাবিব পাৰে। সময়মতে ইয়াৰ এক স্থায়ী, সঠিক আৰু ন্যায়সংগত সীমান্ত সমাধান বিচাৰি ন উলিয়ালে, হয়তো পুনৰ এনে ঘটনাৰ পুনৰাবৃত্তি ঘটিব আৰু নিৰপৰাধী লোকে নিজৰ প্ৰাণ হেৰুৱাবলগীয়া হ'ব। সীমান্তত শান্তি আৰু প্ৰজাৰ সুৰক্ষা চৰকাৰৰ প্ৰথম আৰু প্ৰধান দায়িত্ব।

# সাজ-পাৰ আৰু মানুহৰ ব্যক্তিত্ব

সাজ-পাৰ মানুহৰ ব্যক্তিত্ব আৰু সংস্কৃতিৰ দাপোণ। যুগ পৰিৱৰ্তনৰ লগে লগে সাজ-পাৰ পিন্ধাৰ ধৰণ সলনি হোৱাটো স্বাভাৱিক। কিন্তু বৰ্তমান অসমীয়া সমাজত যুৱতী আৰু মহিলা সকলৰ আধুনিক সাজ-পাৰ আৰু পৰম্পৰাগত মূল্যবোধৰ মাজত এক গভীৰ সংঘাত আৰু সামাজিক বিতৰ্কৰ সৃষ্টি হোৱা দেখা গৈছে।

বৰ্তমান সময়ত আধুনিকতাৰ নামত অসমীয়া সমাজত যি সাজ-পাৰৰ প্ৰচলন ঘটিছে, সি বহু ক্ষেত্ৰত ফেশ্বনৰ সীমা চেৰাই স্পষ্ট অশ্লীলতা আৰু নগ্নতালৈ পৰিণত হৈছে। আজিকালি একাংশ যুৱতীয়ে অতি চুটি হাফ পেণ্ট, মিনি স্কাৰ্ট আৰু বুকুৰ আধা অংশ বা ক্লিভেজ সম্পূৰ্ণ উন্মুক্ত হৈ থকা 'স্পৰ্টিং টপ' পিন্ধি ৰাজহুৱা স্থানত ঘূৰি ফুৰে। এনে সাজ-পাৰত কোনো শালীনতা বিচাৰি পোৱা নাযায়, বৰঞ্চ ই কেৱল চকুৰ আকৰ্ষণ কাঢ়িবলৈ কৰা এক সস্তীয়া শৰীৰ প্ৰদৰ্শন হে হৈ পৰিছে। এই কু-সংস্কৃতিৰ প্ৰভাৱ এতিয়া আমাৰ বাপতিসাহোন মেখেলা-চাদৰযোৰৰ ওপৰতো জঘন্যভাৱে পৰিছে। বিয়া-সবাহ, বিহু বা পবিত্ৰ ধৰ্মীয় অনুষ্ঠানসমূহতো বহু যুৱতীয়ে পিঠি সম্পূৰ্ণ খালী থকা, পেট আৰু বুকুৰ অংশ কামোদ্দীপকভাৱে ওলাই থকা চুটি ব্লাউজ পিন্ধি মেখেলা-চাদৰখনো এক বিকৃত শৈলীত মেৰিয়াই লয়। এনেদৰে বুকু, পেট আৰু পিঠি দেখুৱাই, অৰ্ধ-উলংগ হৈ মেখেলা-চাদৰ পিন্ধাৰ কোনো অৰ্থই নাই আৰু ইয়াৰ পৰা কোনো লাভো নাই। মেখেলা-চাদৰ আছিল অসমীয়া নাৰীৰ শালীনতা, পবিত্ৰতা আৰু মৰ্যাদাৰ প্ৰতীক; কিন্তু এনেকৈ অংগ প্ৰদৰ্শন কৰি ইয়াক পিন্ধাটো আমাৰ জাতীয় পোছাকযোৰক চূড়ান্ত অপমান কৰাৰ বাদে আন একো নহয়। ফেশ্বন কৰিবলৈ গৈ নিজৰ সংস্কৃতি আৰু ঐতিহ্যক এনেদৰে বিকৃত কৰাটোৱে অসমীয়া জাতিৰ স্বাভিমান আৰু কৃষ্টিৰ বুকুত আঘাত হানিছে।

যুৱতী তথা মহিলা সকলৰ এনে সাজ-পাৰে সমাজৰ এক বৃহৎ অংশৰ মাজত তীব্ৰ বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সচেতন মহলৰ মতে, এই ধৰণৰ কামুক আৰু উত্তেজক পোছাকে সমাজৰ একাংশ পশুতুল্য বা বিকৃত মানসিকতাৰ পুৰুষক যৌন অপৰাধ আৰু ধৰ্ষণৰ দৰে জঘন্য কৰ্ম কৰিবলৈ পৰোক্ষভাৱে উচটনি দিয়ে। ফলস্বৰূপে বহু যুৱতী ৰাজহুৱা স্থানত মানসিক নিৰ্যাতন, ইভটিজিং, কু-মন্তব্য বা ইজ্জতহানিৰ দৰে অনাকাংক্ষিত পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হৈছে। ফেশ্বনৰ নামত চলি থকা এই অন্ধ অনুকৰণ আৰু অশ্লীলতাই আমাৰ উঠি অহা চামক সম্পূৰ্ণ পথভ্ৰষ্ট কৰিছে আৰু অসমীয়া জাতিক এক চৰম সাংস্কৃতিক অধঃপতনৰ দিশলৈ ঠেলি দিছে। আনহাতে, আধুনিক প্ৰজন্মই ইয়াক 'ব্যক্তি স্বাধীনতা' বুলি গণ্য কৰে। তেওঁলোকৰ মতে, কোনে কি কাপোৰ পিন্ধিব সেয়া সম্পূৰ্ণ ব্যক্তিগত কথা আৰু সমস্যাটো কাপোৰত নহয়, মানুহৰ কুৎসিত মানসিকতাতহে আছে। কিন্তু সমাজত চলিবলৈ হ'লে কেৱল নিজৰ স্বাধীনতা চালেই নহ'ব, সমাজৰ ঐতিহ্য আৰু সামাজিক মৰ্যাদাৰ প্ৰতিও লক্ষ্য ৰখাটো জৰুৰী।

আধুনিক হোৱাটো বেয়া নহয়, কিন্তু আধুনিকতাৰ নামত নিজৰ জাতীয় পৰিচয়, কৃষ্টি আৰু শালীনতাক বলিদান দিয়াটো কোনো সুস্থ সমাজৰ লক্ষণ হ'ব নোৱাৰে। ফেশ্বনৰ নামত অন্ধ অনুকৰণ কৰি নিজৰ সমাজ আৰু ঐতিহ্যক পাহৰি যোৱাটো কেতিয়াও কাম্য নহয়।

*শচীন্দ্ৰ কুমাৰ দাস*
*ঠিকনাঃ পলাশবাৰী*



# চিজেপিৰ আন্দোলন নে চিষ্টেম বিৰোধী সমাবেশ

**ড° আৰ কে বেজবৰুৱা**

*শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তনৰ বাবে এই সময়খিনি বিৰাট সম্ভাৱনাপূৰ্ণ আছিল। ইয়াতেই হয়তো সংবিধানৰ নতুন অধ্যায় লিপিবদ্ধ হ'লহেঁতেন। কিন্তু অতি পুতৌলগা ভাবে সেই স্তৰলৈকে চিন্তা কৰা মানুহৰ অভাৱ পৰিলক্ষিত হ'ল। তাৰ বিপৰীতে এই আন্দোলনে নাবালিকা ছোৱালীকো নেৰিলে। জেন জিৰ নাম লৈ নাবালিকা (প্ৰকৃততে যদি নাবালিকা হয় )ৰ দ্বাৰা অশ্লীল কথা, অশ্লীল ভিডিঅ' সামাজিক মাধ্যমত বিয়পাই দিয়া হ'ল। তাত পিতৃ-মাতৃ, অভিভাৱক, শিক্ষকৰ প্ৰতি সামন্যতম সংবেদনশীলতা ৰক্ষা কৰা নহ'ল। পৰিয়ালৰ নিয়ন্ত্ৰণৰ পৰা এৰুৱাই আনি সৰু সৰু ল'ৰা-ছোৱালীকো শিকোৱা হ'ল বয়োজেষ্ঠ্যক গালি পাৰিবলৈ, দেশৰ আইন আৰু নিয়ম উলংঘা কৰিবলৈ। সকলো মানুহৰে শৰীৰৰ ওপৰত নিজস্ব অধিকাৰ বা 'মৰ্জি' থাকে। এই সৰু সৰু ছাত্ৰ-ছাত্ৰীক সন্মুখত লৈ শৰীৰ সৰ্বস্ব ভাষা, শৰীৰ সৰ্বস্ব আবেদন আৰু প্ৰদৰ্শনে কাক কেনেধৰণে উত্তৰিত কৰিব, বুজি পোৱা কঠিন। কিছুমান বয়স্ক পুৰুষ-মহিলাই দেশ বিৰোধীৰ শ্লোগান দিলে "সংসদ ভৱন উখাৰ ফেকেংগে।" ভাৰতক বাংলাদেশ আৰু নেপাল কৰাৰ ভাবুকি দিলে।*

আজি মানুহৰ মাজত সততা, নিষ্ঠা, লজ্জ্যা, ভয়, মানৱীয় প্ৰমূল্যসমূহ যেন ছাঁই হৈ গৈছে। দুৰাকাংক্ষাৰ প্ৰবল সোঁতত উটি গৈছে মানৱিক অনুভূতিবোৰ। চুৰি, ডকাইতি, জালিয়াতি আমাৰ বাবে যেন সকলো শুদ্ধ, পৰম সত্য। ঈশ্বৰো যেন তেওঁলোকৰ সদা সহচৰ। তাৰ প্ৰমাণ - যাৰ হাততে ভড়ালৰ চাবি সিয়েই চোৰ। যি পাঠশালা চলায়, সি বিদ্যা চুৰি কৰি বিক্ৰী কৰে। যি পঢ়িবলৈ যায় সি টকাৰে নিজৰ ভৱিষ্যত কিনে। এয়াই হৈছে ভাৰতৰ নিয়ম মাফিক ডাঙৰ ডাঙৰ পৰীক্ষাবোৰৰ চৰিত্ৰ। পৰীক্ষাসমূহত প্ৰতি বছৰে এই চুৰি প্ৰক্ৰিয়া চলে, পেপাৰ লীক হয়। পৰীক্ষা বাতিল হয়, ছাত্ৰই পুনৰ পৰীক্ষা দিয়ে, যি চোৰ নকৰে, সি ৰৈ যায়। যিয়ে বিভিন্ন অসৎ উপায় অৱলম্বন কৰে সি চীট লাভ কৰে, চাকৰি পায়।

যোৱা ৩ মে' ২০২৬ৰ হৈ যোৱা নীট (NEET-UG) পৰীক্ষাৰ ফলাফল ১৬ জুলাইত ঘোষণা কৰা হ'ল। পৰীক্ষাৰ ফলাফল ওলোৱাৰ পিছত দেখা গ'ল ৰসায়ন বিজ্ঞান আৰু জীৱ বিজ্ঞান (Chemistry and Biology)ৰ আগতীয়াকৈ ভাইৰেল হোৱা বা বিভিন্ন জনৰ হাতত পৰা অনুমান প্ৰশ্ন বা 'guess paper' তথা OMR answer sheet ৰ লগত প্ৰায়বোৰ প্ৰশ্নৰ হুবহু মিল আছিল। এই সন্দৰ্ভত ৰাজস্থান-শিকৰৰ শশীকান্ত সুথাৰ নামৰ ব্যক্তি এজনে পৰীক্ষা কৰ্তৃপক্ষক সকলো কথা অৱগত কৰে। পৰীক্ষা কৰ্তৃপক্ষই নীট পৰীক্ষাৰ প্ৰশ্নৰ সৈতে 'guess paper' মিলাই চাওঁতে প্ৰায় ১৪০টা প্ৰশ্নৰ মিল দেখা পায় আৰু প্ৰশ্ন কাকত পৰীক্ষাৰ পূৰ্বেই ফাদিল হোৱা বুলি নিশ্চিত হয়। ১২ মে'ত NTA য়ে "in the interest of students" বুলি হৈ যোৱা NEET-UG বাতিলৰ কথা ঘোষণা কৰিলে। আগন্তুক ২১ জুনত পুনৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ কথা NTA য়ে ১৫ মে'ত ঘোষণা কৰিলে। পৰীক্ষা বাতিল হোৱাৰ খবৰে কেইবাগৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীৰ জীৱনলৈ তীব্ৰ অনিশ্চয়তা আৰু নিৰাপত্তা হীনতাৰ ভাব কঢ়িয়াই আনে। ফলত বহু কেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে আত্মহত্যাৰে নিজৰ জীৱন সমাপ্ত কৰে।

১২ মে'ৰ পৰা চিবিআই অনুসন্ধানত নামে আৰু প্ৰশ্ন কাকত লীকৰ সৈতে জড়িত পুনেৰ পি ভি কুলকাৰ্ণী, মনিষা মান্ধাৰে, লাটুৰৰ ৰেণুকাই কেমিষ্ট্ৰি ক্লাছেচ কোচিং ইনষ্টিটিউটৰ স্বত্বাধিকাৰী শিৱৰাজ মোটেগাওঁকাৰ, নাগপুৰৰ বিউটি পাৰ্লাৰৰ স্বত্বাধিকাৰী মনিষা বাঘমাৰে, পুনেৰ এখন স্কুলৰ হেড মাষ্টৰণী মনিষা হাৱালদাৰ আদি কিছু লোকক গ্ৰেপ্তাৰ কৰে।

নীট পৰীক্ষাৰ পেপাৰ লীক ঘটনাত ভাৰতৰ শিক্ষা ব্যৱস্থাৰ সন্মুখত বৰ ডাঙৰ প্ৰশ্ন চিহ্ন এটাৰ আবিৰ্ভাৱ হ'ল। NTA ৰ অধীনৰ নীট পৰীক্ষা উঠাই দি প্ৰত্যেক প্ৰদেশক নিজা ববীয়াকৈ মেডিকেল কলেজসমূহত শিক্ষাৰ্থী বাছনি কৰাৰ অধিকাৰ দিয়াৰ দাবীও উঠিছে। ২০১৩ চনৰ আগলৈকে এই ব্যৱস্থা আছিল। বিভিন্ন প্ৰদেশৰ মেডিকেল কলেজত নাম ভৰ্তিৰ সময়ত বিভিন্ন অনিয়ম সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত সকলো প্ৰদেশৰ মেডিকেল কলেজত সম-মানৰ শিক্ষা আৰু প্ৰায়োগিক দক্ষতা প্ৰদানৰ বাবে ২০১৩ চনৰ পৰা Central Board of Secondary Education ৰ অধীনত এই পৰীক্ষা প্ৰৱৰ্তন কৰা হৈছিল। তাৰ পিছত National Eligibility cum Entrance Test ( NEET) ৰ মাধ্যমত ভাৰতত সকলো চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী ভৰ্তি কৰিবলৈ National Testing Agency (NTA)ক এই পৰীক্ষা পৰিচালনাৰ দায়িত্ব দিয়া হয়। কিন্তু কঠোৰ নিৰীক্ষণ আৰু নিৰাপত্তাৰ মাজত পৰীক্ষা অনুষ্ঠিত হোৱাৰ পিছতো প্ৰতি বছৰে ভাৰতত পৰীক্ষাৰ ফলাফলত দুৰ্নীতি সংঘটিত হৈ আছে। ভাৰতৰ দৰে কাৰিকৰী প্ৰযুক্তিত উন্নত দেশ এখনৰ শিক্ষা মন্ত্ৰণালয়ৰ এই ত্ৰুটি চৰম লজ্জ্যা আৰু গভীৰ উদ্বেগৰ কথা।

এইবাৰৰ পেপাৰ লীকৰ ঘটনাটো কিন্তু প্ৰশাসনৰ অনুসন্ধান, কেইজনমান মানুহ গ্ৰেপ্তাৰ আৰু নতুনকৈ পৰীক্ষাৰ আয়োজন কৰাতেই সীমাবদ্ধ থকা সাধাৰণ ঘটনা হৈ নাথাকিল। এই ঘটনাক মূল সমস্যা (Issue) হিচাবে লৈ পটভূমিত আৱিৰ্ভাৱ ঘটিল 'Cockroach Janta Party'ৰ। মুৰব্বী অভিজিৎ দিপকে বিদেশৰ পৰা আহি এয়া 'ছাত্ৰ আন্দোলন' বুলি দিল্লীৰ জন্তৰ মন্তৰত উপস্থিত হ'ল প্ৰতিবাদ সাব্যস্ত কৰিবলৈ। চৰকাৰে তাত হকা বধা কৰাৰ কথা নাভাবিলে। প্ৰথম অৱস্থাত জন্তৰ মন্তৰত উপস্থিতিৰ সংখ্যা আছিল সেৰেঙা। ককৰোচ পাৰ্টিৰ সন্মুখত কোনো সবল চেহেৰা নাছিল। চৰকাৰে ভাবিছিল - কিছু দিন ধৰ্ণা প্ৰদৰ্শন কৰি তেৰোঁলোক আঁতৰি যাব। সেয়া কোনো চিন্তাৰ বিষয় নহয়! সেয়েহে যন্তৰ মন্তৰত ছাত্ৰৰ নামত আন্দোলন কৰা ককৰোচ জনতা পাৰ্টীৰ প্ৰতিষ্ঠাপক আৰু সমৰ্থকক কোনো ধৰণৰ বাধা প্ৰদান কৰাৰ কথা চৰকাৰে নাভাবিলে। হঠাতে এই পাৰ্টিত ২৮ জুনত এণ্ট্ৰি ঘটিল সোণম ৱাংচুকৰ। সোণম ৱাংচুকে ককৰোচ জনতা পাৰ্টিৰ কাৰ্য্যসূচীত নতুন দিশ, উষ্ণতা আৰু ৰাজনৈতিক দৰ্শনৰ লক্ষ্য দিলে। চৰকাৰে প্ৰৱৰ্তন কৰা এফ চি আৰ এ বা The Foreign Contribution (Regulation) Act ৰ বাবে সোণম ৱাংচুকে বিদেশী ফাণ্ড পোৱাত সমস্যা হৈছে আৰু সেই বাবেই তেওঁ ককৰোচ পাৰ্টিক সমৰ্থন কৰি অনশনত বহা বুলিও কিছুমানে কৈছে। ইতিমধ্যে তেওঁক এন এছ এৰ অধীনত ১৪০ দিন জেলত ৰখাও হৈছিল। এনে পৰিপ্ৰেক্ষিতত সোণম ৱাংচুকৰ আগমনকো চৰকাৰে গুৰুত্বপূৰ্ণ বুলি ভবা নাছিল।

ইতিমধ্যে সোণম ৱাংচুকে ২০ দিনৰ অনশন পাৰ কৰিছিল। প্ৰথম অৱস্থাত মানুহৰ আকৰ্ষণ দেখা নগৈছিল যদিয়ো ক্ৰমে ভাৰতৰ বিৰোধী চক্ৰৰ সদস্য কিছুমান তেওঁৰ আশে-পাশে জমা হ'বলৈ ধৰিছিল। ক্ৰমে ক্ৰমে বিৰোধৰ পৰিসৰ বৃদ্ধি পাবলৈ ধৰিলে। পৰ্যায় ক্ৰমে সোণম ৱাংচুকৰ কাষত দেখা গ'ল অৰবিন্দ কেজৰিৱালক, যিয়ে দেশৰ সমস্যা সমাধানৰ বাবে মুক্ত ভাবে জেন জিক আহ্বান জনাইছিল। দেখা গ'ল দিম্পল যাদৱক, যাৰ পতি অখিলেশ যাদৱ ইন্দি এলায়েঞ্চৰ এজন বিশেষ সহযোগী। আহিল পৱণ খেৰা-কংগ্ৰেছৰ মিডিয়া আৰু প্ৰচাৰ বিভাগৰ চেয়াৰমেন, ৰাজ্যসভাৰ সাংসদ। আগতীয়াকৈ কিছুমান অভিনেতা, গায়িকা, সামাজিক এক্টিভিষ্ট তালৈ আহিছিল। কাশ্মীৰক ভাৰতৰ অংশ নহয় বুলি কোৱা লিখিকা অৰুন্ধতী ৰয়, প্ৰফেচৰ ৰচিদ আনছাৰীৰ পত্নী নন্দিতা নাৰায়ণ, অভিনেতা প্ৰকাশ ৰাজ, কুনাল কামৰা, যোগেন্দ্ৰ যাদৱ, ৰাকেশ টিকেট, স্বৰা ভাৰতী, AISF-SFI নেতা, আতংকবাদী ওমৰ খালিদৰ পিতৃ চৈয়দ কাচিম, জে. এন. ইউ. ত দাফলি বজাই আজাদী বিচৰা সকল আৰু চিকেন নেক কাটি উত্তৰ পূৰ্বাঞ্চলক ভাৰতৰ পৰা বিচ্ছিন্ন কৰিব খোজা চাৰ্জিল ইমামৰ অনুগামীসকল। চাওঁতে চাওঁতে সকলো ধৰণৰ দেশ বিৰোধী, সংস্থা বিৰোধী, ব্যৱস্থা বিৰোধী মানুহ, দল, সংগঠন, ৰাজনীতিক ককৰোচ জনতা পাৰ্টীৰ মঞ্চত সমাবেশিত হৈ কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ সজোৰ দাবী উত্থাপন কৰিবলৈ ধৰিলে।

ইতিমধ্যে ২১ জুনত পুনৰ পৰীক্ষা (Re-NEET) অনুষ্ঠিত হৈ যায় আৰু ১৬ জুলাইত ফলাফলো ঘোষিত হয়। এই ফলাফলেও কিন্তু ছাত্ৰ আন্দোলনৰ তীব্ৰতা হ্ৰাস কৰিব নোৱাৰিলে। বৰঞ্চ তীব্ৰতৰ হৈ গৈ থাকিল। সোণম ৱাংচুকৰ অনশনৰ ২২ দিন পাৰ হ'ল। ৱাংচুকৰ স্বাস্থ্যৰ যত্ন ল'বলৈ ন্যায়ালয়ে চৰকাৰক নিৰ্দেশ দিলে। তেতিয়াহে চৰকাৰৰ হুঁচ আহিল আৰু আন্দোলন বন্ধ কৰিবলৈ নীৰৱে আগবাঢ়িল। সোণম ৱাংচুকক সৈনিক আৰু অৰ্দ্ধ সামৰিক বাহিনীৰ লোকৰ দ্বাৰা কৌশলেৰে হস্পিটেললৈ স্থানান্তৰ কৰা হ'ল আৰু স্বাস্থ্য সম্বন্ধীয় যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ল।

২০ জুলাইৰ পৰা সংসদৰ বৰ্ষা কালীন অধিবেশন আৰম্ভ হৈছিল। আন্দোলন সমাপ্ত হোৱাৰ বিপৰীতে ২০ জুলাইত ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ লক্ষ্য লৈ ককৰোচ জনতা পাৰ্টিয়ে 'চলো সংসদ' কাৰ্য্যসূচী গ্ৰহণ কৰিলে। সংসদ ভৱনৰ আশে পাশে ভয়ানক পৰিস্থিতিৰ উদ্ভৱ হ'ল। ছচিয়েল মেডিয়া অশ্লীল গালি-শপনি, উদ্ভট নৃত্য আদিৰে প্ৰদৰ্শনকাৰীয়ে অশ্লীল বাতাৱৰণ সৃষ্টি কৰাৰ লগতে নিৰাপত্তা ৰক্ষীৰ ওপৰত আক্ৰমণ কৰাৰ ভিডিঅ' আদিৰে ভৰি পৰিল। চৰকাৰৰ ফালৰ পৰা নিৰাপত্তা বাহিনীক সংযম ৰক্ষাৰ নিৰ্দেশ দিয়া হৈছিল যদিয়ো শেষত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কন্দুৱা গেছ, পানী টোপ, লাঠী চাৰ্জ কৰা হৈছিল। তাৰ লগতে পেলেট গান নিক্ষেপৰো অভিযোগ উঠিছে। পৰিস্থিতি সাপেক্ষে কেন্দ্ৰীয় চৰকাৰে ককৰোচ জনতা পাৰ্টীৰ নেতৃত্বৰ সৈতে আলোচনাত মিলিত হ'বলৈ বাধ্য হ'ল। আলোচনা মৰ্মে ককৰোচ জনতা পাৰ্টীৰ সকলো দাবী মানি লৈ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ কৰিলে। এক প্ৰকাৰ আন্দোলন শেষ হ'ল। আনহাতে ২১ জুলাইত অন্য ছবি এখন দেখা গ'ল। এফালৰ পৰা আহিল কৃষকৰ দল ধৰ্ণাৰ বাবে, আনফালে নেতাসকলক লৈ লোক সভাৰ বিৰোধী দলপতিয়ে প্ৰধান মন্ত্ৰীৰ বাসভৱনৰ সন্মুখত বহি গ'ল ধৰ্ণা দিয়াত। সংসদতো কাম-কাজ একো নহ'ল। বিৰোধীৰ হুলস্থুলৰ বাবে বাৰে বাৰে সদন স্থগিত কৰিব লগা হ'ল।

মেধাৱী ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ বাবে আগতে কোনেও কৰিব নোৱাৰা কাম এটা আন্দোলনৰ দ্বাৰা ছাত্ৰসকলে কৰি দেখুৱালে, যাৰ শ্ৰেয় গৈছে ককৰোচ জনতা পাৰ্টীলৈ। এয়া ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত সুৰক্ষাৰ বাবে এক প্ৰত্যয়, নতুন দিগন্ত আৰু 'জেন জি'ৰ বিজয়। 'জেন জি'ৰ প্ৰতিনিধিত্ব কৰা ককৰোচ জনতা পাৰ্টীৰ দাবী আছিল দেশৰ প্ৰচলিত পৰীক্ষা ব্যৱস্থাৰ সংশোধন, প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ, আত্ম হত্যা কৰা পৰীক্ষাৰ্থী পৰিয়ালৰ প্ৰতি আৰ্থিক ক্ষতিপূৰণ, কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ পিছত আন্দোলনকাৰী ছাত্ৰৰ ওপৰৰ পৰা আইনী ব্যৱস্থা উঠাই লোৱা। বিগত ১২ বছৰৰ বিজেপিৰ শাসন কালত দ্বিতীয় বাৰৰ বাবে চৰকাৰে নতি স্বীকাৰ কৰিবলৈ বাধ্য হ'ল। জেন জিৰ দাবীত শক্তিশালী শিক্ষামন্ত্ৰীজনৰ পদত্যাগ সাধাৰণ কথা নহয়। কিন্তু ছাত্ৰ-ছাত্ৰীৰ বাবে এই আন্দোলনে প্ৰকৃত অৰ্থত নতুন বাৰ্তা অনাত কিমান সফল হ'ল তাৰো বিশ্লেষণ হোৱা দৰকাৰ।

ছাত্ৰৰ দাবী মানি লৈ চৰকাৰে পেপাৰ লিক বিৰোধী বিধেয়ক - Public Examinations (Prevention of Unfair Means) Amendment Bill, 2026) সদনত উত্থাপন কৰিলে। ২৯ জুলাইত লোকসভাত আৰু ৩০ জুলাইত ৰাজ্যসভাত বিধেয়কখন গৃহীত হোৱাত ই আইনত পৰিণত হ'ল। মূল আইনখন একেই ৰাখি বিষয় কেইটামানৰ পৰিবৰ্তন কৰা হৈছে-

ক) পেপাৰ লীক কৰা কাৰ্য্যত জড়িত লোকৰ বাবে পূৰ্বৰ ৫ বছৰৰ ঠাইত সৰ্বোচ্চ ১০ বছৰলৈ কাৰাবাসৰ শাস্তিৰ ব্যৱস্থা। সৰ্বোচ্চ ৫০ লাখ টকা জৰিমনাৰ বিধান।

খ) সংঘবদ্ধ অপৰাধত ৭ বছৰৰ পৰা ১০ বছৰ পৰ্য্যন্ত কাৰাবাস। ১০ লাখৰ পৰা সৰ্বোচ্চ ১০ কোটি টকা জৰিমনাৰ ব্যৱস্থা ৰখা হৈছে।

গ) গোচৰসমূহ বিচাৰৰ ক্ষেত্ৰত আগতে কোনো নিৰ্দ্ধাৰিত সময় সীমা নাছিল। সাধাৰণ আদালতত বিচাৰ কৰা হৈছিল। নতুন আইন অনুসৰি পেপাৰ লীক কৰা কাৰ্য্যত লগে লগে এফ আই আৰ দাখিল কৰি ২ মাহৰ ভিতৰত অনুসন্ধান সম্পূৰ্ণ কৰা হ'ব। বিশেষ আদালতৰ জৰিয়তে (first track court) ৩ মাহৰ ভিতৰত বিচাৰ সমাপ্ত কৰি শাস্তি প্ৰদান কৰা হ'ব। এই সকলো কাম ৫ মাহৰ ভিতৰতে সম্পূৰ্ণ কৰিব লাগিব।

কিন্তু সংশোধন কৰিব লগীয়া বহুতো বিষয় আছিল। তাত কোনেও মাত নামাতিলে। সংশোধিত আইনত আৰু কিছু কথা ফ্ৰেমিং কৰাৰ সুযোগ আছিল, কোনেও নল'লে। গুৰুত্বপূৰ্ণ বিষয়বোৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ পৰা দূৰত্বত থাকি গ'ল।

১) পেপাৰ লীকৰ মূল অপৰাধী থাকে প্ৰশ্ন কাকত প্ৰস্তুত কৰা চিষ্টেমৰ সৈতে। তেওঁলোক সৎ আৰু নিকা হ'লে কোনো পধ্যেই প্ৰশ্ন বাহিৰলৈ আহিব নোৱাৰে। চিষ্টেমৰ ভিতৰত সৎ আৰু নিষ্ঠাৱান মানুহ থকাটো বাঞ্ছনীয়। অসৎ মানুহক চিষ্টেম সঁপি দিয়া সকলৰো বিচাৰ কৰা।

২) নীট, জেইই, আই. এ. এছ, ইউ. পি. এচ. চি. আদি সকলো ধৰণৰ পৰীক্ষাৰ বাবে কোচিঙৰ ব্যৱস্থা ৰদ কৰা বা কোচিং ব্যৱস্থাটোকেই অবৈধ বুলি আইনত উল্লেখ কৰিব লাগিছিল। যেতিয়ালৈকে কোচিং চেণ্টাৰ থাকিব, তেতিয়ালৈকে পেপাৰ লীক কৰাই নিজৰ চেণ্টাৰৰ ছাত্ৰ-ছাত্ৰীক বিক্ৰী কৰাৰ ঘটনা সম্পূৰ্ণৰূপে চলি থাকিব।

৩) লীক পেপাৰ কিনোতা বুলি প্ৰমাণিত হোৱা ছাত্ৰ-ছাত্ৰীক যিকোনো শিক্ষা প্ৰতিষ্ঠানত নাম ভৰ্তিৰ যোগ্যতা কৰ্তনৰ বাবে আইন কৰা উচিত আছিল। যাৰ প্ৰৰোচনাত কাৰোবাৰ তীক্ষ্ণ মেধাৱী সন্তানে আজি জীৱন হেৰুৱালে, সেই সকল পেপাৰ লীক কৰা, মাৰ্কেটিং কৰা, ক্ৰয় কৰা লোকৰ জীয়াই থকাৰ অধিকাৰ থাকে জানো? গতিকে সেই সকলক গোটেই জীৱন কাৰাগৃহত ৰখা উচিত।

৪) পেপাৰ লীক কৰাটোক জঘণ্য অপৰাধ হিচাবে ঘোষণা কৰি পেপাৰ লীক কৰা লোকৰ সকলো সম্পত্তি চৰকাৰে বাজেয়াপ্ত কৰাৰ নিয়ম থাকিব লাগিছিল। সেই সকলৰ ঘৰত বুলড'জাৰ চলোৱাৰ ব্যৱস্থা কৰাহেঁতেন পেপাৰ লীক কৰাৰ কথা কোনোৱেই ভাবিব নোৱাৰিলেহেঁতেন।

৫) সকলো পৰ্য্যায়ৰ পৰীক্ষাৰ বাবে দশম আৰু দ্বাদশ শ্ৰেণীত পঢ়োৱা পাঠ্যক্ৰমৰ ভিত্তিত বা উচ্চ স্তৰীয় পৰীক্ষাৰ বাবে বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ ভিতৰৰ প্ৰশ্ন হোৱা উচিত। তেনে কৰাহেঁতেন ভাৰতৰ সকলো দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চ শিক্ষাৰ পথ মুকলি হ'লহেঁতেন। সেই ক্ষেত্ৰত কোচিঙৰ প্ৰয়োজনীয়তাও সমাপ্ত হ'লহেঁতেন।

৬) ইমান ডাঙৰ এটা আন্দোলনৰ দ্বাৰা আন্দোলনকাৰী সকলে, ছাত্ৰৰ পক্ষত থিয় দিয়া বিৰোধী পক্ষৰ নেতাসকলে আৰু ছাত্ৰৰ প্ৰতি ন্যায় প্ৰদান কৰা চৰকাৰখনে নিজে ছাত্ৰ সমাজৰ কি উপকাৰ কৰিলে বুজা নগ'ল। আনকি, ২৩ দিনলৈ ককৰোচ জনতা পাৰ্টীৰ কাষত বহি আমৰণ অনশন আৰম্ভ কৰা সোণম ৱাংচুকৰ ফালৰ পৰাও ছাত্ৰসকলৰ ভৱিষ্যত সহজ, সুৰক্ষিত আৰু সমস্যা বিহীন কৰাৰ পৰামৰ্শ পোৱা নগ'ল।

৭) সঁচা কথা ক'বলৈ গ'লে, প্ৰাইভেট মেডিকেল কলেজসমূহ ছাত্ৰ-ছাত্ৰীৰ বাবে এক আৱৰ্জনা। প্ৰাইভেট মেডিকেল আৰু ইঞ্জিনীয়াৰিং কলেজত পঢ়িবলৈ সুবিধা পায় সেই সকল ছাত্ৰ-ছাত্ৰীয়ে যি সকলে চৰকাৰী কলেজত চীট নাপায়, মাত্ৰ নিম্নতম নম্বৰ পাই পাছ (NEET qualify) কৰে। তেৰোঁলোক হৈছে অৰ্থৱান অভিভাৱকৰ সন্তান। কোটি কোটি টকা ব্যয় কৰি প্ৰাইভেট মেডিকেল কলেজ আৰু ইঞ্জিনীয়াৰিং কলেজত পঢ়ি ডাক্তৰ বা ইঞ্জিনিয়াৰ হৈ সেই সকলে আকৌ দুখীয়া ঘৰৰ কষ্ট কৰি পঢ়া-শুনা কৰা ছাত্ৰ-ছাত্ৰীৰ সন্মুখৰ পৰা আধা কৰ্মসংস্থান কাঢ়ি নিয়ে। শিক্ষা খণ্ডৰ অত্যন্ত স্পৰ্শকাতৰ আৰু ডাঙৰ এটা ইছ্যু হৈছে 'প্ৰাইভেট' ব্যৱস্থা। প্ৰাইভেট' ব্যৱস্থাৰ বিৰুদ্ধে সংসদৰ ভিতৰত বা বাহিৰত কোনো এজন ব্যক্তিয়ে মাত মতা দেখা নগ'ল। তিনি বছৰতে হোৱা শিক্ষা জীৱনৰ আৰম্ভণিৰ পৰা শেষলৈকে প্ৰাইভেট ব্যৱস্থাই আজি ভাৰতৰ সকলো সাধাৰণ জনতাক জৰ্জড়িত কৰি তুলিছে। আনকি শিক্ষা প্ৰণালীটোকো এটা ডাঙৰ ধোন্দত পৰিণত কৰিছে।

৮ ) আটাইতকৈ ডাঙৰ কথাটো হৈছে ৰিজাৰ্ভেচন। চিকিৎসা আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত প্ৰকৃত প্ৰয়োজন মেধাৰ নে সংৰক্ষণ ব্যৱস্থাৰ?

এটা ডাঙৰ আন্দোলনে ভাৰতক জোকাৰি গ'ল, শিক্ষা ব্যৱস্থাক মহতিয়াই পেলালে, কিন্তু ছাত্ৰ- ছাত্ৰীৰ হিত সাধন কৰা সকলো পক্ষই মেধাক আওকান কৰি সংৰক্ষণৰ বিৰুদ্ধে মাত মতা দেখা নগ'ল। ইউ জি ছি উঠাই দিয়াৰ সপক্ষে কোনেও মুখ নেমেলিলে। তাৰ অৰ্থ হৈছে - জাত, সম্প্ৰদায়, সংৰক্ষণ সকলোকে লাগে। কিন্তু মানৱৰ কল্যাণৰ বাবে প্ৰকৃত প্ৰয়োজন জাত, সম্প্ৰদায় নে চিকিৎসা বিজ্ঞানৰ তীক্ষ্ণ মেধাৰ? দেশৰ ইমান ডাঙৰ ডাঙৰ প্ৰৱক্তা সকলে বিষয়টো বুজি নাপালে নে নিজৰ সান্দহ খোৱা বালি তল পৰিব বুলি মৌন হৈ ৰ'ল বুজা নগ'ল।

শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তনৰ বাবে এই সময়খিনি বিৰাট সম্ভাৱনাপূৰ্ণ আছিল। ইয়াতেই হয়তো সংবিধানৰ নতুন অধ্যায় লিপিবদ্ধ হ'ল হেঁতেন। কিন্তু অতি পুতৌলগা ভাবে সেই স্তৰলৈকে চিন্তা কৰা মানুহৰ অভাৱ পৰিলক্ষিত হ'ল। তাৰ বিপৰীতে এই আন্দোলনে নাবালিকা ছোৱালীকো নেৰিলে। জেন জিৰ নাম লৈ নাবালিকা (প্ৰকৃততে যদি নাবালিকা হয় )ৰ দ্বাৰা অশ্লীল কথা, অশ্লীল ভিডিঅ' সামাজিক মাধ্যমত বিয়পাই দিয়া হ'ল। তাত পিতৃ-মাতৃ, অভিভাৱক, শিক্ষকৰ প্ৰতি সামন্যতম সংবেদনশীলতা ৰক্ষা কৰা নহ'ল। পৰিয়ালৰ নিয়ন্ত্ৰণৰ পৰা এৰুৱাই আনি সৰু সৰু ল'ৰা-ছোৱালীকো শিকোৱা হ'ল বয়োজেষ্ঠ্যক গালি পাৰিবলৈ, দেশৰ আইন আৰু নিয়ম উলংঘা কৰিবলৈ। সকলো মানুহৰে শৰীৰৰ ওপৰত নিজস্ব অধিকাৰ বা 'মৰ্জি' থাকে। এই সৰু সৰু ছাত্ৰ ছাত্ৰীক সন্মুখত লৈ শৰীৰ সৰ্বস্ব ভাষা, শৰীৰ সৰ্বস্ব আবেদন আৰু প্ৰদৰ্শনে কাক কেনেধৰণে উত্তৰিত কৰিব, বুজি পোৱা কঠিন। কিছুমান বয়স্ক পুৰুষ-মহিলাই দেশ বিৰোধীৰ শ্লোগান দিলে "সংসদ ভৱন উখাৰ ফেকেংগে।" ভাৰতক বাংলাদেশ আৰু নেপাল কৰাৰ ভাবুকি দিলে। প্ৰধানমন্ত্ৰীৰ নাম ধৰি গালি পৰা, হিন্দু দেৱতাৰ নামৰ সৈতে অশ্লীলতা প্ৰদৰ্শন কৰা, মিডিয়াক গালি পৰা, কাৰোবাৰ অনুগ্ৰহত বিনামূলীয়াকৈ খাদ্য উপভোগ কৰাবোৰ বাদ দিলেও নিজকে 'জেন জি' বোলা আৰু 'জেন জি'ক সমৰ্থন কৰি দেশৰ ভৱিষ্যত সংবৰ্দ্ধিত ৰূপত প্ৰতিষ্ঠা কৰিবলৈ ওলাই অহা লোকসকলক "ছাত্ৰ-ছাত্ৰীৰ বাবে কি লাভ কৰি দিলে?" বুলি প্ৰশ্ন কৰাৰ ঠাই নিশ্চয় আছে। অপৰাধীকো এই আন্দোলনত অংশ গ্ৰহণ কৰাৰ সুবিধা দিয়া হৈছিল বুলি বাতৰিত প্ৰকাশ পাইছে। বিদেশৰ মানুহ প্ৰতিবাদত উপস্থিত থকাৰ ফটো ওলাইছে।

অধ্যয়ন স্পৃহাৰ পৰা আঁতৰাই আনি উচ্ছৃঙ্খল আন্দোলনত ভাগ ল'বলৈ ১৮ বছৰ তলৰ ছাত্ৰ ছাত্ৰীক অনুপ্ৰাণিত কৰা হ'ল। জেন জিৰ হাতত আঘাতপ্ৰাপ্ত হৈ উচ্ছৃঙ্খলতা নিয়ন্ত্ৰণ কৰিবলৈ প্ৰতিৰোধ গঢ়া পুলিচক বৰ্বৰ সজোৱা হ'ল। সংসদ ভৱনলৈ মাৰ্চ কৰা দলটোক যদিহে নিয়ন্ত্ৰণ কৰিব পৰা নগ'লহেঁতেন, তেন্তে পৰিস্থিতি কিমান ভয়ংকৰ হ'ল হেঁতেন, তাত বিৰোধী সদস্য সকলো নিশ্চিত। তাতো প্ৰশ্ন উঠে- বিৰোধী ৰাজনৈতিক নেতাসকলে ভাৰতত অস্থিৰ পৰিবেশ এটা সৃষ্টি হোৱাটো মনে প্ৰাণে কামনা কৰিছিল নেকি?

সোণম ৱাংচুকে ককৰোচ জনতা পাৰ্টীৰ মুৰব্বী কেইজনৰ চিন্তাধাৰাৰ সৈতে সহৱস্থান কৰিব নোৱাৰিয়েই নে চৰকাৰী পক্ষৰ পৰা কোনো উপঢৌকন লাভ কৰি অনশন ভংগ কৰিলে, তাতো সন্দেহ এটা থাকি যায়। Public Examinations (Prevention of Unfair Means) Amendment Bill, 2026খন সংসদত উত্থাপন কৰাৰ সময়ত বিৰোধী সদস্যসকলে কোনো পৰামৰ্শ আগবঢ়াব নোৱাৰিলে, বৰঞ্চ হুলস্থুল কৰি সংসদ কেবাবাৰো স্থগিত কৰালে। এইবোৰ দেখি শুনি, চিন্তাশীল, শান্তি প্ৰিয় দেশবাসীয়ে ক'ব খোজে, এয়া ছাত্ৰৰ হিতৰ আন্দোলন নাছিল বৰঞ্চ এক উচ্ছৃঙ্খল যুৱ শক্তিৰ অবৈধ উন্মাদনা আছিল, যাৰ দ্বাৰা ভাৰতক বাংলাদেশ বা নেপাল কৰাৰ লক্ষ্য বান্ধি লোৱা হৈছিল। তাৰ আঁৰত কোন কোন আছে, কোন বিদেশৰ সহযোগ আছে সেই কথাৰ সম্ভেদ হয়তো সোনকালেই পোৱা যাব। অনুমান সকলোৱে কৰিব পাৰিছে।

# স্বাধীনতা দিৱসৰ উপলক্ষে চামগুৰিৰ ভেলেউগুৰিত ত্ৰিৰংগা যাত্ৰা




**অসম বাৰ্তা, পুৰণিগুদাম, ১৩ আগষ্ট ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত চামগুৰিৰ ভেলেউগুৰিত আজি স্বাধীনতা দিৱসৰ উপলক্ষে ত্ৰিৰংগা যাত্ৰাৰ এক কাৰ্যসূচী অনুষ্ঠিত হয়। ভাৰতীয় জনতা পাৰ্টিৰ কলিয়াবৰ জিলা সমিতিৰ পুৰণিগুদাম মণ্ডল বিজেপিৰ উদ্যোগত অনুষ্ঠিত হোৱা ত্ৰিৰংগা যাত্ৰাত বহু সংখ্যক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে। ভেলেউগুৰি নাট্যচ'ৰাৰ সন্মুখৰ পৰা চামগুৰি তিনিআলিলৈকে বহু সংখ্যা পুৰুষ-মহিলা আৰু বিজেপি কৰ্মীসকলে হাতে- হাতে ত্ৰিৰংগা লৈ পদযাত্ৰা কৰে। আগন্তুক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ নেতৃত্বত বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত বিভিন্ন পঞ্চায়তত অনুষ্ঠিত হোৱা ত্ৰিৰংগা যাত্ৰাত স্থানীয় ৰাইজ মহিলা আৰু বিজেপি সদস্যসকলে অংশগ্ৰহণ কৰে। নৱপ্ৰজন্মক দেশৰ প্ৰতি আকৰ্ষিত কৰিবলৈ আৰু দেশপ্ৰেমৰ প্ৰতি নৱপ্ৰজন্মক একাত্মক কৰিবলৈ বৰ্তমান চৰকাৰে ত্ৰিৰংগা যাত্ৰাৰ এক কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ আহ্বান জনাইছে। চৰকাৰৰ নিৰ্দেশ অনুসৰি ভাৰতীয় জনতা পাৰ্টিৰ কলিয়াবৰ জিলা আৰু পুৰণিগুদাম মণ্ডল বিজেপিৰ উদ্যোগত ভেলেউগুৰিৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথৰ কাষেদি হাতে-হাতে ত্ৰিৰংগা লৈ চামগুৰি তিনিআলিলৈকে পদযাত্ৰা কৰি ভাৰত মাতা কি জয়ধ্বনি দি বৃহৎ শোভাযাত্ৰা উলিয়ায়। এই কাৰ্যসূচীত কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা উপস্থিত থাকি সংবাদ মাধ্যমৰ আগত কয় যে প্ৰতিবছৰে স্বাধীনতা দিৱসৰ প্ৰাক্‌মুহূৰ্তত ত্ৰিৰংগা যাত্ৰা আৰম্ভ কৰা হৈছে। এই ত্ৰিৰংগা যাত্ৰাত দেশৰ ৰাষ্ট্ৰভক্তি জাগ্ৰত কৰিবৰ কাৰণে আৰু নৱপ্ৰজন্ম দেশৰ প্ৰতি দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি আকৰ্ষণ হয়। ভাৰতবৰ্ষৰ অখণ্ডতাৰ প্ৰতি লক্ষ্য ৰাখি আমি যাতে সকলোৰে একেলগে দেশমাতৃক জাগ্ৰত কৰিব পাৰো ৰাষ্ট্ৰ ভক্তিক নতুন প্ৰজন্মক উদগনি যোগাব পাৰো এয়ে আমাৰ লক্ষ্য আৰু উদ্দেশ্য। আজি অনুষ্ঠিত হোৱা ত্ৰিৰংগা যাত্ৰাত কলিয়াবৰ জিলাৰ ভাৰতীয় জনতা পাৰ্টীৰ বিষয়ববীয়া সকলৰ লগতে পুৰণিগুদাম মণ্ডলৰ সভাপতি নিতু মুদৈ, কলিয়াবৰ যুৱ মৰ্চাৰ সভাপতি লক্ষ্মীৰঞ্জন কাকতি, কলিয়াবৰ মহিলা মৰ্চাৰ সভানেত্ৰী ৰীতা কাকতি বৰা, নিজ ভেলেউগুৰি গাঁও পঞ্চায়তৰ সভাপতি বীৰেন শইকীয়াৰ লগতে পুৰণিগুদাম মণ্ডলৰ বিষয়ববীয়াসকলৰ লগতে নিজ ভেলেউগুৰি গাঁও পঞ্চায়তৰ সদস্যসকল আৰু বিজেপিকৰ্মী আৰু স্থানীয় ৰাইজ মহিলাসকল উপস্থিত থাকে।

# বৰক্ষেত্ৰীৰ মুগদিত ঘৰে-ঘৰে ত্ৰিৰংগা পতাকা শীৰ্ষক সমদল

### ভাৰতৰ প্ৰতিগৰাকী নাগৰিকে ত্ৰিৰংগাক স্বাভিমানৰ প্ৰতীক হিচাপে গ্ৰহণ কৰক ঃ নাৰায়ণ ডেকা

**অসম বাৰ্তা, দৌলাশাল, ১৩ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ মুগদিত আজি বিয়লি অনুষ্ঠিত হয় ঘৰে ঘৰে ত্ৰিৰংগা শীৰ্ষক এক সমদল। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ আহ্বান আৰু নিৰ্দেশত দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষ্যত পশ্চিম বৰক্ষেত্ৰী-ধৰ্মপুৰ মণ্ডল বিজেপিৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত ঘৰে ঘৰে ত্ৰিৰংগা শীৰ্ষক সমদল মুগদি খেলপথাৰৰ পৰা উলিওৱা হয়। "মনে প্ৰাণে ত্ৰিৰংগা, ঘৰে ঘৰে ত্ৰিৰংগা" শীৰ্ষক শ্লোগানেৰে উলিওৱা এই সমদল আনুষ্ঠানিকভাবে উদ্বোধন কৰে বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাই। উদ্বোধনী অনুষ্ঠানটো আঁত ধৰে ঘৰে ঘৰে ত্ৰিৰংগা শীৰ্ষক সমদলৰ আহ্বায়ক বুদ্ধদেৱ দাসে। বিধায়ক নাৰায়ণ ডেকাই ঘৰে ঘৰে ত্ৰিৰংগা শীৰ্ষক সমদল উদ্বোধন কৰি স্বাধীনতা যুঁজাৰুসকলক স্মৰণ কৰি তেওঁলোকৰ ত্যাগৰ কথা উল্লেখ কৰে। মহান স্বাধীনতা যুঁজাৰুসকলৰ ত্যাগৰ বাবে আমি ইংৰাজসকলক পৰাস্ত কৰি ৭৯ বছৰ পূৰ্বে স্বাধীনতা লাভ কৰিছোঁ বুলিও মন্তব্য কৰে বিধায়ক নাৰায়ণ ডেকাই। বিধায়ক ডেকাই পুনৰ কয় যে- নৱপ্ৰজন্মৰ মাজত, নবীন-প্ৰবীন সকলোৰে মাজত জাতিৰ প্ৰতি প্ৰেম-আনুগত্য, জাতিৰ প্ৰতি ভালপোৱা বৃদ্ধি কৰিবলৈ, ভাৰতৰ জাতীয় পতাকা যাতে দেশৰ প্ৰতিগৰাকী নাগৰিকৰ হৃদয়ত স্থান পায়, জাতীয় পতাকাৰ যাতে দেশৰ সকলো নাগৰিকক এক কৰিব পাৰোঁ তাৰ প্ৰচেষ্টাৰে আমি ঘৰে ঘৰে ত্ৰিৰংগা শীৰ্ষক সমদল উলিয়াইছোঁ। আমাৰ উদ্দেশ্য হৈছে- এই ত্ৰিৰংগাই ভাৰতৰ মান-অতিমান উচ্চ পৰ্যায়লৈ লৈ যাওক আৰু ভাৰতৰ স্বভিমান অটুট ৰাখক। সকলো ভাৰতৰ নাগৰিকে ত্ৰিৰংগাক স্বাভিমানৰ প্ৰতীক হিচাপে গ্ৰহণ কৰক তাকেই কামনা কৰি এই ত্ৰিৰংগা যাত্ৰা আৰম্ভ কৰিছোঁ। এই সমদলত নলবাৰী জিলা পৰিষদৰ অধ্যক্ষা গীতুমণি বৈশ্য, বিজেপিৰ নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক মৃগেন শৰ্মা, পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডল বিজেপিৰ সভাপতি ৰাজু ডেকা, পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডল বিজেপিৰ সম্পাদক যুগল গোস্বামী, দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ সভাপতি নিশামণি মেধি, দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য কামেশ্বৰ নাথ, লাৰকু ছি- কাপলাবড়ি গাঁও পঞ্চায়তৰ সভাপতি নাছিৰ উদ্দিন আহমেদ, মুগদি গাঁও পঞ্চায়তৰ সভাপতি জাকিৰ হুছেইন, মুগদি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য নৃপেন বৰ্মনকে ধৰি সৰ্বস্তৰৰ ৰাইজে অংশগ্ৰহণ কৰে।

# ধেমাজিত আছুৰে কপালে আয়ুক্ত কাৰ্যালয়

**অসম বাৰ্তা, ধেমাজি, ১৩ আগষ্ট ঃ** অসম-অৰুণাচলৰ মাজৰ সীমা সমস্যা অতি শীঘ্ৰেই স্থায়ী সমাধানৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ লগতে বহুকেইটা দাবীৰে প্ৰতিবাদ সাব্যস্ত কৰে ধেমাজি আছুৱে। জিলাখনৰ বিভিন্ন প্ৰান্তত অৰুণাচলীয়ে আগ্ৰাসন কৰি থকা ঠাই সমূহ মুকলি কৰাৰ ব্যৱস্থা কৰাকে ধৰি ধেমাজি জিলাৰ মিংমাং বদতি অঞ্চলৰ ১১ জনকৈ অসমীয়া লোকক গুলীবৃদ্ধ কৰা প্ৰতিজন অৰুণাচলী লোকক গ্ৰেপ্তাৰ কৰি উচিত শাস্তিৰ ব্যৱস্থা কৰা। সীমান্ত অঞ্চলৰ গাঁও সমূহৰ ৰাস্তা-ঘাট, বিজুলী সংযোগবিশুদ্ধ খোৱা পানী, ঘৰ নিৰ্মাণৰ ব্যৱস্থা আৰু সীমান্ত অঞ্চলৰ গাঁওবাসীৰ সুৰক্ষাৰ বাবে পৰ্য্যাপ্ত পৰিমাণৰ নিৰাপত্তা বাহিনী নিয়োগ কৰা দাবীৰে আজি আছুৰ ৫ শতাধিক কৰ্মীয়ে বুধবাৰে বিয়লি প্ৰায় ১ মান বজাত হাতে-হাতে বেনাৰ, পোষ্টাৰ, প্লে'কাৰ্ড লৈ চৰকাৰ বিৰোধী শ্লোগানেৰে আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্য্যালয় সমীপৰ পৰা ১৫ নং ৰাষ্ট্ৰীয় ঘাই পথেৰে প্ৰতিবাদ কৰি আহি জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সমুখত প্ৰতিবাদকাৰী সকলে তীখৰ ৰ'দতো নেউচি আধা ঘণ্টাতকৈ অধিক সময় ধৰি প্ৰতিবাদ সাব্যস্ত কৰে। বহু সময় ধৰি প্ৰতিবাদৰ পিছতো জিলা প্ৰশাসনৰ কোনো এজনো বিষয়া কৰ্মচাৰীয়ে প্ৰতিবাদস্থলীলৈ অহা নাছিল। অৱশ্যে পিছত বহু পলমকৈ প্ৰতিবাদ স্থলীলৈ এগৰাকী সহকাৰী আয়ুক্তক পঠাইছিল যদিও প্ৰতিবাদকাৰী সকলে উত্তেজিত হৈ আৰক্ষীৰ বাধাকো প্ৰত্যাহ্বান জনাই জিলা আয়ুক্ত কাৰ্য্যালয়ৰ মূল প্ৰবেশদ্বাৰ বেহু ভাঙি কাৰ্য্যালয়ৰ ভিতৰত প্ৰৱেশ কৰে। তীব্ৰ প্ৰতিবাদৰ অন্তত জিলা অতিৰিক্ত আয়ুক্ত, সহকাৰী আয়ুক্তকে ধৰি জিলা প্ৰশাসনৰ কেইবাজনো বিষয়া কৰ্মচাৰীয়ে উপস্থিত হয় প্ৰতিবাদস্থলীত। ইফালে জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰী সকলৰ সমুখতে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক দীপক শৰ্মা, জিলা সভাপতি সঞ্জীৱ দাস আৰু সাধাৰণ সম্পাদক জয়ন্ত বৰগোহাঁইয়ে অসম-অৰুণাচলৰ সীমা সমস্যাকে ধৰি গোগামুখৰ মিংমাং বদিতত ১১ জনকৈ অসমীয়াক অৰুণাচলীয়ে গুলীবিদ্ধ কৰা ঘটনাক চৰকাৰ আৰু ধেমাজি জিলা প্ৰশাসন আৰু প্ৰশাসনৰ দুৰ্বলতাৰ ফলতেই এনে ঘটনা হ'বলৈ পালে বুলি ক্ষোভ উজৰাৰ লগতে জিলা ছাত্ৰ সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকে স্বাক্ষৰিত এখনি স্মাৰকপত্ৰ জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে।

# অবৈধ ফাৰ্মাচীৰ বিৰুদ্ধে বৰপেটা জিলাত অব্যাহত অভিযান, বৰপেটা ৰোডত ছীল ফাৰ্মাচী

**অসম বাৰ্তা, বৰপেটা ৰোড, ১৩ আগষ্ট ঃ** ৰাজ্যত অবৈধভাৱে গঢ়লৈ উঠা অবৈধ ফাৰ্মাচী আৰু এই ফাৰ্মাচী সমূহত চলা অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে সক্ৰিয় হৈ পৰিছে ৰাজ্যৰ ঔষধ পৰিদৰ্শকৰ দল। ৰাজ্যৰ স্বাস্থ্য বিভাগে কেই বাখনো জিলাৰ ঔষধ পৰিদৰ্শকক লৈ গঠন কৰা এটা দলে বৰপেটা জিলাত তীব্ৰ অভিযান আৰম্ভ কৰিছে। বিশেষকৈ বৰপেটা জিলাৰ ঔষধ পৰিদৰ্শক ড° চন্দ্ৰজিৎ দহোটিয়াৰ নেতৃত্বতে গোলাঘাট, গোৱালপাৰা, ধুবুৰী, ডিফু, তিনিচুকীয়া, নগাঁও, ডিব্ৰুগড় আদিকে ধৰি কেইবাখনো জিলাৰ ঔষধ পৰিদৰ্শকৰ এটা বৃহৎ দলে এই অভিযানত অংশ লয়। এই অভিযানৰ অংশ হিচাপে কালি মন্দিয়া আৰু সত্ৰকণৰাৰ কেইবাখনো অবৈধ ফাৰ্মাচী ছীল কৰি দিয়াৰ পিছতে আজি বৰপেটা ৰোডতো অনুৰূপ অভিযান আৰম্ভ হয়। এই অভিযান কালতে বৰপেটা ৰোডৰ এখন এলোপেথিক ফাৰ্মাচী ছীল কৰাৰ লগতে আন এখন পাইকাৰী হোমিওপেথিক ঔষধৰ গুডাম ছীল কৰা পৰিলক্ষিত হয়। জানিব পৰা মতে অভিযানকাৰী দলটোৱে আজি বৰপেটা ৰোডৰ কালীবাড়ি ৰোডত থকা সঞ্জীৱনী ড্ৰাগছ এণ্ড চাৰ্জিকেল নামৰ ফাৰ্মাচী এখনত অভিযান চলাই বৰনগৰ ৰাজহ চক্ৰ বিষয়া স্নেহা ভৰালীৰ উপস্থিতিত ঔষধ পৰিদৰ্শকৰ দলটোৱে এই ফাৰ্মাচীখনত অভিযান চলাই বৈধ নথিপত্ৰ বিচাৰে কিন্তু ফাৰ্মাচীখনৰ কোনো অনুজ্ঞাপত্ৰ নাছিল তদুপৰি দীৰ্ঘদিনৰ পৰা উক্ত ফাৰ্মাচীখনত খুচুৰা আৰু পাইকাৰী ঔষধ অবাধে বিক্ৰী কৰি আহিছিল আনকি নিৰ্দিষ্ট কোনো ফাৰ্মাচীষ্ট তথা আন নথিপত্ৰ নোহোৱাকৈ বৰপেটা ৰোডৰ মাজমজিয়াৰ পৰাই এই বেহা চলাই আহিছিল। বৰপেটা জিলাৰ ঔষধ পৰিদৰ্শক ড° চন্দ্ৰজিৎ দহোটিয়াই জানিব দিয়া অনুসৰি বৰপেটা জিলাত তেওঁলোকৰ এই অভিযান অব্যাহত থাকিব, বিশেষকৈ বৰপেটা জিলাত যি সমূহ ফাৰ্মাচীৰ বৈধ অনুজ্ঞাপত্ৰ নাই তথা ফাৰ্মাচীষ্ট অবিহনে যিসমূহ ফাৰ্মাচী চলি আছে সেই ফাৰ্মাচী সমূহৰ নথিপত্ৰ সংগ্ৰহ কৰি উৰ্ধতম কৰ্তৃপক্ষক অৱগত কৰিব আৰু প্ৰয়োজন সাপেক্ষে এনে ফাৰ্মাচী সমূহ ছীল কৰি যাবগৈ। তেখেতে ৰোগী সকলকো ঔষধ ক্ৰয় কৰাৰ সময়ত ফাৰ্মাচীৰ অনুজ্ঞাপত্ৰ চাইহে ঔষধ ক্ৰয়ৰ আহ্বান জনাইছে। একেদৰে আৰপি লাইচেঞ্চ থকা ফাৰ্মাচী সমূহে কেৱল চিকিৎসকে প্ৰেকচিছন নকৰা তথা ওটিচি ঔষধ সমূহ বিক্ৰী কৰিব পাৰিব। আনহাতে অভিযানকাৰী দলটোৱে এখন হোমিওপেথিক গুডামত অভিযান চলোৱাৰ সময়ত স্বত্বাধিকাৰীয়ে সেই সময়ত গুডামৰ লাইচেঞ্চ দেখুৱাবলৈ অসমৰ্থ হয়।

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মজয়ন্তী সন্দৰ্ভত সাধাৰণ সভা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৩ আগষ্ট ঃ** ডিব্ৰুগড়ৰ পেঞ্চনাৰ সন্থা ভৱনত ডিব্ৰুগড়ৰ অগ্ৰণি সাংস্কৃতিক অনুষ্ঠান অন্তৰঙ্গ গোটৰ উদ্যোগত এখনি সাধাৰণ সভা অনুষ্ঠিত হয়। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হোৱা সভাখনত অন্তৰঙ্গ গোটৰ জ্যেষ্ঠ পৰিচালক ৰিতামণি গগৈৰ সভাপতিত্বত গৰিষ্ঠ সংখ্যক সাংস্কৃতিক কৰ্মী উপস্থিত থকা সভাত বহুকেইটা সংগঠনৰ বিষয়ববীয়া উপস্থিতি থকাৰ লগতে বিশেষকৈ এম ডি ফাউণ্ডেচনৰ তিনিগৰাকী গুৰুত্বপূৰ্ণ বিষয়ববীয়া, বিশিষ্ট সাংবাদিক চন্দন ফুকন, লুইতপৰীয়া লোক সাংস্কৃতিক কলাকেন্দ্ৰৰ অধ্যক্ষ বিপিন বড়া, বিশিষ্ট সংস্কৃতিৱান যুৱক ৰাহুল দাস, সন্মিলিত অসমীয়া যুৱ শক্তি অসমৰ সাংগঠনিক সম্পাদক মৃদুল দত্ত, টাই আহোম যুৱ পৰিষদ অসম, ডিব্ৰুগড় জিলা সমিতিৰ বিষয়ববীয়া, ডিব্ৰুগড় পেঞ্চনাৰ সন্থা ভৱনৰ সভাপতি দিলীপ কুমাৰ দাস, সম্পাদক মৃদুল শৰ্মা, বিশিষ্ট কণ্ঠশিল্পী ৰতন গগৈ, ইন্দিৰা ৰাজখোৱা, মহাবাহু সংগীত একাডেমীৰ অধ্যক্ষা দিপিকা গগৈ আদি উপস্থিত থাকে। অন্তৰঙ্গ গোটৰ মুখ্য পৰিচালক বিবিজান দত্তই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ জন্ম জয়ন্তী আয়োজনৰ বিষয়ত আলোচনা কৰা হয়। সভাত চৌকিডিঙী খেলপথাৰত অনুষ্ঠিত কৰা বিষয়টি আনুষ্ঠানিকভাবে ঘোষণা কৰা হয়। অনুষ্ঠানৰ বাজেট নিৰ্ধাৰণ কৰা লগতে কাৰ্যসূচী হিচাপে, নামঘৰ স্থাপন, নামপ্ৰসংগ, ভাগৱত পাঠ, দুহেজাৰ নামতীয়ে দিহানাম পৰিৱেশন আৰু ৰাতিলৈ ভাওনা প্ৰদৰ্শনকে ধৰি কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰা হয়। উপস্থিত ৰাইজৰ সৰ্বসন্মতি ক্ৰমে অক্টোবৰ মাহৰ ২২ তাৰিখে এদিনীয়া কাৰ্যসূচীৰে গুৰুজনাৰ জন্মজয়ন্তী আয়োজন হ'ব বুলি আজিৰ সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

# ভলীবলৰ ৰাষ্ট্ৰীয় ৰেফৰী নৱদীপ খাখলাৰীৰ বিয়োগত গোৱালপাৰাত শোকৰ ছাঁ

### আদ্যশ্ৰাদ্ধত উপস্থিতিৰ আহ্বান পৰিয়ালৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১২ আগষ্ট ঃ** ভলীবল খেলৰ বিশিষ্ট ৰাষ্ট্ৰীয় ৰেফৰী তথা খেলুৱৈসকলৰ পথপ্ৰদৰ্শক নৱদীপ খাখলাৰীৰ অকাল বিয়োগত সমগ্ৰ গোৱালপাৰা জিলাৰ ক্ৰীড়া মহল শোকস্তব্ধ হৈ পৰিছে। যোৱা ৪ আগষ্ট, ২০২৬ (মঙলবাৰে) তেওঁ পৰলোকগমন কৰে। তেওঁৰ মৃত্যু ৰাভা হাছং ক্ৰীড়া সংস্থাৰ লগতে স্থানীয় ক্ৰীড়া জগতৰ বাবে এক অপূৰণীয় ক্ষতি বুলি অভিহিত কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, স্বৰ্গীয় নৱদীপ খাখলাৰীৰ জন্ম হৈছিল ১৯৭৭ চনৰ ১ জানুৱাৰীত। ক্ৰীড়াৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা নিৰালস্য সেৱা, বলিষ্ঠ নেতৃত্ব আৰু ইয়াৰ জৰিয়তে উদীয়মান ভলীবল খেলুৱৈসকলক অনুপ্ৰাণিত কৰাৰ বাবে তেওঁ সকলোৰে মাজত সমাদৃত আছিল। ১৪ আগষ্ট, ২০২৬ (শুক্ৰবাৰে) গোৱালপাৰাৰ জনাইমাৰী গাঁৱত থকা নিজ বাসগৃহত স্বৰ্গীয় খাখলাৰীৰ আদ্যশ্ৰাদ্ধ অনুষ্ঠিত হ'ব। এই উপলক্ষে শোকসন্তপ্ত পৰিয়ালবৰ্গই তেওঁৰ বিদেহী আত্মাৰ সদগতি আৰু চিৰশান্তি কামনা কৰি সকলো শুভাকাংক্ষী তথা ক্ৰীড়ানুৰাগীক আদ্যশ্ৰাদ্ধৰ কাৰ্যসূচীত উপস্থিত থাকি পৰিয়ালবৰ্গক সান্ত্বনা প্ৰদান কৰিবলৈ বিনম্ৰ অনুৰোধ জনাইছে।

# হাউলীত ৰাইজে সন্দেহযুক্ত চাইবাৰ অপৰাধীক আটক কৰি আৰক্ষীক গতাই দিলে

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১৩ আগষ্ট ঃ** বৰপেটা জিলাৰ হাউলী চহৰত চাইবাৰ অপৰাধৰ অভিযোগক কেন্দ্ৰ কৰি আজি এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হয়। জানিব পৰা মতে, ৰাইজে চাইবাৰ অপৰাধৰ সৈতে জড়িত থকাৰ সন্দেহত এগৰাকী যুৱকক আটক কৰি হাউলী আৰক্ষীক গতাই দিয়ে। ৰাইজে আটক কৰা যুৱকজন হাউলীৰ শুকুৰ খান বুলি জানিব পৰা গৈছে। অভিযোগ অনুসৰি, বাহাৰ আলী নামৰ এগৰাকী ক্ষুদ্ৰ ব্যৱসায়ীৰ বেংক একাউণ্ট ব্যৱহাৰ কৰি চাইবাৰ অপৰাধ সংঘটিত কৰা হৈছিল। এই ঘটনাক কেন্দ্ৰ কৰি স্থানীয় ৰাইজৰ মাজত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হয়। অৱশ্যে, যুৱকজন প্ৰকৃততে চাইবাৰ অপৰাধৰ সৈতে জড়িত নে নাই, সেয়া আৰক্ষীৰ তদন্তৰ পিছতহে স্পষ্ট হ'ব। আৰক্ষীয়ে ইতিমধ্যে ঘটনাটোৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰাৰ লগতে একাউণ্টটো কেনেদৰে ব্যৱহাৰ কৰা হৈছিল আৰু ধনৰ লেনদেনৰ আঁৰত কোনো বৃহৎ চাইবাৰ অপৰাধী চক্ৰ জড়িত আছে নেকি, সেই বিষয়েও অনুসন্ধান চলাব বুলি জানিব পৰা গৈছে। ঘটনাটোৰ সৈতে জড়িত বেংক লেনদেন, মোবাইল ফোন আৰু অন্যান্য ডিজিটেল তথ্য আৰক্ষীৰ তদন্তত গুৰুত্বপূৰ্ণ প্ৰমাণ হিচাপে পৰিগণিত হ'ব পাৰে। তদন্তৰ জৰিয়তে সমগ্ৰ ঘটনাটোৰ প্ৰকৃত ৰহস্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে। ইফালে, চাইবাৰ অপৰাধৰ ঘটনা ক্ৰমাৎ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত সাধাৰণ ৰাইজক নিজৰ বেংক একাউণ্ট, ATM PIN, OTP, মোবাইল আৰু অন্যান্য ব্যক্তিগত তথ্য কোনো অচিনাকি ব্যক্তিক ব্যৱহাৰৰ বাবে নিদিবলৈ আৰক্ষীয়ে সতৰ্ক কৰি দিয়াৰ প্ৰয়োজনীয়তা দেখা দিছে।

# সমাজকৰ্মী ডিম্বেশ্বৰ বৰাৰ মৃত্যু

**অসম বাৰ্তা, নিমাতীঘাট, ১৩ আগষ্ট ঃ** উত্তৰ যোৰহাট বাহনাৰ নিৱাসী, এগৰাকী অত্যন্ত সাহসী ব্যক্তি, এগৰাকী নিষ্ঠাবান সমাজকৰ্মী, বাহনা মহাবিদ্যালয়ৰ প্ৰথম গৰাকী ছাত্ৰ একতা সভাৰ সম্পাদক, যোৰহাট মহকুমা পৰিষদৰ প্ৰাক্তন মুখ্য প্ৰশাসক, উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ৰ প্ৰশাসনিক উপদেষ্টা, সেৱাৰ উপদেষ্টা, উত্তৰ চাৰিগাঁও পঞ্চায়ত সমবায় সমিতি তথা বিভিন্ন অনুষ্ঠান -প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোত ভাৱে জড়িত শ্ৰীযুত ডিম্বেশ্বৰ বৰাৰ আজি দুপৰীয়া ১২ বজাত ডিব্ৰুগড়ৰ এখনি ব্যক্তিগত চিকিৎসালয়ত পৰলোক গামী হয়। জানিব পৰা মতে যোৱা সপ্তাহত উচ্চৰক্তচাপ জনিত ৰোগত আক্ৰান্ত ব্যক্তিগৰাকীক ততাতৈয়াকৈ ডিব্ৰুগড়ৰ চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল যদিও আজি দুপৰীয়া ১২-০০বজাত চিকিৎসকে মৃত ঘোষনা কৰে। বৰাৰ নশ্বৰ দেহ ঘৰ আহি পোৱাৰ লগে লগে বহু শতাধিক গুণমুগ্ধ লোকে তেখেতৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ক্লাষ্টাৰে শিৱসাগৰত দ্বিতীয় বান সাহায্য আৰু ক্ষেত্ৰভিত্তিক প্ৰচাৰ কাৰ্যসূচী অব্যাহত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৩ আগষ্ট ঃ** বানপীড়িত ৰাইজৰ প্ৰতি অব্যাহত মানৱীয় সেৱাৰ অংশ হিচাপে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ক্লাষ্টাৰে শিৱসাগৰ জিলাৰ নেপালীখুটিত দ্বিতীয়টো বান সাহায্য কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত ক্লাষ্টাৰ মুৰব্বী কে কে ৰেংমা আৰু আকাশবাণী ডিব্ৰুগড়ৰ হেড অৱ প্ৰগ্ৰাম ইন্দিৰা মৰাঙ উপস্থিত থাকে। শেহতীয়া বানত ক্ষতিগ্ৰস্ত লোকসকলক সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে তেওঁলোকৰ দুখ-দুৰ্দশাৰ সময়ত একাত্মতা প্ৰকাশ কৰাই এই সাহায্য কাৰ্যসূচীৰ মূল উদ্দেশ্য। সংকট আৰু দুৰ্যোগৰ সময়ত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ক্লাষ্টাৰে ৰাইজৰ কাষত থকাৰ প্ৰতিশ্ৰুতি পুনৰ দোহাৰে। সাহায্য সামগ্ৰী বিতৰণৰ সমান্তৰালভাৱে আকাশবাণী ডিব্ৰুগড়ে বানৰ ফলত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত নেপালীখুটি আৰু নাজিৰা মহকুমাৰ অন্তৰ্গত তথা ইয়াৰ আশে-পাশে থকা বিভিন্ন অঞ্চলত অফ-ব্ৰডকাষ্ট ৰেকৰ্ডিং সম্পন্ন কৰে। এই ক্ষেত্ৰভিত্তিক ৰেকৰ্ডিঙৰ জৰিয়তে বানপীড়িত লোকসকলৰ বাস্তৱ অভিজ্ঞতা, সমস্যাৰ লগতে তেওঁলোকৰ কণ্ঠস্বৰ সংগ্ৰহ কৰি ৰেডিঅ'ৰ মাধ্যমেৰে বৃহত্তৰ শ্ৰোতা সমাজৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াস কৰা হয়। আকাশবাণী ডিব্ৰুগড়ৰ হেড অৱ প্ৰগ্ৰাম ইন্দিৰা মৰাঙৰ নেতৃত্বত অনুষ্ঠিত এই ৰেকৰ্ডিং কাৰ্যসূচীত ট্ৰেন্সমিছন এক্সিকিউটিভ জিণ্টু চেতিয়া আৰু সন্তোষ ঠাকুৰে অংশগ্ৰহণ কৰে। এনে ক্ষেত্ৰভিত্তিক কাৰ্যসূচীৰ জৰিয়তে আকাশবাণী ডিব্ৰুগড়ে ৰাইজৰ সৈতে নিজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ লগতে তেওঁলোকৰ অভিজ্ঞতা, সমস্যা আৰু দাবীসমূহৰ কণ্ঠস্বৰ বৃহত্তৰ সমাজৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াস অব্যাহত ৰাখিছে।

# ফেৰেঙ্গু' এডুকেশ্যনেল ইনষ্টিটিউচনৰ শিক্ষাৰ্থীৰ দ্বাৰা বানপিড়ীত নাজিৰাত সাহায্য সামগ্ৰী বিতৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৪ আগষ্ট ঃ** ৰাজ্যৰ শেহতীয়া বানপানীত অতি বেছিকৈ ক্ষতিগ্ৰস্ত হোৱা শিৱসাগৰ জিলাৰ নাজিৰা সমজিলাৰ অন্তৰ্গত বামুণবাৰী চাহ বাগিচাৰ লগতে টেঙাহোলা আৰু গোঁহাইবাৰী অঞ্চলৰ বানাক্ৰান্ত ৰাইজৰ মাজত ফেৰেঙ্গু' এডুকেশ্যনেল ইনষ্টিটিউচনৰ তিনিচুকীয়াস্থ চেক্ৰেড হাৰ্ট প্ৰভিন্সৰ অধীনস্থ চাৰিখন বিদ্যালয় ক্ৰমে ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ডুমডুমা; ছেইণ্ট ষ্টিফেনছ উচ্চতৰ মাধ্যমিক বিদ্যালয়, তিনিচুকীয়া, ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়, নাহৰকটীয়া আৰু বিভিএফচি মডেল স্কুল, নামৰূপৰ শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয় কেইখনৰ কৰ্তৃপক্ষই কিছু সাহায্য সামগ্ৰী বিতৰণ কৰে। বিদ্যালয় কেইখনৰ কৰ্তৃপক্ষই শিক্ষাৰ্থী, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগত সংগ্ৰহ কৰা চাৰি লক্ষাধিক টকাৰ সাহায্য সামগ্ৰী বিতৰণ কৰে। চেক্ৰেড হাৰ্ট প্ৰভিন্সৰ এডুকেশ্যন কাউন্সেলৰ চিষ্টাৰ ৰ'জ মেৰী আংগামিলুৰ নেতৃত্বত যোৱা পঁশিছজনীয়া দলটোৱে এই তিনিখন ঠাইৰ ৩২৫টা পৰিয়ালৰ মাজত একোখনকৈ পাটি, বিছনা চাদৰ আৰু গাৰু গিলিপ, আঁঠুৱা, একোটাকৈ বাল্টি, মগ, জাৰ, দুখনকৈ ষ্টিলৰ কাঁহী, দুটা গিলাচ, গাধোৱা আৰু কাপোৰ ধোৱা চাবোন আৰু কিছু শুকান খাদ্য সামগ্ৰী বিতৰণ কৰে। প্ৰতিনিধি দলটোত চাৰিওখন বিদ্যালয়ৰ অধ্যক্ষাৰ লগতে দুজনকৈ শিক্ষক আৰু তিনিগৰাকীকৈ শিক্ষাৰ্থীও আছিল। শিক্ষাৰ্থীসকলে নিজাববীয়াকৈ সংগ্ৰহ কৰা কিছু কাপোৰো বানাক্ৰান্ত লোকৰ মাজত বিতৰণ কৰে। আনহাতে, বিদ্যালয় কেইখনৰ কৰ্তৃপক্ষই প্ৰদান কৰা বহী, কলম, পেন্সিল, ৰবৰৰ লগতে বিদ্যালয় পৰিষ্কাৰ কৰিবলৈ ফেনাইল, ব্লিছিং পাউদাৰ, বাল্টি, মগ, ইত্যাদি সামগ্ৰী বামুণ পুখুৰী চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ প্ৰধান শিক্ষক হৰি কান্ত গগৈৰ হাতত অৰ্পণ কৰে। সাহায্য সামগ্ৰী গ্ৰহণ কৰি বানাক্ৰান্ত ৰাইজে দলটোক ধন্যবাদ জ্ঞাপন কৰি কয় যে বিভিন্ন ব্যক্তি আৰু সংগঠনে তেওঁলোকক খাদ্য সামগ্ৰী যোগান ধৰিছে যদিও এই ধৰণৰ তেওঁলোকৰ বাবে অতি প্ৰয়োজনীয় সামগ্ৰী কোনেও দিয়া নাছিল।

# চামগুৰিত মণ্ডল সভাপতি আৰিফুল কালামৰ গৃহৰ পৰা কাৱৈমাৰীলৈ বৃহৎ ত্ৰিৰংগা যাত্ৰা

**অসম বাৰ্তা, ৰূপহীহাট, ১৩ আগষ্ট ঃ** দেশৰ স্বাধীনতা দিৱস উপলক্ষে ভাৰতীয় জনতা পাৰ্টীৰ নগাঁও জিলা সমিতিৰ উদ্যোগত আৰু চামগুৰি মণ্ডল বিজেপিৰ সহযোগত আজি চামগুৰিত এক বৃহৎ 'ত্ৰিৰংগা যাত্ৰা' অনুষ্ঠিত হয়। চামগুৰি মণ্ডল বিজেপিৰ সভাপতি আৰিফুল কালামৰ গৃহৰ পৰা উলিওৱা এই ত্ৰিৰংগা পদযাত্ৰা কাৱৈমাৰীলৈকে গৈ সামৰণি পৰে। দেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় ঐক্যৰ বাৰ্তা লৈ উলিওৱা এই ত্ৰিৰংগা যাত্ৰাত বিজেপিৰ বিভিন্ন সংগঠনৰ নেতা-কৰ্মীৰ লগতে আঠটাকৈ সংগঠনৰ সদস্যই অংশগ্ৰহণ কৰে। হাতে-হাতে ৰাষ্ট্ৰীয় পতাকা লৈ অংশগ্ৰহণকাৰীসকলে দেশপ্ৰেমমূলক শ্লোগানেৰে পৰিৱেশ মুখৰ কৰি তোলে। পদযাত্ৰাটোৱে চামগুৰিৰ বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰি কাৱৈমাৰীত উপস্থিত হয়। ত্ৰিৰংগা যাত্ৰাৰ জৰিয়তে সাধাৰণ ৰাইজৰ মাজত দেশপ্ৰেম, ৰাষ্ট্ৰীয় ঐক্য আৰু স্বাধীনতা দিৱসৰ তাৎপৰ্য সম্পৰ্কে সজাগতা সৃষ্টি কৰাৰ লগতে প্ৰতিগৰাকী নাগৰিকক স্বাধীনতা দিৱস উলহ-মালহেৰে উদ্‌যাপন কৰিবলৈ আহ্বান জনোৱা হয়। এই উপলক্ষে বিজেপি নেতৃবৃন্দই কয় যে স্বাধীনতা দিৱস কেৱল এটা চৰকাৰী কাৰ্যসূচী নহয়, ই প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৌৰৱৰ দিন। স্বাধীনতা সংগ্ৰামত দেশৰ বীৰ শ্বহীদসকলে আগবঢ়োৱা ত্যাগ আৰু আত্মবলিদানক স্মৰণ কৰি নতুন প্ৰজন্মক দেশৰ প্ৰতি দায়বদ্ধ হোৱাৰ আহ্বান জনায়। বিজেপি নেতৃত্বই লগতে মন্তব্য কৰে যে এটা সময়ত অসমত স্বাধীনতা দিৱসৰ দিনটোত বন্দুক-বোমাৰ আতংক আৰু ভয়-শংকাৰ পৰিৱেশ সৃষ্টি হৈছিল। কিন্তু বৰ্তমান বিজেপি চৰকাৰৰ দিনত পৰিস্থিতিৰ যথেষ্ট পৰিৱৰ্তন ঘটিছে বুলি দাবী কৰি তেওঁলোকে কয় যে এতিয়া সাধাৰণ ৰাইজে নিৰ্ভয়ে ৰাজহুৱা স্থানলৈ ওলাই আহি স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব পাৰিছে। ভয়-শংকাৰ পৰিৱেশ আঁতৰাই ৰাইজৰ মাজত দেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় চেতনাৰ ভাৱ অধিক শক্তিশালী কৰাৰ উদ্দেশ্যেই চামগুৰি সমষ্টিৰ চামগুৰি মণ্ডলত এই ত্ৰিৰংগা যাত্ৰা আয়োজন কৰা হৈছে বুলি বিজেপি নেতৃত্বই উল্লেখ কৰে। উল্লেখ্য যে স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত অনুষ্ঠিত এই ত্ৰিৰংগা যাত্ৰাই চামগুৰি অঞ্চলত বিশেষ উৎসাহৰ সৃষ্টি কৰে। বহু সংখ্যক দলীয় কৰ্মী-সমৰ্থকৰ উপস্থিতিত অনুষ্ঠিত যাত্ৰাই সমগ্ৰ অঞ্চলটোত দেশপ্ৰেমৰ পৰিৱেশ সৃষ্টি কৰে।

## বানৰ তাণ্ডৱৰ পাছত পুনৰ

বেলাষ্ট পুনৰ সংস্থাপন আৰু অন্যান্য কাৰিকৰী কাম সম্পন্ন কৰাৰ পাছত পথছোৱা ৰে'ল চলাচলৰ বাবে সম্পূৰ্ণ সাজু কৰা হৈছে। 'বিভাগীয় সূত্ৰমতে, শুকুৰবাৰৰ পৰা এই পথেৰে দূৰণিবটীয়া ৰে'লসমূহ পুনৰ চলাচল কৰিব। ইয়াৰ ফলত দীৰ্ঘদিন ধৰি ৰে'ল যোগাযোগ বিচ্ছিন্ন হৈ থকা উজনি অসমৰ যাত্ৰী, ব্যৱসায়ী, চাকৰিয়াল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বহিঃৰাজ্যলৈ যাতায়াত কৰা যাত্ৰীসকলেও যথেষ্ট সকাহ লাভ কৰিব। একে সময়তে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সৈতে উজনি অসমৰ বাণিজ্যিক আৰু যাতায়াত ব্যৱস্থাও ক্ৰমান্বয়ে স্বাভাৱিক হোৱাৰ সম্ভাৱনা আছে। অৱশ্যে, বানৰ পৰিস্থিতি সম্পূৰ্ণৰূপে স্বাভাৱিক নোহোৱালৈকে ৰে'ল চলাচলৰ ক্ষেত্ৰত বিশেষ সতৰ্কতা অৱলম্বন কৰিব ৰে'ল বিভাগে। বানপীড়িত বহু লোক এতিয়াও ৰে'লপথৰ কাষৰ বিভিন্ন স্থানত আশ্ৰয় লৈ থকাৰ পৰিপ্ৰেক্ষিতত যাত্ৰী আৰু স্থানীয় লোকৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি এই পথছোৱাৰে চলাচল কৰা ৰে'লসমূহৰ সৰ্বাধিক গতি ঘণ্টাত ২০ কিলোমিটাৰত সীমাবদ্ধ ৰখা হ'ব। ৰে'ল বিভাগে প্ৰকাশ কৰা মতে, ৰে'লপথৰ নিৰাপত্তা আৰু যাত্ৰীৰ সুৰক্ষাকে সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়া হৈছে। পৰিস্থিতি সম্পূৰ্ণ স্বাভাৱিক নোহোৱালৈকে ৰে'লপথৰ বিভিন্ন অংশত নিৰীক্ষণ আৰু সতৰ্কতামূলক ব্যৱস্থা অব্যাহত থাকিব। প্ৰয়োজন অনুসৰি ৰে'লৰ গতি আৰু চলাচলৰ ক্ষেত্ৰত অতিৰিক্ত সুৰক্ষা ব্যৱস্থাও গ্ৰহণ কৰা হ'ব।

## ৮০তম স্বাধীনতা দিৱসৰ অসমত

অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ১৫ আগষ্টৰ পুৱা ৯ বজাত খানাপাৰাৰ মহাবিদ্যালয় খেলপথাৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। তাৰ পিছতে তেওঁ আৰক্ষী আৰু বিভিন্ন অৰ্ধসামৰিক বাহিনীৰ অভিবাদন গ্ৰহণ কৰিব। এইবাৰ কাৰ্যসূচীত অসম আৰক্ষী, বীৰাংগনা, চি আৰ পি এফ, এছ এছ বি, চি আই এছ এফ, বি এছ এফ, জি আৰ পি, এন চি চি আৰু ডগ্ স্কোৱাডকে ধৰি মুঠ ২৫টা দলে পেৰেডত অংশগ্ৰহণ কৰিব। ইয়াৰে এখন দল হৈছে ত্ৰিপুৰা আৰক্ষীৰ, যিয়ে এইবাৰ অসমৰ পেৰেডত অংশ লৈছে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে খানাপাৰাৰ খেলপথাৰত উপস্থিত হৈ প্ৰস্তুতি পৰিদৰ্শন কৰে। তেওঁ বাহিনীসমূহৰ অনুশীলন প্ৰত্যক্ষ কৰাৰ লগতে 'হৰ ঘৰ তিৰংগা' অভিযান সফল কৰি তুলিবলৈ সকলোকে আহ্বান জনায়। ইফালে, স্বাধীনতা দিৱসক কেন্দ্ৰ কৰি বায়ুসেনাৰ উদ্যোগত দীঘলীপুখুৰীপাৰৰ যুদ্ধ স্মাৰকত এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়, য'ত বায়ুসেনাৰ জোৱানসকলে দেশপ্ৰেমমূলক গীত পৰিৱেশন কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। কামৰূপ জিলাতো স্বাধীনতা দিৱসৰ বাবে পূৰ্ণ প্ৰস্তুতি সমাপ্ত কৰা হৈছে। উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া কেন্দ্ৰীয় কাৰ্যসূচীত অসম আৰক্ষীৰ ২০০ গৰাকী জোৱান আৰু বিভিন্ন বিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (এন চি চি)ৰ কেডাৰসকলে অংশ ল'ব। মহাবিদ্যালয়খনৰ খেলপথাৰত আখৰা প্ৰায় সম্পূৰ্ণ হৈছে। স্বাধীনতা দিৱস নিৰ্বিঘ্নভাৱে উদযাপনৰ বাবে আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কঠোৰ কৰি তুলিছে। গুৱাহাটী মহানগৰ আৰক্ষীয়ে নগৰৰ বিভিন্ন স্থানত তালাচী অভিযান চলাই আছে। লগতে, পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তত যিকোনো কূটাঘাতমূলক ঘটনা ৰোধ কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সীমান্তীয় গাঁওসমূহত পহৰা, স্পৰ্শকাতৰ স্থানসমূহত নজৰদাৰী আৰু ২৪ ঘণ্টা নিৰীক্ষণ অব্যাহত ৰখা হৈছে। আগন্তুক স্বাধীনতা দিৱস উপলক্ষে ৰাজ্যবাসীৰ মাজত উৎসাহ-উদ্দীপনা বাঢ়ি অহাৰ লগতে নিৰাপত্তা আৰু শৃংখলা ৰক্ষাৰ প্ৰতি গুৰুত্ব দি প্ৰশাসনে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰাৰ কথা জানিবলৈ দিছে। অহা শনিবাৰে খানাপাৰা আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত উৎসাহেৰে স্বাধীনতা দিৱস পালন কৰা হ'ব বুলি আশা কৰা হৈছে।

## অৰ্থনৈতিক অৱৰোধে পৰিস্থিতি

বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। বিষয়টো সন্দৰ্ভত পৰৱৰ্তী সময়ত অৰুণাচল প্ৰদেশ চৰকাৰৰ সৈতে আলোচনা কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে অসম - অৰুণাচল, অসম - নাগালেণ্ড আৰু অসম - মিজোৰাম সীমা সমস্যা নতুন নহয়; এইবোৰ দীৰ্ঘদিনীয়া সমস্যা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সদিচ্ছাৰ ফলত ইতিমধ্যে কেইবাটাও সীমা-সংক্ৰান্ত বিষয় সমাধান হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে অৰুণাচল প্ৰদেশৰ সৈতেও আলোচনাৰ জৰিয়তে বিষয়সমূহ আগুৱাই নিয়াৰ প্ৰচেষ্টা অব্যাহত আছে। তেওঁ জানিবলৈ দিয়ে যে দুয়োখন ৰাজ্যৰ সমিতিয়ে সীমান্ত অঞ্চল পৰিদৰ্শন কৰি ইতিমধ্যে প্ৰতিবেদন দাখিল কৰিছে। বহু বিষয়ত দুয়োপক্ষই সহমতত উপনীত হৈছে যদিও সীমা নিৰ্ধাৰণ, গাঁও আৰু পথৰ অৱস্থানকে ধৰি কিছু বিষয় এতিয়াও আলোচনাৰ পৰ্যায়ত আছে। অসম-নাগালেণ্ড সীমা বিবাদৰ এটা গোচৰ উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ আছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শেহতীয়াকৈ সংঘটিত ঘটনাক কঠোৰ ভাষাৰে নিন্দা কৰি অতুল বৰাই কয় যে অৰ্থনৈতিক পথ অৱৰোধে পৰিস্থিতি অধিক জটিল কৰি তুলিব পাৰে। সেয়েহে আলোচনাৰ দুৱাৰ খোলা ৰাখি মুখ্যমন্ত্ৰীৰ নিৰ্দেশনা অনুসৰি পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰা হ'ব। অৰুণাচল প্ৰদেশৰ সৈতে নিশ্চিতভাৱে আলোচনা কৰিব লাগিব বুলি উল্লেখ কৰি তেওঁ কয় যে সীমা সমস্যাৰ সমাধান একপক্ষীয় সিদ্ধান্তৰ জৰিয়তে সম্ভৱ নহয়। দুয়োপক্ষৰ মাজত আলোচনা, সমন্বয় আৰু পাৰস্পৰিক বুজাবুজিৰ জৰিয়তেহে এই দীৰ্ঘদিনীয়া সমস্যাৰ স্থায়ী সমাধান সম্ভৱ বুলি মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে। ইফালে, নিমাতী ঘাটৰ পৰা জাহাজেৰে মাজুলীৰ অফলামুখ পাৰঘাটত উপস্থিত হোৱাৰ পাছতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন দপ্তৰৰো মন্ত্ৰী অতুল বৰাক ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। মাজুলী জিলা পৰিষদৰ বিষয়া সঞ্জীৱ বৰা, সভানেত্ৰী নৱনিতা দাস, উজনি মাজুলী খণ্ড উন্নয়ন বিষয়া সৌৰভ বৰগোহাঁইৰ লগতে মাজুলী জিলা অসম গণ পৰিষদৰ সভাপতি ব্ৰজেন গাম, অনিৰুদ্ধ দত্ত আৰু দলটোৰ কৰ্মীসকলে মন্ত্ৰীগৰাকীক উষ্ম আদৰণি জনায়।

## আমেৰিকাত ১৫ আগষ্ট 'ভাৰত দিৱস'

স্বাক্ষৰিত এক বিশেষ ঘোষণাপত্ৰত উল্লেখ কৰা মতে, আমেৰিকাৰ এই ৰাজ্যখন বিভিন্ন সম্প্ৰদায়ৰ সংস্কৃতি আৰু পৰম্পৰাৰ সমন্বয়ত 'শক্তিশালী' হৈ উঠিছে। তাৰে অন্যতম হৈছে ক্ৰমবৰ্ধমান ভাৰতীয় আমেৰিকান সম্প্ৰদায়, যাৰ অৱদানে ৰাজ্যখনৰ চৰিত্ৰ গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ঘোষণাপত্ৰত আৰু কোৱা হৈছে যে ডেলাৱেৰত বসবাস কৰা ভাৰতীয় মূলৰ নাগৰিকসকলে তেওঁলোকৰ কৰ্ম, নেতৃত্ব আৰু সামাজিক সেৱাৰ জৰিয়তে সমগ্ৰ ৰাজ্যখনক সমৃদ্ধ কৰিছে। তেওঁলোকে ৰাজ্যৰ ভাগ-বতৰা উন্নয়নত অৰিহণা যোগোৱাৰ লগতে আগন্তুক প্ৰজন্মৰ বাবে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি দিছে। ভাৰতৰ ইতিহাস ভাষা, পৰম্পৰা, বিশ্বাস আৰু ৰীতি-নীতিৰ বৈচিত্ৰ্যপূৰ্ণ সমাহাৰত শিপাই আছে-ঘোষণাপত্ৰত এই কথা উল্লেখ কৰি মেয়াৰে কয় যে, ভাৰতীয় আমেৰিকান প্ৰজন্মই এই পৰম্পৰাসমূহ জীৱন্ত ৰাখিছে। 'ভাৰত দিৱস' উদযাপনে কেৱল ভাৰতৰ স্বাধীনতাক সন্মান জনোৱাই নহয়, বৰঞ্চ ডেলাৱেৰৰ ভাৰতীয় সম্প্ৰদায়ৰ ঐতিহ্য আৰু সাফল্যক স্বীকৃতি দিয়াৰ লগতে ভাৰতৰ জনসাধাৰণৰ সৈতে থকা চিৰস্থায়ী সম্পৰ্কটো পুনৰ্নিশ্চিত কৰে বুলি উল্লেখ কৰা হয়। মেয়াৰে এই ঘোষণাৰ জৰিয়তে সকলো নাগৰিকক 'ভাৰত দিৱস' উদযাপন কৰিবলৈ, ভাৰতীয় আমেৰিকান সম্প্ৰদায়ৰ অৱদানক স্বীকৃতি দিবলৈ আৰু ৰাজ্য আৰু ভাৰতৰ মাজত থকা দীৰ্ঘস্থায়ী সম্পৰ্কক সন্মান জনাবলৈ আহ্বান জনায়। ইয়াৰ ঠিক এদিন পূৰ্বেই নিউয়ৰ্কৰ গৱৰ্ণৰ কেথী হোচুল আৰু নিউ জাৰ্চিৰ গৱৰ্ণৰ মিকি শ্বেৰিলেও ২০২৬ চনৰ ৰপ্ত আগষ্টক নিজ নিজ ৰাজ্যত 'ভাৰত স্বাধীনতা দিৱস' হিচাপে স্বীকৃতি দি ঘোষণা জাৰি কৰিছিল। উল্লেখযোগ্য যে, প্ৰতি বছৰে ৱাশ্বিংটনস্থিত ভাৰতীয় দূতাবাস, কনছুলেট আৰু ৰাষ্ট্ৰসংঘত থকা ভাৰতীয় মিছনত পতাকা উত্তোলন অনুষ্ঠানৰ লগতে সমগ্ৰ আমেৰিকাৰ ৰাজ্য আৰু চহৰসমূহত পেৰেড, সাংস্কৃতিক অনুষ্ঠান আৰু বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। নিউয়ৰ্কৰ এম্পায়াৰ ষ্টেট বিল্ডিঙৰ পৰা ছিয়াটলৰ স্পেচ নিডললৈকে আমেৰিকাৰ বিভিন্ন প্ৰখ্যাত স্থানসমূহ ভাৰতীয় ত্ৰিৰঙা পতাকাৰ ৰঙেৰে আলোকিত কৰা হয়। ভাৰতীয়-আমেৰিকান সকলোৱে এই বিশেষ অনুষ্ঠানসমূহত উদ্যমেৰে অংশগ্ৰহণ কৰি নিজৰ মূল দেশৰ স্বাধীনতা দিৱস স্মৰণ কৰে। ইফালে, আমেৰিকাত ভাৰত দিৱস পালনৰ এই সিদ্ধান্তক ভাৰতীয় সমাজ আৰু প্ৰৱাসী ভাৰতীয় মহলে উষ্ম আদৰণি জনাইছে। আগন্তুক ১৫ আগষ্টত আমেৰিকাৰ নানান চহৰত জাকজমক আয়োজনৰ লগতে সাংস্কৃতিক প্ৰদৰ্শনী, আলোচনা চক্ৰ আৰু সম্প্ৰদায় ভিত্তিক কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে।

## এয়াৰ ইণ্ডিয়াৰ কঠোৰ সিদ্ধান্ত

সংঘটিত এক উদ্বেগজনক ঘটনা। বিগত ৪ আগষ্টত উক্ত বিমানখনে আকস্মিকভাৱে আকাশমাৰ্গৰ পৰা প্ৰায় ৩০০ ফুট তললৈ নামি আহিছিল, যাৰ ফলত বহু যাত্ৰী আহত হৈছিল যদিও কথমপি প্ৰাণৰক্ষা সম্পন্ন হয়। বিমানখনত মুঠ ১৪৫জন লোক আছিল-১৩৭জন যাত্ৰী আৰু ৮জন ক্ৰু সদস্য। প্ৰথমাৱস্থাত ঘটনাৰ কাৰণ উদঘাটন হোৱা নাছিল। পৰৱৰ্তী তদন্তত পোহৰলৈ আহে যে বিমানখনৰ পাইলটে নিচাজাতীয় সামগ্ৰী, বিশেষকৈ গাঞ্জা, সেৱন কৰিছিল। তাৰ পিছতে দুয়োজন পাইলটৰ শাৰীৰিক পৰীক্ষা কৰা হয় আৰু পৰীক্ষাত এই তথ্য নিশ্চিত হয়। ইয়াৰ পৰিপ্ৰেক্ষিততে টাটা গ্ৰুপৰ মালিকানাধীন এই বিমান সংস্থাটোৱে সকলো পাইলটৰ বাবে নিচা পৰীক্ষা বাধ্যতামূলক কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সংস্থাটোৰ সূত্ৰই জনোৱা মতে, এই পৰীক্ষা বৃহস্পতিবাৰৰ পৰাই আৰম্ভ কৰা হৈছে আৰু ই সম্পূৰ্ণ বাধ্যতামূলক। পৰীক্ষাসমূহ নিৰ্দিষ্ট স্থানত অনুষ্ঠিত হ'ব-যেনে গুৰুগ্ৰাম একাডেমী শচপ্ৰশিক্ষণৰ সমান্তৰালভাৱেণ্ন, বিমানৰ পিছৰ ব্ৰিফিং চেণ্টাৰ, বিমান সংস্থাৰ কাৰ্যালয় অথবা সংশ্লিষ্ট ঘাটিত। পিটিআইৰ প্ৰতিবেদন অনুসৰি, পাইলটসকললৈ প্ৰেৰণ কৰা অভ্যন্তৰীণ বাৰ্তাত দুয়োটা বিমান সংস্থাই প্ৰচলিত নিয়মৰ অধীনত অনুমোদিত নোহোৱা যিকোনো পদাৰ্থ বা ঔষধৰ সম্পূৰ্ণ পৰীক্ষা চলাব বুলি স্পষ্ট কৰা হৈছে।

## অভিনেত্ৰী চেতনা দাসক সংগীত

জড়িত সকলো কুশলী শিল্পী, পৰিচালক আৰু কলাকুশলীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই সন্মানে অসমীয়া শিল্পক নতুন উচ্চতা প্ৰদান কৰাৰ লগতে আগন্তুক প্ৰজন্মৰ বাবে অনুপ্ৰেৰণা হিচাপে কাম কৰিব বুলি ৰাজ্যবাসীৰ আশা।

## RSSকো ৰক্ষা কৰিম, কাৰণ

লক্ষ্য নহয়; বৰঞ্চ সকলোৰে বক্তব্য প্ৰকাশৰ অধিকাৰ থাকিব লাগে বুলি কংগ্ৰেছৰ নেতাই গুৰুত্ব আৰোপ কৰে। এই সময়ছোৱাতে ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক তীব্ৰ সমালোচনা কৰে। তেওঁ যন্তৰ-মন্তৰত সাম্প্ৰতিকভাৱে সংঘটিত পৰিস্থিতিৰ প্ৰসংগ টানি কয় যে, শিক্ষাৰ্থীসকলে তাত গৈ নিজৰ বক্তব্য উত্থাপন কৰিব বিচাৰিছিল। তেওঁলোক যন্ত্ৰণাত আছে আৰু নিজৰ কথা ক'ব বিচাৰে, কিন্তু চৰকাৰে শৃংখলাৰ নামত তেওঁলোকক নীৰব কৰি ৰাখিছে। ৰাহুল গান্ধীয়ে এগৰাকী মাতৃৰ উদাহৰণ দি কয় যে, যাৰ কন্যা চাৰি বছৰ পূৰ্বে উত্তৰাখণ্ডত ধৰ্ষণ কৰি হত্যা কৰা হৈছিল, সেই মাতৃজনে কান্দি কান্দি নিজৰ দুখ প্ৰকাশ কৰিব বিচাৰিছিল, কিন্তু চৰকাৰী ব্যৱস্থাই তেওঁক 'বিশৃঙ্খলা'ৰ ভয় দেখাই নীৰৱ কৰি ৰাখিছে। কংগ্ৰেছ সন্মিলনত ভাষণ প্ৰসংগত ৰাহুল গান্ধীয়ে চৰকাৰক লক্ষ্য কৰি কটাক্ষ কৰি কয়, "আমাৰ কাম অতি সহজ— আমি তেওঁলোকক উন্মাদ কৰি তুলিম। আজিকালি প্ৰধানমন্ত্ৰী মোদীয়ে ৰাতি শুব নোৱাৰে, যাৰ বহুতো কাৰণ আছে।" তেওঁ অমিত শ্বাহৰ বিষয়ে উল্লেখ কৰি কয় যে, তেওঁক এসময়ত 'চাণক্য' বুলি কোৱা হৈছিল, কিন্তু এতিয়া তেওঁ নোহোৱা হৈ গ'ল। ২০ দিন ধৰি তেওঁ সংসদলৈ আহিব পৰা নাই বুলি মন্তব্য কৰি ৰাহুল গান্ধীয়ে কয় যে, এই চৰকাৰে এতিয়া বুজি পাইছে যে এই দেশৰ মানুহে কেতিয়াও নিজকে প্ৰকাশ কৰাৰ পৰা বিৰত নাথাকে। উল্লেখযোগ্য যে, ৰাহুল গান্ধীৰ এই মন্তব্যে স্বত্ৰত্ৰকে ধৰি বিভিন্ন ৰাজনৈতিক মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সমালোচকসকলে তেওঁৰ এই 'স্বত্ৰত্ৰ ৰক্ষা'ৰ মন্তব্যক অদ্ভুত আৰু পৰস্পৰবিৰোধী বুলি অভিহিত কৰিছে, আনহাতে কংগ্ৰেছ সমৰ্থকসকলে তেওঁৰ প্ৰকাশৰ স্বাধীনতাৰ ওপৰত থকা অটল বিশ্বাসক স্বাগতম জনাইছে। অহা দিনকেইটাত এই বিষয়টোৱে ৰাজনৈতিক বিতৰ্কৰ কেন্দ্ৰবিন্দু হৈ থাকিব বুলি ধাৰণা কৰা হৈছে।

## ভোট বিভাজনৰ জালত বিজেপিৰ

উল্লেখযোগ্য যে, নগাঁও লোকসভা সমষ্টিত প্ৰায় ৬০ শতাংশ সংখ্যালঘু ভোটাৰৰ উপস্থিতি আছে। সেয়ে এই সমষ্টি বিৰোধী শিবিৰৰ বাবে অতি সম্ভাৱনাপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। কিন্তু বিৰোধী শিবিৰৰ দুটা মুখ্য দল-কংগ্ৰেছ আৰু AIUDF-যেতিয়া পৃথকে পৃথকে নিৰ্বাচনত অৱতীৰ্ণ হয়, তেতিয়া তেওঁলোকৰ মাজত ভোট বিভাজন ঘটে। এই ভোট বিভাজনৰ পৰা পোনপটীয়াকৈ সুফল লাভ কৰিব বিজেপিয়ে। ৰাজনৈতিক বিশ্লেষকসকলৰ মতে, বৰ্তমান পৰিস্থিতিত বদৰুদ্দিন আজমল যেন বিজেপিৰ বাবে নগাঁও দখল কৰাৰ এক 'ট্ৰাম কাৰ্ড' হৈ পৰিছে। কাৰণ AIUDF-এ নিৰ্বাচনত অংশগ্ৰহণ কৰিলে কংগ্ৰেছৰ ভোটৰ ভাগ হ্ৰাস পায়, যাৰ ফলত বিজেপিৰ প্ৰাৰ্থী জয়ী হোৱাৰ সম্ভাৱনা বহুগুণে বৃদ্ধি পায়। ইফালে, এই উপ-নিৰ্বাচনত কংগ্ৰেছে অকলেই যুঁজত নামিব নে AIUDF-ৰ সৈতে মিত্ৰতাত যুদ্ধ কৰিব-তাকে লৈ দলটোৰ নেতৃত্বই গভীৰ দ্বিধা অনুভৱ কৰি আছে। এফালে মিত্ৰতাৰে ভোট বিভাজন ৰোধ কৰিব পাৰিলে বিৰোধী শিবিৰৰ বিজয়ৰ সম্ভাৱনা বাঢ়ে; আনফালে অকলেই যুঁজিলে ভোট বিভাজন অনিবাৰ্য হৈ পৰে, যিয়ে বিজেপিক পুনৰ সুবিধা প্ৰদান কৰে। কংগ্ৰেছৰ এই অনিশ্চয়তা আৰু AIUDF-ৰ স্পষ্ট প্ৰাৰ্থী ঘোষণাই নগাঁৱৰ ৰাজনৈতিক পৰিমণ্ডলত নতুন জটিলতাৰ সৃষ্টি কৰিছে। যিকোনো পক্ষৰ জয়-পৰাজয় নিৰ্ভৰ কৰিব দলসমূহে গ্ৰহণ কৰা নিৰ্বাচনী ৰণকৌশলৰ ওপৰত। অহা কেইদিনমানৰ ভিতৰতে কংগ্ৰেছে লোৱা চূড়ান্ত সিদ্ধান্তই এই উপ-নিৰ্বাচনৰ গতি নিৰ্ধাৰণ কৰিব বুলি স্থানীয় ৰাজনৈতিক মহলে ধাৰণা প্ৰকাশ কৰিছে।

## বিৰোধীৰ ঐক্যই ৰুদ্ধ কৰিলে পাঁচ

কংগ্ৰেছৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে সংবাদ মাধ্যমক এই কথা স্পষ্ট কৰি কয় যে, এই অধিৱেশনটোৱে বিৰোধীৰ ঐক্যৰ শক্তি সুস্পষ্টভাৱে প্ৰমাণ কৰি দিলে। তেওঁৰ ভাষ্য অনুসৰি, বিৰোধী দলসমূহৰ যৌথ পদক্ষেপৰ বাবে চৰকাৰে 'ৱান নেচন, ৱান ইলেকশ্যন' প্ৰস্তাৱ, 'বিকশিত ভাৰত শিক্ষা অধিকৰণ বিল', গ্ৰেপ্তাৰৰ পাছত জনপ্ৰতিনিধিক পদৰ পৰা অপসাৰণৰ সংবিধান সংশোধনী, FCRA বিল আৰু সমষ্টি পুনৰ নিৰ্ধাৰণ সম্পৰ্কীয় প্ৰস্তাৱিত সংশোধনী-এই পাঁচটা গুৰুত্বপূৰ্ণ বিষয়তে কাম কৰিব নোৱাৰিলে। ইয়াৰ লগতে ৰমেশে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে অধিৱেশনৰ বেছিভাগ সময় সংসদৰ পৰা আঁতৰি থকা আৰু কেৱল অন্তিম দিনটোতহে উপস্থিত হোৱাৰ ঘটনাক চৰকাৰৰ 'অস্বাভাৱিক প্ৰতিৰক্ষামূলক মনোভাৱ' বুলি সমালোচনা কৰে। প্ৰথমতে, 'ৱান নেচন, ৱান ইলেকশ্যন' প্ৰস্তাৱটোক লৈ বিৰোধীসকলে একাধিক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰে। চৰকাৰে এই অধিৱেশনতে প্ৰস্তাৱটো গৃহীত কৰাব বিচাৰিছিল যদিও বিৰোধীৰ আপত্তি আৰু গভীৰ আলোচনাৰ দাবীৰ বাবে ইয়াৰ সৈতে জড়িত প্ৰতিবেদন সংসদত দাখিল কৰিব পৰা নগ'ল, যাৰ ফলত প্ৰস্তাৱটো স্থগিত হৈ ৰয়। দ্বিতীয়তে, 'বিকশিত ভাৰত শিক্ষা অধিকৰণ বিল, ২০২৫' যুটীয়া সংসদীয় সমিতিৰ পৰীক্ষাধীন অৱস্থাতে থাকিল। কংগ্ৰেছৰ আপত্তি আৰু বিভিন্ন প্ৰশ্নৰ বাবে সেই প্ৰতিবেদনো স্থগিত ৰখা হয়, যাৰ বাবে বিলখন সদনত প্ৰকাশ কৰা সম্ভৱ নহ'ল। তৃতীয়টো বিষয় আছিল গ্ৰেপ্তাৰৰ পাছত প্ৰধানমন্ত্ৰী বা মুখ্যমন্ত্ৰীক স্বয়ংক্ৰিয়ভাৱে পদৰ পৰা অপসাৰণ কৰাৰ প্ৰস্তাৱ থকা সংবিধান সংশোধনী বিধেয়ক। এই বিধেয়ক পৰীক্ষা কৰি থকা সমিতিয়ে প্ৰতিবেদন দাখিল কৰিব নোৱাৰাত ইয়াক সংসদত উত্থাপন কৰা সম্ভৱ নহ'ল। ৰমেশে দাবী কৰে যে এই ব্যৰ্থতাৰ আঁৰত বিৰোধীৰ ঐক্যবদ্ধ চাপেই মুখ্য কাৰণ। চতুৰ্থতে, FCRA বিলখন যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰাটোও কংগ্ৰেছে সাফল্য বুলি গণ্য কৰে। যদিও কংগ্ৰেছে বিলখন সম্পূৰ্ণ প্ৰত্যাহাৰৰ দাবী আগবঢ়াইছিল, তথাপি বিৰোধীৰ চাপ, নাগালেণ্ড আৰু মিজোৰামৰ দৰে ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ আপত্তি আৰু নাগৰিক সমাজৰ প্ৰতিবাদে চৰকাৰক এই সিদ্ধান্ত ল'বলৈ বাধ্য কৰায় বুলি তেওঁ মত প্ৰকাশ কৰে। পঞ্চম আৰু শেষটো বিষয় হৈছে সমষ্টি পুনৰ নিৰ্ধাৰণ সম্পৰ্কীয় সংবিধান সংশোধনী বিধেয়ক। এই বিধেয়ক সংসদত উত্থাপন কৰাত বিৰোধীৰ বাধাই কংগ্ৰেছৰ পঞ্চম সাফল্য বুলি ৰমেশে উল্লেখ কৰে। তেওঁ এই বিধেয়কখনক শাসক দলে দুই-তৃতীয়াংশ সংখ্যা গৰিষ্ঠতা লাভ কৰাৰ প্ৰচেষ্টা বুলি অভিহিত কৰি কটাক্ষ কৰে যে শাসক পক্ষৰ সেই গৰিষ্ঠতা নাই আৰু কেতিয়াও নাথাকিব। বিজেপিয়ে এই দাবীসমূহ সম্পূৰ্ণ অমূলক বুলি কয়। তেওঁলোকৰ মতে, বিৰোধীসকলে গঠনমূলক আলোচনা এৰাই নিজেই সদনৰ কাৰ্যক্ষমতা হ্ৰাস কৰিছে আৰু জনবিৰোধী এজেণ্ডা ঢাকিবলৈ এই ধৰণৰ প্ৰচাৰ চলাইছে। অহা শীতকালীন অধিৱেশনত এই স্থগিত হৈ থকা বিলসমূহ পুনৰ আলোচনালৈ অনা হ'ব পাৰে বুলি ৰাজনৈতিক মহলে অনুমান কৰিছে, কিন্তু ইতিমধ্যে কংগ্ৰেছে চৰকাৰৰ এই 'ব্যৰ্থতা'ক আগন্তুক নিৰ্বাচনী প্ৰচাৰৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাৰ ইংগিত দিছে।

## অৰুণাচলৰ বিৰুদ্ধে টিএমপিকেৰ

অঞ্চলত উত্তেজনা বিৰাজ কৰিছিল। বৃহস্পতিবাৰে ধেমাজি জিলা সংহত আয়ুক্ত কাৰ্যালয়ত অসম চৰকাৰৰ দুই মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু অতুল বৰাৰ সৈতে টিএমপিকেৰ নেতৃত্বই এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰে। বৈঠকত জিলা আয়ুক্ত ৰাহুল সুৰেশ জাৱীৰ, চিচিবৰগাঁও সমষ্টিৰ বিধায়ক জীৱন গগৈ, মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়া আৰু টিএমপিকে, আটাছু, অসম জাতীয়বাদী যুৱ পৰিষদকে ধৰি কেইবাটাও দল-সংগঠনৰ নেতা উপস্থিত আছিল। বৈঠকতে সংগঠনটোৱে উত্থাপন কৰা তিনিটা মূল দাবী চৰকাৰী পক্ষই গুৰুত্ব সহকাৰে লোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। দাবীসমূহ হৈছে-ঘটনাৰ ৪৮ ঘণ্টাৰ ভিতৰত মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰা, কোনো ব্যক্তি বা গোটে আগ্নেয়াস্ত্ৰ লৈ আলোচনাত অংশ নোলোৱা নিশ্চিত কৰা, আৰু অসম-অৰুণাচল সীমা বিবাদৰ শান্তিপূৰ্ণ আৰু স্থায়ী সমাধানৰ বাবে অতি সোনকালে প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ লগতে সীমান্তৱৰ্তী অঞ্চলত শান্তি আৰু নিৰাপত্তা সুনিশ্চিত কৰা। বৈঠকৰ অন্তত মন্ত্ৰী অতুল বৰাই সংবাদ মাধ্যমক জনায় যে, অসম চৰকাৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনৈতিক সদিচ্ছাৰ বলত চুবুৰীয়া ৰাজ্যৰ সৈতে দীৰ্ঘদিনীয়া সীমা সমস্যাসমূহ সমাধানৰ দিশত আগবাঢ়িছে। তেওঁ কয়, অৰুণাচলৰ সৈতেও সীমা সম্পৰ্কে যথেষ্ট অগ্ৰগতি হৈছে যদিও ৫২খন সীমান্ত গাঁৱৰ সীমা নিৰ্ধাৰণ বাকী আছে। নিৰ্বাচনৰ পাছত নতুনকৈ আলোচনা আৰম্ভ কৰা হৈছে আৰু কেবিনেট বৈঠকত ইতিমধ্যে নতুন সমিতি গঠন কৰা হৈছে। গুলীচালনাৰ ঘটনা প্ৰসংগত মন্ত্ৰী বৰাই কয়, সেই দিনা ঘটা ঘটনাটো অনাকাংক্ষিত আৰু অসম চৰকাৰে ইয়াক তীব্ৰ গৰিহণা দিছে। অসম আৰক্ষীয়ে গোচৰ ৰুজু কৰিছে আৰু মুখ্যমন্ত্ৰী নিজেও উদ্বিগ্ন। তেওঁ স্পষ্টকৈ কয় যে, সীমা সমস্যাৰ লগতে এই ঘটনাক একলগ কৰিবলৈ চৰকাৰে নিবিচাৰে, কাৰণ ই সম্পূৰ্ণ আইন-শৃংখলাজনিত ঘটনা। ইয়াৰ লগতে অতুল বৰাই কংগ্ৰেছৰ প্ৰতি লক্ষ্য ৰাখি কটাক্ষ কৰে যে, কংগ্ৰেছে ৰাজ্য সৃষ্টি কৰোঁতে যদি সীমা সমস্যা সমাধান কৰিলেহেঁতেন, আজি এই সংকটৰ সন্মুখীন হ'বলগীয়া নহ'লহেঁতেন। তেওঁ জানিবলৈ দিয়ে যে, মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকৰ বিষয়সমূহ আলোচনা কৰি প্ৰয়োজনীয় পদক্ষেপ লোৱা হ'ব। সফল বৈঠকৰ অন্তত টিএমপিকে আৰু আন সংগঠনসমূহে অৱৰোধ কাৰ্যসূচী সাময়িকভাৱে স্থগিত ৰখাৰ ঘোষণা কৰে। অৱশ্যে, চৰকাৰী পক্ষই দাবীসমূহ সম্পূৰ্ণ ৰূপায়ণ নকৰালৈকে পুনৰ আন্দোলন তীব্ৰ কৰাৰ কথা সংগঠনটোৱে জানিবলৈ দিয়ে বুলি জানিব পৰা গৈছে। সীমান্তাঞ্চলবাসী এই সাময়িক সমাধানত স্বস্তি প্ৰকাশ কৰিছে আৰু চৰকাৰে দ্ৰুতগতিত দাবীসমূহ পূৰণ কৰাৰ আশা প্ৰকাশ কৰিছে।

## গ্লাছগ' কমনৱেলথ গেমছত

দৃঢ় মনোবলৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে লাভলীনাৰ ধাৰাবাহিক সফলতাই ৰাজ্যৰ যুৱ প্ৰজন্মক ক্ৰীড়া ক্ষেত্ৰত আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰি আহিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে যে লাভলীনা বৰগোহাঁই কঠোৰ পৰিশ্ৰম, অধ্যৱসায় আৰু আত্মবিশ্বাসৰ বাবেই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সফল হৈছে আৰু তেওঁ অসমৰ যুৱ ক্ৰীড়াবিদসকলৰ বাবে এক আদৰ্শ। আগন্তুক দিনতো তেওঁ বক্সিং ৰিঙত দৰ্শনীয় প্ৰদৰ্শন অব্যাহত ৰাখি দেশৰ বাবে অধিক সন্মান কঢ়িয়াই আনিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। লাভলীনা বৰগোহাঁয়ে মুখ্যমন্ত্ৰীক কমনৱেলথ গেমছৰ স্মাৰক হিচাপে ভাৰতীয় দলৰ দুটা জাৰ্চি উপহাৰ স্বৰূপে প্ৰদান কৰে। এই সম্বৰ্ধনা অনুষ্ঠানত অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ আদি বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব ড° কে কে দ্বিবেদী আৰু ক্ৰীড়া বিভাগৰ বিশেষ সচিব কে জে হিলালী প্ৰমুখ্যে কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে। ৰাজ্য চৰকাৰৰ এই সন্মানীয়ে লাভলীনাৰ ক্ৰীড়া জীৱনলৈ নতুন উৎসাহ যোগোৱাৰ লগতে অসমৰ খেলুৱৈসকলক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিজকে প্ৰমাণ কৰাৰ বাবে এক প্ৰেৰণা হিচাপে কাম কৰিব বুলি আশা কৰা হৈছে।

## গোগামুখৰ গুলীচালনা ঘটনাৰ

সংঘটিত কৰা এনেধৰণৰ গুলীচালনা তথা গুণ্ডাগিৰিৰ ঘটনা এইটোৱেই শেষ হওক।" উল্লেখ্য যে, আজি বিয়লি দিল্লীৰ পৰা উভতি আহি অৰুণাচলৰ হোলেঙীস্থিত ডঞি পলো বিমানবন্দৰত অৱতৰণ কৰাৰ পিছত সাংসদ ৰঞ্জিত দত্তই বৰগাঙৰ নিজ বাসগৃহলৈ বুলি ৰাওনা হয়। গহপুৰৰ খেৰগেট টোল গেটত গণতান্ত্ৰিকভাৱে প্ৰতিবাদ সাব্যস্ত কৰি থকা টিএমপিকে (TMPK), এমএমকে (MMK) আৰু টিএমএমকে (TMMK)-ৰ প্ৰতিবাদীসকলক দেখি সাংসদগৰাকীয়ে নিজৰ বাহন ৰখাই তেওঁলোকৰ কাষত থিয় দিয়ে। প্ৰতিবাদকাৰীসকলৰ সৈতে কথা পাতি সাংসদগৰাকীয়ে ঘটনাটোক লৈ নিজৰ তীব্ৰ ক্ষোভ ব্যক্ত কৰে। সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত সাংসদ দত্তই কয় যে, অসম আৰু অৰুণাচল প্ৰদেশৰ মাজৰ সুদীৰ্ঘদিনীয়া সীমান্ত সমস্যা বৰ্তমান প্ৰায় সমাধানৰ পথত। এনে এক শান্তিপূৰ্ণ পৰিৱেশৰ সময়তে মাজে মাজে অৰুণাচলী দুষ্কৃতিকাৰীয়ে চলাই অহা এনে অনাকাংক্ষিত আৰু হিংসাত্মক কাৰ্য্যক তেওঁ তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। এই সীমান্ত সমস্যাৰ এক চিৰস্থায়ী সমাধানৰ সপক্ষে মত প্ৰকাশ কৰি অতি সোনকালে ইয়াৰ এক গ্ৰহণযোগ্য সমাধান সূত্ৰ ওলাই পৰিব বুলিও সাংসদগৰাকীয়ে আশাবাদ প্ৰকাশ কৰে।

## ৰাজনৈতিক সংঘাতৰ মাজতে

লোকসভা আৰু ৰাজ্যসভা-উভয় সদনেই অনিৰ্দিষ্টকালৰ বাবে স্থগিত ঘোষণা কৰা হয়। উল্লেখযোগ্য যে, বিগত ২০ জুলাইত আৰম্ভ হোৱা এই অধিৱেশনখনৰ কাৰ্যকালত পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনা, দেশৰ অৰ্থনৈতিক অৱস্থা, আৰু সামাজিক প্ৰসংগসমূহকে ধৰি একাধিক গুৰুত্বপূৰ্ণ বিষয়ত বিৰোধী দলসমূহে সংসদৰ ভিতৰত আৰু বাহিৰত প্ৰতিবাদ চলাই আহিছিল। তথাপি এই প্ৰতিবাদী পৰিৱেশৰ মাজতে কেন্দ্ৰীয় চৰকাৰে কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক বিধায়িনী প্ৰক্ৰিয়াৰ জৰিয়তে গৃহীত কৰিবলৈ সক্ষম হয়। অধিৱেশনৰ সামৰণি পৰাৰ পিছত আয়োজিত এক সংবাদমেলত কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে এই অধিৱেশনত মুঠ ৰচখন বিধেয়ক গৃহীত হোৱা বুলি জনায়। তেওঁ কয় যে, আইন প্ৰণয়নৰ দিশৰ পৰা অধিৱেশনখন যথেষ্ট সফল হৈছে যদিও গঠনমূলক বিতৰ্ক আৰু গভীৰ আলোচনাৰ ফালৰ পৰা ইয়াক সফল বুলি ক'ব নোৱাৰি। বিৰোধীসকলৰ সঘন প্ৰতিবাদ আৰু সদন অচল কৰি ৰখাৰ বাবে সংসদৰ কাৰ্যক্ষমতা যথেষ্টভাৱে হ্ৰাস পাইছে বুলি তেওঁ মন্তব্য কৰে। ৰিজিজুৱে লগতে অভিযোগ উত্থাপন কৰি কয় যে, চৰকাৰ প্ৰতিটো বিষয়তে মুকলি আলোচনাৰ বাবে সম্পূৰ্ণৰূপে প্ৰস্তুত আছিল, কিন্তু বিৰোধী পক্ষই বাৰে বাৰে সদনৰ কাৰ্যসূচীত বাধা প্ৰদান কৰি বিতৰ্কৰ পৰা আঁতৰি থাকিল। বিৰোধীসকলক লক্ষ্য কৰি তেওঁ কটাক্ষ কৰে যে, তেওঁলোকে গঠনমূলক বিতৰ্কৰ কোনো সুযোগেই প্ৰদান নকৰিলে আৰু গণতান্ত্ৰিক অধিকাৰকো অৱজ্ঞা কৰিলে। সদনৰ মৰ্যাদা ৰক্ষা কৰাত বিৰোধীসকল সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা বুলিও ৰিজিজুৱে স্পষ্টভাৱে উল্লেখ কৰে। ইফালে, বিৰোধী শিবিৰৰ তৰফৰ পৰা যদিও আনুষ্ঠানিক ভাৱে কোনো প্ৰত্যুত্তৰ দিয়া হোৱা নাই, তথাপি সংসদৰ বাহিৰত তেওঁলোকে চৰকাৰৰ একপক্ষীয় মনোভাৱৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। বৃহস্পতিবাৰে সামৰণি পৰা এই অধিৱেশনৰ পিছত অহা শীতকালীন অধিৱেশনলৈকে সংসদৰ কাম-কাজ বন্ধ থাকিব। ইতিমধ্যে গৃহীত বিধেয়কসমূহ ৰাষ্ট্ৰপতিৰ সন্মতিৰ বাবে প্ৰেৰণ কৰাৰ লগতে প্ৰয়োজনীয় প্ৰশাসনীয় প্ৰক্ৰিয়া আৰম্ভ কৰিব বুলি সংসদীয় সূত্ৰই জানিবলৈ দিয়ে।

## লিকাবালিত পুনৰ উত্তেজনা

পৰিস্থিতি আৰু অধিক অৱনতি ঘটাৰ আশংকাই দেখা দিছে। ইতিমধ্যে লিকাবালিত বৃহৎ সংখ্যক অৰুণাচলী লোকৰ উপৰিও অৰুণাচল আৰক্ষীৰ যথেষ্ট সংখ্যক জোৱান উপস্থিত হৈছে। সীমান্তৰ বিভিন্ন ঠাইত শিলগুটি জমা কৰি ৰখা বুলি স্থানীয় সূত্ৰই দাবী কৰিছে, যাৰ বাবে সাধাৰণ ৰাইজৰ মাজত তীব্ৰ উদ্বেগ-সৃষ্টি হয়। স্থানীয় লোকসকলে যিকোনো মুহূৰ্তত পৰিস্থিতি জটিল হৈ পৰাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। উল্লেখ্য যে, গোগামুখৰ বদতি অঞ্চলত সংঘটিত গুলীচালনাৰ ঘটনাৰ পৰাই অসম-অৰুণাচল সীমান্তত উত্তেজনা বিৰাজ কৰি আহিছে। লিকাবালিত অব্যাহত থকা অৰ্থনৈতিক অৱৰোধক লৈ বৃহস্পতিবাৰে পৰিস্থিতিয়ে নতুন মূৰ্তি ধাৰণ কৰাত সীমান্তবাসীসকল আতংকিত হৈ পৰিছে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে দুয়োখন ৰাজ্যৰ প্ৰশাসনে সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰাটো অতি জৰুৰী হৈ পৰিছে বুলি অভিযোগ উঠিছে। ইফালে, এই ঘটনাৰ পাছত অসম আৰু অৰুণাচল প্ৰদেশৰ উচ্চপদস্থ বিষয়াসকলৰ মাজত যোগাযোগ বৃদ্ধি পাইছে। ৰাজ্যিক সীমান্ত সুৰক্ষা আৰু স্থানীয় শান্তি-শৃংখলা ৰক্ষাৰ বাবে সত্বৰে পদক্ষেপ লোৱাৰ দাবী জানাইছে বিভিন্ন মহলৰ লোকসকলে। সীমান্তীয় অঞ্চলবোৰত সাধাৰণ ৰাইজৰ চলাচল সীমিত কৰি ৰখা হৈছে যদিও দুয়োফালৰ আৰক্ষী বাহিনী সজাগ অৱস্থাত আছে। আগন্তুক দিনকেইটাত পৰিস্থিতি কেনেদৰে আগবাঢ়ে, তাৰ প্ৰতি সমগ্ৰ অঞ্চলবাসীৰ দৃষ্টি নিবদ্ধ হৈ আছে।

## গুৱাহাটীৰ ফাঁচী বজাৰত ব্যৱসায়

বিষয়া আৰু সংশ্লিষ্ট পক্ষসমূহে পথচাৰীৰ সুৰক্ষা ৰক্ষাৰ লগতে স্থানীয় ব্যৱসায়িক কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ল'ব পৰা বিভিন্ন পদক্ষেপৰ বিষয়েও পৰামৰ্শ আগবঢ়ায়। একে সময়তে এই নিষেধাজ্ঞা ৰূপায়ণৰ পূৰ্বে স্থানীয় ব্যৱসায়ী, যাত্ৰী আৰু সাধাৰণ জনসাধাৰণৰ মাজত পৰ্যাপ্ত সজাগতা সৃষ্টি কৰিবলৈ মন্ত্ৰী কৌশিক ৰায়ে কৰ্তৃপক্ষসমূহক স্পষ্ট নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে, ফাঁচী বজাৰ অঞ্চলত দৈনিক হাজাৰ হাজাৰ যান-বাহনৰ চলাচল আৰু অনিয়মিত পাৰ্কিঙৰ ফলত দীৰ্ঘদিন ধৰি যান-জঁটৰ সমস্যা দেখা দিছিল। চৰকাৰৰ এই পদক্ষেপে অঞ্চলটোৰ যাতায়াত ব্যৱস্থা শৃংখলাবদ্ধ কৰাৰ লগতে পথ দুৰ্ঘটনা হ্ৰাস কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। ইফালে, নতুন নিয়মটো কাৰ্যকৰী হোৱাৰ পূৰ্বে প্ৰশাসনে সচেতনতা অভিযান চলোৱাৰ লগতে বিকল্প পাৰ্কিং ব্যৱস্থাৰ বিষয়েও চিন্তা-চৰ্চা কৰিছে। অহা কেইদিনমানৰ ভিতৰতে এই সিদ্ধান্ত ৰূপায়ণৰ কাৰ্যসূচী স্পষ্ট কৰা হ'ব বুলি বিভাগীয় সূত্ৰই জানিবলৈ দিছে।

## লোকপিয়ল ২০২৭ৰ কৰ্মী

হৈছে। এই প্ৰতিবেদনৰ পৰিপ্ৰেক্ষিততে সাধাৰণ প্ৰশাসন বিভাগে শচণ্ডট্ৰড্ডণ্ন পুনৰ নিৰ্দেশ জাৰি কৰে। বিভাগটোৱে স্পষ্ট কৰে যে এনে বদলি কাৰঞ্জয্যই আগন্তুক লোকপিয়লৰ প্ৰস্তুতি প্ৰক্ৰিয়াত ব্যাঘাত জন্মাব পাৰে আৰু ক্ষেত্ৰ পৰ্যায়ৰ কাম-কাজক প্ৰভাৱিত কৰিব পাৰে। স্কুল শিক্ষা বিভাগলৈ প্ৰেৰণ কৰা এক বিশেষ পত্ৰত গুট্ৰড্ড-এ উল্লেখ কৰে যে প্ৰশ্নগত শিক্ষকসকলে ইতিমধ্যে লোকপিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ গ্ৰহণ কৰিছে আৰু লখিমপুৰ জিলাৰ বিভিন্ন লোকপিয়ল চাৰ্জৰ অধীনত হাউছ লিষ্টিং ব্লক লাভ কৰিছে। জিলা প্ৰশাসনে উদ্বেগ প্ৰকাশ কৰিছিল যে প্ৰশিক্ষণপ্ৰাপ্ত এই কৰ্মীসকলক বদলি কৰিলে লোকপিয়লৰ প্ৰথম পৰ্যায়-যত ঘৰৰ তালিকা প্ৰস্তুত আৰু গৃহ সম্পৰ্কীয় কাম অন্তৰ্ভুক্ত থাকে-আৰু পৰৱৰ্তী জনসংখ্যা গণনা পৰ্যায় গুৰুতৰভাৱে ব্যাহত হ'ব পাৰে। উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বেও অসম চৰকাৰে প্ৰশাসনিক বিভাগসমূহক লোকপিয়ল সম্পৰ্কীয় দায়িত্বত নিয়োজিত কৰ্মীসকলক এই কাম সম্পূৰ্ণ নোহোৱালৈকে বদলি নকৰিবলৈ নিৰ্দেশ দিছিল। নতুন নিৰ্দেশনাটো মূলতঃ পঞ্জীয়ক জেনেৰেল আৰু লোকপিয়ল আয়ুক্তৰ কাৰ্যালয়ৰ পৰামৰ্শৰ প্ৰতি সঁহাৰি জনাই জাৰি কৰা হৈছে। কাৰ্যালয়খনে ৰাজ্যসমূহক লোকপিয়লৰ কামত নিয়োজিত কৰ্মীসকলৰ ধাৰাবাহিকতা নিশ্চিত কৰিবলৈ বিশেষভাৱে আহ্বান জনাইছিল। এই পৰিস্থিতিত GAD-এ স্কুল শিক্ষা বিভাগক নিৰ্দেশ দিছে যে লোকপিয়ল ২০২৭-ৰ বাবে নিযুক্ত কৰা তথ্য সংগ্ৰহকাৰী আৰু পৰিদৰ্শকসকলক তেওঁলোকৰ লোকপিয়ল সম্পৰ্কীয় দায়িত্ব সমাপ্ত নোহোৱালৈকে নিজ নিজ পদত বাহাল ৰখাৰ ব্যৱস্থা কৰিবলৈ আৱশ্যকীয় নিৰ্দেশনা প্ৰদান কৰক। ৰাজ্য চৰকাৰৰ এই পদক্ষেপৰ মূল উদ্দেশ্য হ'ল প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মীসকলৰ ধাৰাবাহিকতা অটুট ৰখা আৰু ক্ষেত্ৰ পৰ্যায়ত লোকপিয়লৰ কাম-কাজ নিৰ্বিঘ্নভাৱে ৰূপায়ণ কৰাটো নিশ্চিত কৰা। সীমিত সময়ৰ ভিতৰতে জটিল এই গণনা প্ৰক্ৰিয়া সফলভাৱে সম্পন্ন কৰিবলৈ অভিজ্ঞ কৰ্মীসংখ্যক ধৰি ৰখাটো অতি গুৰুত্বপূৰ্ণ বুলি প্ৰশাসনীয় মহলে অভিমত প্ৰকাশ কৰিছে।

# ডিব্ৰুগড়ৰ লাহোৱালত সাক্ষৰতা আঁচনি সজাগতা সভা; নিৰক্ষৰক সাক্ষৰ কৰাত গুৰুত্ব



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৩ আগষ্ট ঃ** অসম চৰকাৰৰ অধীনত প্ৰাপ্তবয়স্ক শিক্ষা বিভাগৰদ্বাৰা ডিব্ৰুগড় জিলাত নৱ-ভাৰত সাক্ষৰতা আঁচনি সজাগতা সভা অনুষ্ঠিত কৰা হয়। মটক চাহ বাগিছা প্ৰাথমিক বিদ্যালয় অধীনত ১৫ বছৰৰ ওপৰৰ নিৰক্ষৰ সমাজক চিনাক্ত কৰি সঠিক সময়ত শিক্ষা ব্যৱস্থা কৰোৱাই তেখেত সকলক সাক্ষৰ কৰি সমাজৰ পৰা নিৰক্ষৰতা দূৰীকৰণৰ বাবে অসম চৰকাৰৰ শিক্ষা বিভাগৰ পৰ্যবেক্ষক সকলে ইতিমধ্যে চিনাক্ত কৰিছে। উক্ত নিৰক্ষৰ সমাজক সজাগতা সভা অনুষ্ঠিত কৰি তেখেত সকলক বিভাগৰ ফালৰপৰা বহী কিতাপ, পেঞ্চিল ইত্যাদি বিতৰণ কৰা হয়। সজাগতা সভা জৰিয়তে এই আচঁনিৰ যোগেদি কেনেকৈ এগৰাকী বয়োজ্যেষ্ঠ নিৰক্ষৰ সমাজক শিক্ষিত হ'ব তাৰ ওপৰত আলোকপাত কৰে জিলাৰ প্ৰাপ্তবয়স্ক শিক্ষা বিভাগৰ পৰ্যবেক্ষক হেমন্ত হাজৰিকাই। সজাগতা সভাত সহকাৰী সমন্বয়ক অনিল প্ৰসাদ সিংহই এগৰাকী বয়োজ্যেষ্ঠ নিৰক্ষৰ সকলক সাক্ষৰ কৰি তোলাৰ ওপৰত আলোকপাত কৰে। আনহাতে জিলা প্ৰাপ্তবয়স্ক শিক্ষা বিভাগৰ পৰ্যবেক্ষক সানলী ফুকন শিক্ষা ব্যৱস্থাৰ ওপৰত নিৰক্ষৰতা দূৰীকৰণৰ ওপৰত আলোকপাত কৰে। শতাধিক নিৰক্ষৰ লোক উপস্থিত থকা সকলোকে কিতাপ বহী পেঞ্চিল ইত্যাদি বিতৰণ কৰা হয়।

# মৰিগাঁৱৰ চাৰণ বিলত 'তিৰংগা আৰু বন্দে মাতৰম' কায়াকিং শ্ব' অনুষ্ঠিত

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৩ আগষ্ট ঃ** ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন, 'হৰ ঘৰ তিৰংগা ২০২৬' আৰু 'বন্দে মাতৰম'ৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আজি মনোৰম চাৰণ বিলত এক আকৰ্ষণীয় 'তিৰংগা আৰু বন্দে মাতৰম' কায়াকিং শ্ব' অনুষ্ঠিত হয়। চাৰণ বিলৰ জলৰাশিৰ মাজেৰে অংশগ্ৰহণকাৰীসকলে হাতত জাতীয় পতাকা লৈ কায়াকিং কৰাৰ দৃশ্যই এক মনোমোহা পৰিৱেশৰ সৃষ্টি কৰে। এই প্ৰদৰ্শনে দেশপ্ৰেম, একতা আৰু ৰাষ্ট্ৰীয় গৌৰৱৰ এক শক্তিশালী বাৰ্তা বহন কৰে। একে সময়তে এই কাৰ্যসূচীৰ জৰিয়তে চাৰণ বিলৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু পৰ্যটনৰ সম্ভাৱনাও সুন্দৰভাৱে প্ৰতিফলিত হয়। দুঃসাহসিক ক্ৰীড়া, প্ৰকৃতি আৰু দেশপ্ৰেমৰ অনন্য সমন্বয়ে অনুষ্ঠানটোক বিশেষ মাত্ৰা প্ৰদান কৰে। অনুষ্ঠানত মৰিগাঁও জিলাৰ উপায়ুক্ত সৃষ্টি সিং, IAS, জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, অতিৰিক্ত উপায়ুক্ত ড° নীলাক্ষী বৈশ্য, সহকাৰী আয়ুক্তসকলৰ লগতে জিলা প্ৰশাসনৰ অন্যান্য বিষয়া-কৰ্মচাৰীসকলে উপস্থিত থাকে। এই ব্যতিক্ৰমী কায়াকিং প্ৰদৰ্শনে মৰিগাঁৱৰ স্বাধীনতা দিৱস উদযাপনলৈ এক নতুন আৰু অনুপ্ৰেৰণাদায়ক মাত্ৰা সংযোজন কৰে। দেশপ্ৰেম, দুঃসাহসিকতা আৰু মৰিগাঁৱৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যৰ সমন্বয়ে অনুষ্ঠানটোৱে সকলোৰে মন আকৰ্ষণ কৰে।

# মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ক পূৰ্ণাংগ বিশ্ববিদ্যালয় ৰূপত গঢ়ি তোলাৰ দাবীৰে মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ মাজুলী আছুৰ



**অসম বাৰ্তা, উজনী মাজুলী, ১৩ আগষ্ট ঃ** মাজুলীত প্ৰতিষ্ঠা হোৱা মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়খন পূৰ্ণাংগ ৰূপত গঢ়ি তুলি মাজুলীৰ লগতে অসমৰ ছাত্ৰছাত্ৰী। সকলৰ সুৰক্ষিত শৈক্ষিক ভৱিষ্যতৰ স্বাৰ্থত কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ উপৰিও আধুনিক পাঠ্যক্ৰম আৰু বৃত্তিমুখী পাঠ্যক্ৰমত সংযোগ কৰিবলৈ দাবী উত্থাপন কৰিছে সদৌ মাজুলী জিলা ছাত্ৰ সন্থাই। মাজুলীত স্থাপিত হোৱা সাংস্কৃতিক বিশ্ববিদ্যালয়খন কেৱল মাজুলীৰে নহয়, উজনি অসম আৰু উত্তৰ অসমৰ সাহস সদৃশ। এই বিশ্ববিদ্যালয়খন উত্তৰণৰ ক্ষেত্ৰত তাৎক্ষণিক ভাৱে সৰ্বাঙ্গ সুন্দৰ ভাৱে এখন পূৰ্ণ পৰ্যায়ৰ বিশ্ববিদ্যালয় হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনাইছে। সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা সূৰ্য কুমাৰ ভূঞা, পবিত্ৰ গোস্বামী, জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়া আৰু সাধাৰণ সম্পাদক দিপাংকৰ ৰাজখুৱাই জিলা আয়ুক্তৰ যোগেদি এই পত্ৰ অসম চৰকাৰৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীলৈ প্ৰেৰণ কৰে। লগতে উল্লেখ কৰে যে-মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ খনত কলা, বিজ্ঞান, বাণিজ্য শাখাৰ উপৰিও আধুনিক পাঠ্যক্ৰম, বৃত্তিমুখী পাঠ্যক্ৰম সংযোগ কৰিবলৈ আহ্বান জনাই। মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়খনৰ বৰ্তমান সময়তো চৌহদৰ বেৰা নাই। বিশ্ববিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰী সকলৰ সুৰক্ষাৰ স্বাৰ্থত চৌহদৰ সম্পূৰ্ণ বেৰা নিৰ্মাণ কৰিবলৈ আহ্বান জনাইছে জিলা ছাত্ৰ সন্থাই। সমান্তৰালভাৱে বিশ্ববিদ্যালয় খনত প্ৰতিটো বিভাগ সংযোগ কৰি নতুন নতুন পাঠ্যক্ৰম খুলি ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধা প্ৰদান কৰিবলৈ আহ্বান জনাইছে। ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধা হোৱাকৈ বিশ্ববিদ্যালয়ৰ চৌহদতে হোষ্টেলৰ ব্যৱস্থা কৰি আৱাসিক বিশ্ববিদ্যালয় হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনাই এখন পূৰ্ণ পৰ্যায়ৰ বিশ্ববিদ্যালয়ৰ হিচাপে গঢ়ি তুলি ছাত্ৰছাত্ৰী সকলৰ সুবিধা হোৱাকৈ নতুন নতুন পাঠ্যক্ৰমৰ মজুলীতে পঢ়িব পৰা সুবিধা কৰিবলৈ চৰকাৰলৈ আহ্বান জনাইছে সদৌ মাজুলী জিলা ছাত্ৰ সন্থাই।

# স্বাধীনতা দিৱস উদযাপন ২০২৬ৰ অন্তৰ্গত ২৪ নং বাহিনী সশস্ত্ৰ সীমা বল, ৰঙিয়াৰ দ্বাৰা ৰক্তদান শিবিৰৰ আয়োজন

**অসম বাৰ্তা, মঙলদৈ, ১৩ আগষ্ট ঃ** ২৪ নং বাহিনী সশস্ত্ৰ সীমা বল, ৰঙিয়াৰ কমাণ্ডেণ্ট শ্ৰী এইচ. কে. গুপ্তাৰ দক্ষ নিৰ্দেশনা আৰু মাৰ্গদৰ্শনত স্বাধীনতা দিৱস উদযাপন—২০২৬ৰ অন্তৰ্গত ১৩ তাৰিখে বাহিনী চিকিৎসালয়ত গুৱাহাটী মেডিকেল কলেজ আৰু হাস্পতাল (GMCH)-ৰ ব্লাড চেণ্টাৰৰ সমন্বয়ত এটি ৰক্তদান শিবিৰ আয়োজন কৰা হয়। ৰক্তদান শিবিৰটো ডাঃ বন্দনা দেৱী খাৰিবাম, উপ কমাণ্ডেণ্ট (চিকিৎসা), ২৪ নং বাহিনীৰ আমন্ত্ৰণ আৰু সমন্বয়ত আয়োজন কৰা হয়। এই উপলক্ষে গুৱাহাটী মেডিকেল কলেজ আৰু হাস্পতালৰ ব্লাড চেণ্টাৰৰ ভাৰপ্ৰাপ্ত বিষয়া ডাঃ অৰুণিমা গোস্বামীৰ নেতৃত্বত চিকিৎসা দলটোৱে শিবিৰত উপস্থিত হৈ ৰক্তদান প্ৰক্ৰিয়াটো সুশৃংখলিত আৰু সফলভাৱে সম্পন্ন কৰাত গুৰুত্বপূৰ্ণ সহযোগিতা আগবঢ়ায়। লগতে ৰক্তদাতাসকলক প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। ৰক্তদান শিবিৰত ২৪ নং বাহিনীৰ মুঠ ২৫ গৰাকী কাৰ্মিকে স্বেচ্ছাই ৰক্তদান কৰি মানৱ সেৱা আৰু সামাজিক দায়বদ্ধতাৰ প্ৰতি তেওঁলোকৰ প্ৰতিশ্ৰুতিৰ পৰিচয় দিয়ে। এই উপলক্ষে ৰক্তদাতাসকলে "ৰক্তদান—মহাদান"ৰ মহান ভাবনাক সাৰ্থক কৰি প্ৰয়োজনীয় লোকসকলৰ জীৱন ৰক্ষাত নিজৰ মূল্যৱান অৱদান আগবঢ়ায়। এই অনুষ্ঠানত ক্ষেত্ৰক মুখ্য কাৰ্যালয়, সশস্ত্ৰ সীমা বল, ৰঙিয়াৰ উপ-মহাপৰিদৰ্শক শ্ৰী মনোজ কুমাৰৰ গৰিমাময় উপস্থিতি পৰিলক্ষিত হয়। তেওঁ ৰক্তদাতাসকলৰ সৈতে মত-বিনিময় কৰি তেওঁলোকক উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ এই পুণ্য আৰু প্ৰেৰণাদায়ক কাৰ্যৰ প্ৰশংসা কৰে। ৰক্তদাতাসকলৰ উৎসাহ বৃদ্ধিৰ বাবে তেওঁলোকক গাখীৰ আৰু ফলমূলও প্ৰদান কৰা হয়। অনুষ্ঠানটোৰ জৰিয়তে ২৪ নং বাহিনী সশস্ত্ৰ সীমা বলে সামাজিক সেৱা, মানৱীয় সহায় আৰু জনকল্যাণৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতিবদ্ধতা পুনৰবাৰ প্ৰদৰ্শন কৰে। ৰক্তদান শিবিৰটোৱে "ৰক্তদান—মহাদান"ৰ মহান আদৰ্শক সাৰ্থক কৰি স্বাধীনতা দিৱস উদ্‌যাপন-২০২৬ৰ এই পবিত্ৰ উপলক্ষে সেৱা, ত্যাগ আৰু সমৰ্পণৰ বাৰ্তা প্ৰদান কৰে।

# সুদক্ষ বাছ চালক পুতুল গগৈৰ মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৩ আগষ্ট ঃ** ৰাজ্যখনৰ ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠিত পৰিবহণ প্ৰতিষ্ঠান নামবৰ ট্ৰেভেলচৰ সু-দীৰ্ঘ সময়ৰ বাচচালক পুতুল গগৈৰ কালি গোলাঘাটৰ পদুমনিৰ নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৪ বছৰ। গগৈ দীৰ্ঘ সময় ধৰি ডায়েবেটিছ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। এগৰাকী ভদ্ৰ, নম্ৰ, অল্পভাষী পুতুল গগৈ বাছ যাত্ৰীসকলৰ অতি কৈ বিশ্বাসভাজন লোক আছিল। তেওঁ মৃত্যুৰ সময়ত পত্নীৰ লগতে দুগৰাকী কন্যা, আত্মীয় স্বজনক এই সংসাৰত এৰি থৈ যায়। গগৈৰ মৃত্যুত পদুমনি অঞ্চলত শোকৰ ছাঁ পৰিছে।

# পুৰণিগুদাম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দ্বি-বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ আয়োজন

**অসম বাৰ্তা, পুৰণিগুদাম, ১৩ আগষ্ট ঃ** নগাঁও জিলাৰ পুৰণিগুদামস্থিত পুৰণিগুদাম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দ্বি-বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশনখন অহা ১৫ আগষ্টত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা ন বজাত সন্মিলনৰ পতাকা উত্তোলন, পুৱা ৯-১৫ বজাত স্মৃতি তৰ্পণ, পুৱা ৯-৩০ বজাত দ্বি-বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত হ'ব। পুৱা ১১-৩০ বজাত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত বিশিষ্ট অতিথি হিচাপে নগাঁও জিলা জ্যেষ্ঠ নাগৰিক সন্মিলন আৰু নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকী, নিৰ্দিষ্ট বক্তা হিচাপে অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী তথা অৱসৰপ্ৰাপ্ত অধ্যাপক গিৰীন্দ্ৰ কুমাৰ বৰুৱা, সন্মানীয় অতিথি হিচাপে নগাঁও জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ কাৰ্যকৰী সভাপতি নিত্যানন্দ বৰা, নগাঁও জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ জিলা সম্পাদক প্ৰফুল্ল হাজৰিকা, অৱসৰপ্ৰাপ্ত অধ্যাপক মোহিনী মোহন ডেকা, নগাঁও জিলা চৰকাৰী পেঞ্চনাৰ সন্থাৰ সম্পাদক প্ৰদীপ শইকীয়া উপস্থিত থাকিব। পুৰণিগুদাম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দ্বি-বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশনখনত পুৰণিগুদাম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সদস্যসকলক উপস্থিত থাকি অধিৱেশনখনি সাফল্যমণ্ডিত কৰিবলৈ পুৰণিগুদাম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি পুলিন হাজৰিকা, কাৰ্যকৰী সভাপতি অনিল বৈৰাগী আৰু সাধাৰণ সম্পাদক দ্বীপেন বৈৰাগীয়ে অনুৰোধ জনাইছে।

# ৰূপহী-ৰাজগড় সংযোগী পথত অৰ্থনৈতিক অৱৰোধ টিএমপিকেৰ

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১৩ আগষ্ট ঃ** ধেমাজি জিলাৰ মিংমাং আৰু বদতিত অৰুণাচলী দুৰ্বৃত্তই অসমৰ খিলঞ্জীয়া লোকৰ ওপৰত কৰা গুলীচালনাৰ ঘটনাৰ প্ৰতিবাদত টি এম পি কেৰ ওখমাটি, চাউলধোৱা আঞ্চলিকে আজি লখিমপুৰ জিলাৰ কদম ৰাজহচক্ৰৰ অন্তৰ্গত অসম-অৰুণাচল সীমান্তৰ ৰূপহী-ৰাজগড়ত অৰুণাচলৰ বিৰুদ্ধে অনিৰ্দিষ্টকালীন অৰ্থনৈতিক পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰে। টি এম পি কেই ৰূপহী ৰাজগড় পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে অৰুণাচলীৰ মিংমাং বদতিৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে দোষীক কঠোৰ শাস্তি বিহাৰ আৰু সীমান্তৱৰ্তী ৰাইজৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী জনায়। তদুপৰি দীৰ্ঘদিন ধৰি চলি অহা অসম-অৰুণাচলৰ সীমা সমস্যাৰ মীমাংসা নিশ্চিত কৰাৰ বাবেও সংগঠনটোৱে অসম আৰু অৰুণাচল চৰকাৰক দাবী জনায়। আজি পুৱা ৮ বজাৰ হোৱা অৱৰোধত প্ৰতিবাদকাৰীয়ে অৰুণাচল চৰকাৰ হায় হায়, পেমা' খাণ্ডুৰ কাম নাই, অৰুণাচল চৰকাৰ গ'বৈক, ন' জাষ্টিচ ন' ৰেষ্ট' আদি ধ্বনিৰ উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। পুৱাৰে পৰা চলা এই অৱৰোধৰ ফলত পথৰ শশ যান-বাহন আবদ্ধ হৈ পৰে। টি এম পি কেৰ সদস্য আৰু অৰুণাচলী লোকৰ মাজত তীব্ৰ বাক-বিতণ্ডাৰ সৃষ্টি হয়। আনহাতে, অৰুণাচলী লোকে অসমৰ ভূমিক নিজৰ ভূমি বুলি দাবী কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ সাহস কৰে। অৱৰোধস্থলীত লখিমপুৰ জিলা প্ৰশাসন আৰু অৰুণাচলৰ প্ৰশাসনৰ লোক উপস্থিত হয়। বাতৰি লিখাপৰ্যন্ত প্ৰতিবাদকাৰীসকলে পথ অৱৰোধৰ কাৰ্যসূচী অব্যাহত ৰাখিছে।

**পাঁচদিনৰ পূৰ্বে ভৰ্ত্তি কৰোৱা এজন ব্যক্তিৰ মৃত্যু**

# লেখাপানীৰ উদয়পুৰৰ নিচামুক্তি কেন্দ্ৰত অঘটন

**অসম বাৰ্তা বিশেষ, জাগুন, ১৩ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ একাংশ নিচা মুক্তি কেন্দ্ৰ কেৱল ধন ঘটাৰ এক মাধ্যম হিচাপে কিছু লোকে ব্যৱহাৰ কৰিছে নেকি? এই নিচা মুক্তি কেন্দ্ৰ সমূহত নিচাত আসক্ত লোকৰ ওপৰত চলিছে নাকি অত্যাচাৰ আৰু নিৰ্যাতন? উদয়পুৰ লংটংৰ বানং চিংফৌ মালিকানাধীন লেখাপানী ৰিভাইভ নিচা মুক্তি কেন্দ্ৰত পাঁচ দিনৰ ভিতৰতে প্ৰাণ গ'ল এজন সুস্থ ব্যক্তিৰ। উক্ত ঘটনাক লৈ অঞ্চলটোত এক চাঞ্চল্যই বিৰাজ কৰিছে। বানং চিংফৌৰ লংটংস্থিত এই নিচা মুক্তি কেন্দ্ৰটোত পাঁচ দিন পূৰ্বে ভৰ্তি হৈ থকা তিনিমাইলৰ নেত্ৰ বাহাদুৰ ছেত্ৰী নামৰ লোকজনৰ ৰহস্যজনকভাৱে মৃত্যু ঘটিছে। মাত্ৰ পাঁচ দিন পূৰ্বে নিচা মুক্তি কেন্দ্ৰটোত ভৰ্তি কৰোৱা ব্যক্তিজনৰ এইদৰে হঠাৎ মৃত্যু হোৱাক লৈ সৃষ্টি হৈছে তীব্ৰ ৰহস্যৰ। নেত্ৰ বাহাদুৰ ছেত্ৰীৰ পৰিয়ালে গুৰুতৰ অভিযোগ তুলি এই মৃত্যুক সহজভাৱে ল'ব পৰা নাই। মৃত ব্যক্তিজনৰ কন্যাই নিচা মুক্তি কেন্দ্ৰটোৰ বিৰুদ্ধে আনিছে অতি বিস্ফোৰক অভিযোগ। ছোৱালীজনীৰ ভাষ্য অনুসৰি- মাত্ৰ পাঁচ দিন পূৰ্বে দেউতাকক সম্পূৰ্ণ সুস্থ অৱস্থাত ভৰ্তি কৰোৱা হৈছিল কেন্দ্ৰটোত। কিন্তু ভৰ্তি কৰোৱাৰ পিছৰে পৰা পৰিয়ালৰ কোনো লোকক দেউতাকৰ লগ কৰিবলৈ দিয়া হোৱা নাছিল। বৰঞ্চ কেন্দ্ৰটোৰ পৰা সঘনাই ফোন যোগে কেৱল পইচা বিচাৰি থকাৰ গুৰুতৰ অভিযোগ তুলিছে পৰিয়ালে। অতি উদ্বেগজনকভাৱে, মৃত লোকজনৰ হাতত প্ৰত্যক্ষ কৰা হৈছে আঘাতৰ স্পষ্ট চিন। আনফালে, নিচা মুক্তি কেন্দ্ৰটোৰ কৰ্মচাৰীয়ে পৰিয়ালৰ অভিযোগ অস্বীকাৰ কৰি দাবী কৰিছে যে মৃত ব্যক্তিজন পূৰ্বৰে পৰাই অসুস্থ আছিল। পিছে প্ৰশ্ন হয়- সুস্থ বুলি ভৰ্তি কৰোৱা এজন মানুহৰ পাঁচ দিনৰ ভিতৰত কেনেকৈ মৃত্যু হ'ল? শৰীৰত আঘাতৰ চিন ক'ৰ পৰা আহিল? ইতিমধ্যে ঘটনাৰ খবৰ পাই আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে। আৰক্ষীয়ে সোধা-পোছাৰ বাবে কেন্দ্ৰটোৰ দুজন কৰ্মচাৰীক ইতিমধ্যে থানালৈ লৈ গৈছে। আৰক্ষীৰ তদন্ত আৰু মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ পিছতহে পোহৰলৈ আহিব এই ৰহস্যজনক মৃত্যুৰ প্ৰকৃত সত্য।

# দুধনৈত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত 'হৰ ঘৰ তিৰংগা'ৰ বৰ্ণাঢ্য স্কুটী সমদল




**অসমবাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১৩ আগষ্ট ঃ** আগন্তুক স্বাধীনতা দিৱস উপলক্ষে সমগ্ৰ দেশৰ লগতে ৰাজ্যজুৰি উৎসৱমুখৰ পৰিৱেশত আৰম্ভ হৈছে 'হৰ ঘৰ তিৰংগা' কাৰ্যসূচী। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি গোৱালপাৰা জিলাৰ দুধনৈত এক বিশেষ সজাগতামূলক দুচকীয়া বাহন (স্কুটী) সমদল উলিওৱা হয়। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (ASRLM) আৰু দুধনৈ উন্নয়ন খণ্ডৰ যৌথ উদ্যোগত অনুষ্ঠিত এই বৰ্ণাঢ্য কাৰ্যসূচীত বিপুল জনসমাগম পৰিলক্ষিত হয়। আজি দুধনৈ সম-জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখৰ পৰা এই সজাগতামূলক স্কুটী সমদলটোৰ শুভাৰম্ভ কৰে দুধনৈৰ সম-জিলা আয়ুক্ত অৰুণ কুমাৰ ব্ৰহ্মই। হাতত ৰাষ্ট্ৰীয় পতাকা লৈ আৰু "বন্দে মাতৰম" ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰি গ্ৰামীণ জীৱিকা অভিযানৰ সদস্যসকলৰ লগতে গোৱালপাৰা জিলা পৰিষদ আৰু দুধনৈ আঞ্চলিক পঞ্চায়তৰ প্ৰতিনিধিসকলে এই সমদলত স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে। প্ৰতিগৰাকী নাগৰিকৰ মাজত 'হৰ ঘৰ তিৰংগা' কাৰ্যসূচীৰ প্ৰতি সজাগতা সৃষ্টি কৰা আৰু প্ৰতিটো পৰিয়ালকে নিজ নিজ গৃহত স্বাভিমান তথা গৌৰৱেৰে জাতীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনোৱাই আছিল এই সমদলৰ মূল উদ্দেশ্য। আজিৰ এই কাৰ্যসূচীত শতাধিক 'জীৱিকা সখী' আৰু স্থানীয় মহিলাই নিজৰ স্কুটীৰে অংশগ্ৰহণ কৰি সমদলটোক এক বিশেষ আকৰ্ষণ প্ৰদান কৰে। দুধনৈ সম-জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা আৰম্ভ হোৱা সমদলটো দুধনৈ হাটখোলাস্থিত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ কাৰ্যালয়ত উপস্থিত হৈ সমাপ্ত হয়। অনুষ্ঠানটোত দুধনৈ খণ্ড উন্নয়ন বিষয়া হেৰী পল ফাৰ্ণাণ্ডেজ, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ দুধনৈ খণ্ড প্ৰকল্প বিষয়া দীপাঞ্জলী শৰ্মা, খণ্ড সমন্বয়ক বিপুল বায়ন, গোৱালপাৰা জিলা পৰিষদৰ সদস্যা নীভা খাখলাৰী, দুধনৈ আঞ্চলিক পঞ্চায়তৰ সভাপতি অংগদ বসুমতাৰী, আঞ্চলিক পঞ্চায়তৰ সদস্যা কল্পনা ভাগৱতী আৰু চাংমিৰা মোমিনে উপস্থিত থাকি পূৰ্ণ সহযোগিতা আগবঢ়ায়।

# লাংকাচি গাঁও পঞ্চায়তত কক' খেতিৰ অভিলাষী আঁচনি শুভাৰম্ভ: কৃষকৰ মাজত কক' পুলি বিতৰণ




**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৩ আগষ্ট ঃ** তিনিচুকীয়া জিলা কৃষি বিভাগৰ উদ্যোগত লাংকাচি গাঁও পঞ্চায়তৰ সভাকক্ষত বুধবাৰে কেন্দ্ৰীয় চৰকাৰৰ উত্তৰ-পূব আৰু হিমালয় পাদদেশীয় ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযান, অৰ্থাৎ HMNEH-ৰ অধীনত যোগ্য হিতাধিকাৰীৰ মাজত কক' পুলি বিতৰণ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত প্ৰায় ৪৮ গৰাকী হিতাধিকাৰীৰ মাজত কক' পুলি বিতৰণ কৰা হয়। জিলা কৃষি বিষয়া ৰজিত দত্তই আঁত ধৰা অনুষ্ঠানত জিলা আয়ুক্ত সুমিত সাত্তাৱান, মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষান, মাকুম সমজিলাৰ আয়ুক্ত নিলোৰাম শৰ্মা, কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° হেমচন্দ্ৰ শইকীয়া, বিজেপিৰ জিলা সভাপতি কুশকান্ত বড়াকে প্ৰমুখ্য কৰি অন্যান্য বিষয়ববীয়া উপস্থিতি থাকে। উক্ত সভাত আনুষ্ঠানিকভাৱে কৃষক নোমল ৰাজপুত, ৰূপালী মৰাণ, নিৰু ডেকা, মিজু মৰাণ, বীৰেন মহন্ত, তৰুণ বৰুৱা, দয়াল গড়ক কক' পুলি বিতৰণ কৰা হয়। পৰৱৰ্তী সময়ত বাকী পুলিসমূহো হিতাধিকাৰীসকলৰ মাজত বিতৰণ কৰা হয়। জিলা আয়ুক্ত সুমিত সাত্তাৱানে তেওঁৰ বক্তব্যত কৃষি বিভাগৰ এই পদক্ষেপক প্ৰশংসা কৰাৰ লগতে কক' খেতিৰ প্ৰসাৰৰ বাবে জিলা প্ৰশাসনৰ তৰফৰ পৰা প্ৰয়োজনীয় সকলো সহযোগিতা আগবঢ়োৱাৰ লগতে প্ৰয়োজন সাপেক্ষে থলুৱা কক' খেতিৰ কৃষক সকলক বিশেষজ্ঞ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰাত সুবিধা কৰি দিয়া আশ্বাস দিয়ে। অনুষ্ঠানত তিনিচুকীয়া কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° হেমচন্দ্ৰ শইকীয়া উপস্থিত থাকি লাংকাচি গাঁও পঞ্চায়ত অন্তৰ্গত অঞ্চল সমূহত কক' খেতিৰ বৈজ্ঞানিক পদ্ধতি আৰু সম্ভাৱনা সন্দৰ্ভত কৃষকসকলক বিস্তৃত পৰামৰ্শ আগবঢ়ায়। আনহাতে লাংকাচি অঞ্চলত কক' খেতিৰ সম্প্ৰসাৰণৰ বাবে বিশেষ লক্ষ্য নিৰ্ধাৰণ কৰিছে বিধায়ক সঞ্জয় কিষানে। অনাগত দিনত পৰ্যায়ক্ৰমে প্ৰায় ১০০০ বিঘা কৃষি ভূমিত ক'ক' খেতি কৰাৰ দৃঢ় সংকল্প প্ৰকাশ কৰে বিধায়কগৰাকীয়ে। বিধায়ক গৰাকীয়ে কয় যে, মাকুম সমষ্টিত বিধায়ক হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পিছৰে পৰা বিভিন্ন উন্নয়নমূলক কামৰ লগতে কক' খেতিক আগুৱাই নিয়াৰ বিষয়টোক বিশেষ গুৰুত্ব দিয়া হৈছে। লাংকাচী অঞ্চলৰ কৃষকসকলে কক' খেতিৰ জৰিয়তে আৰ্থিকভাৱে লাভান্বিত হোৱাৰ লগতে এই অঞ্চলটোক কক' উৎপাদনৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ আশা প্ৰকাশ কৰিছে। ইয়াৰ পাছতে বিধায়ক, জিলা প্ৰশাসন, কৃষি বিভাগ আৰু কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়াসকলে লাংকাচি গাঁৱৰ উদ্যমী কৃষক মিজু মৰাণৰ কক' খেতিৰ ক্ষেত্ৰ পৰিদৰ্শন কৰি কক' খেতিৰ উৎপাদন আৰু লাভালাভৰ বিষয়ে বুজ লয়। উল্লেখযোগ্য যে, লাংকাচি গাঁৱত কক' খেতিৰ এনে সম্প্ৰসাৰণমূলক পদক্ষেপে আগন্তুক দিনত অঞ্চলটোৰ কৃষকসকলৰ বাবে নতুন উপাৰ্জনৰ পথ মুকলি কৰাৰ লগতে কৃষি অৰ্থনীতি আৰু অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

# ৰূপহীহাটত পিষ্টলসহ গ্ৰেপ্তাৰ দুই ডকাইত

**অসম বাৰ্তা, ৰূপহীহাট, ১৩ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত ৰূপহীহাট আৰক্ষীৰ বিশেষ সফলতা। ৰূপহীহাট আৰক্ষী থানাৰ বিষয়া সুৰজ দত্তই আজি দুপৰীয়া এক গোপন সূত্ৰৰ পম খেদি গৰেমাটিখোৱাত ডকাইতৰ বিৰুদ্ধে চলায় অভিযান। আৰক্ষীৰ অভিযানত এটা পিষ্টল আৰু তিনি জাই সজীৱ গুলিৰ সৈতে গ্ৰেপ্তাৰ কৰে দুই ডকাইতক। ধৃত ডকাইত দুজন হল তেলিয়াচাপৰিৰ ফৈজ উদ্দিন আৰু ৰফিকুল ইছলাম। ডকাইত দুজনে কৰবাত ডকাইতি কৰাৰ পৰিকল্পনা কৰি থকাৰ সময়তে আৰক্ষীৰ জালত পৰে। আৰক্ষীয়ে ডকাইত দুজনৰ পৰা এটা বাইক জব্দ কৰে। ৰূপহীহাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত ডকাইত দুজনক জেৰা অব্যাহত ৰাখিছে।

# উজনি অসমৰ শিৱসাগৰ জিলাৰ বানাক্ৰান্ত ৰাইজৰ মাজত বান-সাহায্য বিতৰণ অসম উন্নয়ন পৰিষদৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৩ আগষ্ট ঃ** ৰাজ্যত শেহতীয়াকৈ বানে ধংস লীলা কৰা উজনি অসমৰ বানপীড়িত ৰাইজৰ মাজত উপস্থিত হৈ বান সাহায্য বিতৰণ কৰে অসমৰ অন্যতম জাতীয় সংগঠন অসম উন্নয়ন পৰিষদে। সংগঠনটোৰ ফালৰ পৰা মৌচুম কুমাৰ উজীৰ আৰু কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক বিশ্বজিৎ হাজৰিকাৰ নেতৃত্বত অহা এটি সজাতী দলে উপস্থিত হৈ পৰিস্থিতি অধ্যয়ন কৰাৰ লগতে শিৱসাগৰ জিলাৰ বেতবাৰী, ভাধৰা, নিমাইজানৰ লগতে নাজিৰা অঞ্চলৰ বিভিন্ন ঠাইত উপস্থিত হৈ ৰাইজ তথা ছাত্ৰ-ছাত্ৰীৰ মাজত ১০ হাজাৰ বহী, ৫ হাজাৰ স্কুল বেগ, মহিলা সকলৰ বাবে চাদৰ, মেক্সী, চেনিটাৰী পেড, খোৱা পানীৰ বটল, চাবোন, চেনিটাইজাৰ, ডেটল আদি সামগ্ৰী প্ৰদান কৰে। অসম উন্নয়ন পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক ভাস্কৰ গগৈৰ নেতৃত্বত জিলা সমিতিৰ এটা সঁজাতী দলে সহযোগ কৰে উক্ত বিতৰণ কাৰ্যসূচীত। বানপীড়িত সৰ্বস্বান্ত অঞ্চলটোৰ পৰাই পৰিষদে কেন্দ্ৰীয় চৰকাৰক ১০ হাজাৰ কোটি টকাৰ অৰ্থনৈতিক পেকেজ বানপীড়িত ৰাইজক প্ৰদান কৰিবৰ বাবে বিশেষ আহ্বান জনায়।

# অসম অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱাত TMPK, MMK আৰু TMMKৰ অৰ্থনৈতিক পথ অৱৰোধ কাৰ্যসূচী

**অসম বাৰ্তা, বান্দৰদেৱা, ১২ আগষ্ট ঃ** লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱাস্থিত অৰুণাচলৰ মুখ্য প্ৰৱেশ দ্বাৰৰ সন্মুখত আজি অৰুণাচল চৰকাৰৰ বিৰুদ্ধে জাতীয় মিচিং ছাত্ৰ সংগঠন TMPKৰ নেতৃত্বত, MMK আৰু TMMK এ পুৱা ৮ বজাৰ পৰা "প্ৰেমা খান্দু মূৰ্দাবাদ, "অৰুণাচল চৰকাৰ হায় হায়" উই ৱাণ্ট জাষ্টিছ, আদি বিভিন্ন শ্লোগান দি অৰ্থনৈতিক পথ অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰে। উল্লেখ্য যে যোৱা ১০ আগষ্ট তাৰিখে ধেমাজি জিলাৰ অন্তৰ্গত মিংমাং বদতিত আৰু অৰুণাচল প্ৰদেশৰ হিমে বস্তিত হোৱা এক ভূমি বিবাদক কেন্দ্ৰ কৰি অৰুণাচল আৰক্ষীৰ এগৰাকী DSP ৰ সহযোগত অৰুণাচলী লোকে গুলি চালনা কৰাৰ ফলত ১৫জন খিলঞ্জীয়া মিচিং লোক আঘাতপ্ৰাপ্ত হৈ বৰ্তমানেও চিকিৎসাধীন হৈ থাকিব লগা হৈছে। উক্ত ঘটনাৰ অৰুণাচল চৰকাৰে তদন্ত কৰি প্ৰকৃত দোষী ব্যক্তিক উলিয়াই দৃষ্টান্তমূলক উচিত শাস্তি প্ৰদান কৰাৰ দাবী জনাই মিচিং সংগঠন কেইটাই আজি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি অৰ্থনৈতিক পথ অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰা পৰিলক্ষিত হয়। তদুপৰি অসম চৰকাৰে অৰুণাচল চৰকাৰৰ লগত আলোচনা কৰি অসম অৰুণাচলৰ মাজত সৃষ্টি হৈ থকা জ্বলন্ত সীমা সমস্যা অতি শীঘ্ৰে সমাধান কৰাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিবলৈ দাবী উত্থাপন কৰে।

গোলকগঞ্জত অনুমতি বিচাৰি প্ৰশাসনৰ ওচৰত জাতীয় যুৱ বাহিনীৰ আবেদন

# SEEF Brick Industriesৰ বিৰুদ্ধে তদন্তৰ দাবীত ১৮ আগষ্টত অৱস্থান ধৰ্মঘট

**অসম বাৰ্তা, গোলকগঞ্জ, ১২ আগষ্ট ঃ** ধুবুৰী জিলাৰ দফৰ স্থিত SEEF Brick Industriesৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহৰ তাৎক্ষণিক, নিৰপেক্ষ, স্বচ্ছ আৰু আইনসংগত তদন্তৰ দাবীত জাতীয় যুৱ বাহিনী, গৌৰীপুৰ বিধানসভা সমিতিয়ে গোলকগঞ্জৰ সংশ্লিষ্ট প্ৰশাসনিক কৰ্তৃপক্ষৰ ওচৰত শান্তিপূৰ্ণ অৱস্থান ধৰ্মঘট (ধৰ্ণা) অনুষ্ঠিত কৰাৰ অনুমতি বিচাৰি আবেদন দাখিল কৰিছে। সমিতিৰ সভাপতি ছালেউদ্দিন আহমেদে দাখিল কৰা আবেদনখনত উল্লেখ কৰা অনুসৰি, SEEF Brick Industriesৰ সৈতে জড়িত বুলি উত্থাপিত অভিযোগসমূহে বৃহত্তৰ জনস্বাৰ্থৰ সৈতে সম্পৰ্কিত গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্থাপন কৰিছে। সেইবাবে বিষয়টোত তাৎক্ষণিক ভাৱে এক নিৰপেক্ষ, স্বচ্ছ আৰু ন্যায়সংগত তদন্ত আৰম্ভ কৰি তদন্তৰ ফলাফলৰ ভিত্তিত আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনোৱা হৈছে। আবেদন অনুসৰি, অহা ১৮ আগষ্ট, ২০২৬ তাৰিখে পুৱা ১১ বজাৰ পৰা বিয়লি ৫ বজালৈ গোলকগঞ্জৰ সংশ্লিষ্ট কো-ডিষ্ট্ৰিক্ট/ প্ৰশাসনিক কাৰ্যালয়ৰ সন্মুখত শান্তিপূৰ্ণ অৱস্থান ধৰ্মঘট অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। সমিতিয়ে দাবী কৰিছে যে কাৰ্যসূচী সম্পূৰ্ণৰূপে শান্তিপূৰ্ণ, গণতান্ত্ৰিক আৰু আইনসংগত ভাৱে অনুষ্ঠিত হ'ব। লগতে ৰাজহুৱা সম্পত্তিৰ ক্ষতিসাধন, আইন-শৃংখলাজনিত পৰিস্থিতিৰ সৃষ্টি অথবা জৰুৰী সেৱা আৰু সাধাৰণ জনসাধাৰণৰ চলাচলত কোনো ধৰণৰ ব্যাঘাত নঘটোৱাৰ প্ৰতিশ্ৰুতিও আবেদনত উল্লেখ কৰা হৈছে। ইয়াৰ উপৰিও, প্ৰশাসন আৰু আৰক্ষী বিভাগে নিৰ্ধাৰণ কৰা সকলো নীতি-নিৰ্দেশনা মানি চলি কাৰ্যসূচী সম্পন্ন কৰাৰ আশ্বাস দিছে সংগঠনটোৱে। উল্লেখযোগ্য যে, সংগঠনটোৱে SEEF Brick Industriesৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সমূহৰ শীঘ্ৰে তদন্ত সম্পন্ন কৰি তদন্তৰ ফলাফলৰ ভিত্তিত আইন অনুসৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট প্ৰশাসনৰ ওচৰত দাবী জনাইছে।

# "হৰ ঘৰ ত্ৰিৰংগা' অভিযানৰ অধীনত ১৪২ নং বাহিনী CRPFৰ উদ্যোগত গোলাঘাটত ভব্য ত্ৰিৰংগা ৰেলী আৰু "বন্দে মাতৰম" সমবেত সংগীত পৰিৱেশন

**অস বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৩ আগষ্ট ঃ** দেশপ্ৰেম, ৰাষ্ট্ৰীয় একতা আৰু জনসাধাৰণৰ অংশ গ্ৰহণৰ মনোভাৱ সুদৃঢ় কৰাৰ উদ্দেশ্যে ১৪২নং বাহিনী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (CRPF)-ৰ উদ্যোগত ভাৰত চৰকাৰৰ "হৰ ঘৰ ত্ৰিৰংগা' অভিযান আৰু স্বাধীনতা দিৱস উপলক্ষে ১২ আগষ্ট তাৰিখে ডন বস্কো ডিগ্ৰী কলেজ, গোলাঘাটৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত এক ভব্য ত্ৰিৰংগা ৰেলী আৰু "বন্দে মাতৰম" সমবেত সংগীত পৰিৱেশনৰ আয়োজন কৰা হয়। অনুষ্ঠানটো ১৪২ নং বাহিনী CRPFৰ কমাণ্ডেণ্ট মহিন্দৰ কুমাৰৰ নেতৃত্বত অনুষ্ঠিত হয়। অনুষ্ঠানৰ মূল উদ্দেশ্য আছিল অংশগ্ৰহণকাৰীসকলৰ মাজত দেশপ্ৰেম, ৰাষ্ট্ৰীয় গৌৰৱ আৰু একতাৰ মনোভাৱ অধিক শক্তিশালী কৰা তথা স্বাধীনতা দিৱস উদ্‌যাপনৰ ভাবধাৰাক অধিক সুদৃঢ় কৰা। ত্ৰিৰংগা ৰেলীত ১৪২নং বাহিনী CRPFৰ বিষয়া, অধীনস্থ বিষয়া আৰু জোৱানসকলে উৎসাহেৰে অংশ গ্ৰহণ কৰে। এই উপলক্ষে ডন বস্কো ডিগ্ৰী কলেজ, গোলাঘাটৰ অধ্যক্ষ ফাদাৰ অমলাপাল দাস, মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলো উপস্থিত থাকে। ৰাষ্ট্ৰীয় পতাকা গৌৰৱ আৰু সন্মানেৰে হাতত লৈ সকলো অংশগ্ৰহণকাৰীয়ে ঐক্যবদ্ধভাৱে ৰেলীত পদযাত্ৰা কৰে। ইয়াৰ ফলত সমগ্ৰ পৰিৱেশত দেশপ্ৰেম, ৰাষ্ট্ৰীয় একতা আৰু গৌৰৱৰ ভাবধাৰাই এক অনন্য পৰিৱেশৰ সৃষ্টি কৰে। ৰেলীৰ সময়ছোৱাত "ভাৰত মাতা কি জয়" আৰু "বন্দে মাতৰম" আদি দেশপ্ৰেমমূলক ধ্বনিৰে সমগ্ৰ পৰিৱেশ মুখৰিত হৈ পৰে। এই ধ্বনিসমূহে দেশৰ প্ৰতি অংশগ্ৰহণকাৰীসকলৰ প্ৰেম, সমৰ্পণ আৰু দায়বদ্ধতাৰ মনোভাৱ প্ৰকাশ কৰে। বেটেলিয়ন মুখ্য কাৰ্যালয়ত অনুষ্ঠিত অনুষ্ঠানৰ উপৰি ১৪২নং বাহিনী CRPFৰ 'D' ছে"ৰৰ মেৰাপানী আৰু 'C' ছেক্টৰৰ নীপানীতো একেধৰণৰ ত্ৰিৰংগা আৰু "বন্দে মাতৰম" অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানসমূহত সংশ্লিষ্ট স্থানসমূহত চলি থকা যুৱ দক্ষতা বিকাশ কাৰ্যসূচী (Youth Skill Development Programme)-ৰ অধীনত প্ৰশিক্ষণ গ্ৰহণ কৰি থকা ছাত্ৰ-ছাত্ৰীসকলে ১৪২নং বাহিনী CRPFৰ জোৱানসকলৰ সৈতে উৎসাহেৰে আৰু সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰে। যুৱসকলৰ উৎসাহপূৰ্ণ অংশ গ্ৰহণে অনুষ্ঠানসমূহক অধিক অৰ্থপূৰ্ণ আৰু সজীৱ কৰি তোলে আৰু তেওঁলোকৰ মাজত দেশপ্ৰেম, ৰাষ্ট্ৰীয় একতা আৰু ৰাষ্ট্ৰৰ প্ৰতি দায়িত্ববোধৰ মনোভাৱ গঢ়ি তোলাত সহায় কৰে। এই উপলক্ষে ১৪২ নং বাহিনী CRPFৰ তৰফৰ পৰা "হৰ ঘৰ ত্ৰিৰংগা' অভিযানৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি কোৱা হয় যে এই অভিযানে প্ৰতিগৰাকী নাগৰিকক নিজৰ ঘৰত ৰাষ্ট্ৰীয় পতাকাখন গৌৰৱ আৰু সন্মানেৰে উত্তোলন কৰিবলৈ উৎসাহিত কৰে। লগতে, এই অভিযান দেশৰ উমৈহতীয়া পৰিচয়, একতা, অখণ্ডতা আৰু সামূহিক দায়িত্ববোধৰ এক শক্তিশালী প্ৰতীক। বেটেলিয়নৰ বিভিন্ন স্থানত অনুষ্ঠিত ত্ৰিৰংগা ৰেলী আৰু "বন্দে মাতৰম" সমবেত সংগীত পৰিৱেশনৰ অনুষ্ঠানসমূহ ৰাষ্ট্ৰীয় একতা, দেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় পতাকাৰ প্ৰতি সন্মানৰ এক শক্তিশালী বাৰ্তাৰে সমাপ্ত হয়। এই অনুষ্ঠানসমূহৰ জৰিয়তে ১৪২নং বাহিনী CRPF-এ "ৰাষ্ট্ৰ প্ৰথম"ৰ ভাবধাৰাক অধিক শক্তিশালী কৰা আৰু ৰাষ্ট্ৰীয় অভিযানসমূহত জনসাধাৰণৰ অংশগ্ৰহণক উৎসাহিত কৰাৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতি পুনৰ দোহাৰে।

# ডিব্ৰুগড়ৰ জ্যোতিৰূপাৰ প্ৰতিষ্ঠাপক, সাংস্কৃতিক কৰ্মী, অৱসৰী কৰ্মচাৰী হেমেন বৰদলৈৰ মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১২ আগষ্ট ঃ** ডিব্ৰুগড়ৰ গাৰ্ড পাৰা নিবাসী, আৱসৰী কৰ্মচাৰী, জ্যোতিৰূপাৰ প্ৰতিষ্ঠাপক, সাংস্কৃতিক কৰ্মী হেমেন বৰদলৈ (কানু )ৰ বাৰ্দ্ধক্য জনিত কাৰণত যোৱা নিশা ৮৪ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। ৰাজ্য চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ নিঠাবান কৰ্ম্মচাৰী হেমেন বৰদলৈৰ জন্ম হৈছিল ডিব্ৰুগড়ত ১৯৪২ চনৰ ১ মাৰ্চত। প্ৰয়াত বৰদলৈ আছিল ডিব্ৰুগড়ৰ জনপ্ৰিয় সামজিক সাংস্কৃতিক অনুষ্ঠান জ্যোতিৰূপাৰ অন্যতম প্ৰতিষ্ঠাপক। তেখেতৰ মৃত্যুত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত একমাত্ৰ পুত্ৰ, সাংস্কৃতিক কৰ্মী নীলাভ নয়ন বৰদলৈ, বোৱাৰী, জী জোঁৱাই, নাতিনী, বন্ধু-বান্ধৱ আৰু পৰিয়ালৰ অনেক আত্মীয়ক ইহ-সংসাৰত এৰি যায়। আজি স্থানীয় চিৰিং চাপৰি শ্মশানত অনেক গুণমুগ্ধৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰা হয়।

# ভেৰুৱাৰ নিষ্ঠাৱান শিক্ষক প্ৰয়াত আদ্য কলিতাৰ শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ

**অসম বাৰ্তা, খৈৰাবাৰী, ১৩ আগষ্ট ঃ** দৰং জিলাৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ ভেৰুৱা গাঁৱৰ নিষ্ঠাৱান শিক্ষক প্ৰয়াত আদ্য কলিতাৰ নিজা বাসগৃহত যোৱা কালি স্মৃতিচাৰণ সভা অনুষ্ঠিত হৈ যায়। উক্ত অনুষ্ঠানটি সঞ্চালনা কৰে বিশিষ্ট সমাজ সেৱক হৰেশ ডেকাই। অনুষ্ঠানৰ আঁত ধৰে ভেৰুৱা প্ৰগতি সংঘৰ সম্পাদক গজেন কলিতাই। শ্ৰদ্ধাঞ্জলি আৰু স্মৃতি চাৰন সভাৰ বন্তি প্ৰজ্বলন কৰে ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যিক পুনুৰাম কলিতাই। অন্যহাতে প্ৰয়াত আদ্য কলিতাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পন কৰে বলেন কলিতাই। ইয়াৰ উপৰিও পত্নী জ্যোস্না কলিতা, পুত্ৰ ধৃতিমান কলিতাৰ লগতে উপস্থিত বিশিষ্ট ব্যক্তি সকলেও তেখেতৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পন কৰি মৃতকৰ আত্মাৰ চিৰশান্তিৰ বাবে এক মিনিট ভগৱানৰ চৰণত মৌন প্ৰাৰ্থনা জনাই। সভাত স্মাৰক বক্তা হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে অৱসৰী কৃতি শিক্ষক ৰামেশ্বৰ কলিতাই। অতি নিষ্ঠাবান পেৰনাদায়ক শিক্ষক আদ্য কলিতাই অতি মেধা সম্পন্ন হৈয়ো নিজৰ জীৱনত চৰকাৰী চাকৰী মুখ নেদেখাত মানসিক চাপত ভুগি বহু বছৰ যন্ত্ৰণাৰে দিন পাৰ কৰিছিল বুলি দুখ প্ৰকাশ কৰে। তেওঁলোকে কয় আদ্য কলিতাৰ মৃত্যুত দৰং জিলাৰ বাবে বৃহৎ ক্ষতি লগতে বৰ্তমান সময়ত আদ্যৰ দৰে পেৰনাদায়ক শিক্ষকৰ অভাৱ অনুভৱ কৰিব বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী সকলে। স্মৃতিচাৰণ সভাত প্ৰয়াত আদ্য কলিতাৰ জীৱন ৰূপ ৰেখাৰ ওপৰত বহুকেইগৰাকীমান স্মাৰক বক্তাই অতিতৰ স্মৃতিচাৰণ কৰি কয় প্ৰয়াত আদ্য কলিতা এজন নিৰ্ভীক অতি স্পষ্ট বাদী নিষ্ঠাৱান শিক্ষক আছিল। তেখেতে অতি নিখুঁত ভাবে ইংৰাজী আৰু অৰ্থ বিজ্ঞানৰ শিক্ষা প্ৰদান কৰি সমাজৰ পৰা প্ৰায় ৫০ শতাংশ ছাত্ৰ-ছাত্ৰীক সংস্থাপন লব পৰাকৈ শিক্ষা দান কৰিছিল। তেওঁলোকে আৰু কয় প্ৰয়াত আদ্য কলিতাৰ শিক্ষা গ্ৰহণ কৰা একালৰ বহু ছাত্ৰ -ছাত্ৰী বৰ্তমান উচ্চ পদস্থ বিষয়া হৈ কৰ্মৰত অৱস্থাত আছে। আৰু সেই সকল ব্যক্তিৰ পৰা প্ৰায় পাঁচশৰো অধিক সংখ্যক গুণমুগ্ধই সামাজিক মাধ্যম যোগে হোৱাট' চ'প গ্ৰূপ খুলি প্ৰয়াত আদ্য কলিতাৰ পুত্ৰ ধৃতিমান কলিতাৰ শিক্ষা, স্বাস্থ্য আৰু বিভিন্ন দিশত সহায়তাৰে আগবঢ়োৱাই লৈ যোৱাৰ আশ্বাস প্ৰদান কৰাত সভাৰ যোগেদি তেওঁলোকৰ প্ৰচেস্থাক শলাগ নিবেদন কৰে। উলেখযোগ্য যে আদ্য কলিতাই নগাঁও জনতা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰিক্ষাত উত্ৰীৰ্ণ হৈ আৰ্য মহাবিদ্যালয়ৰ পৰা কলেজিয়া শিক্ষা গ্ৰহণ কৰি পৰবৰ্তী সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিজ্ঞান বিভাগত অনাৰ্চ লৈ ঘৰুৱা অসুবিধাৰ বাবে শিক্ষা সমাপ্ত কৰি পৰবৰ্তী সময়ত দুনী মহাবিদ্যালয়ত ইংৰাজী শিক্ষক হিচাপে শিক্ষা দান কৰাৰ সমান্তৰালভাবে পশ্চিম দৰং জাতীয় বিদ্যালয়ৰ উপৰিও নামখলা, খৈৰাবাৰী, দুনী, দিপীলাত বহু কেইখন বেচৰকাৰী বিদ্যালয়ত ইংৰাজী আৰু অৰ্থ বিজ্ঞানৰ শিক্ষক হিচাপে কৰ্মৰত আছিল। ইয়াৰ উপৰিও ঘৰতে নিজাববীয়াকৈ টিউচন চেণ্টাৰ খুলি দুনী, দিপীলা, ভেৰুৱা, কেন্দুগুৰী, গভৰা আৰু দলংঘাট আদি বিভিন্ন পিছপৰা ঠাইৰ ছাত্ৰ-ছাত্ৰী সকলক ইংৰাজী আৰু অৰ্থ বিজ্ঞানৰ শিক্ষা দান কৰিছিল। প্ৰয়াত আদ্য কলিতাই সমাজখনৰ লগতে নিজৰ ঘৰখন সুন্দৰ ভাবে পৰিচালনা কৰি আহিছিল। আৰু তেখেতৰ মৃত্যুত দৰং জিলাৰ বাবে এক বৃহৎ ক্ষতি হোৱা বুলি বক্তব্য প্ৰদান কৰি কয় আদ্য কলিতাৰ কেতিয়াও মৃত্যু নহয় তেওঁৰ দৰে মেধা সম্পন্ন ব্যক্তিৰ শিক্ষাৰ মানদণ্ড নতুন প্ৰজন্মইজীয়াই ৰাখিব লাগিব বুলি বক্তব্য প্ৰদান কৰে। অন্যহাতে ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যিক পুনুৰাম কলিতাই প্ৰয়াত আদ্য কলিতাই তেখেতক ফোন যোগে বিভিন্ন ধৰণৰ কথা বতৰাৰ মাজেৰে সমাজত চলি থকা দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰ বিৰুদ্ধে যুঁজ দি কলিতাদেৱক সেই বিষয়ত লিখা মেলা কৰিবলৈ আহ্বান জনাইছিল বুলি সভাৰ যোগেদি অৱগত কৰি আবেগিক হৈ পৰা পৰিলক্ষিত হোৱা দেখা যায়। শ্ৰদ্ধাঞ্জলি আৰু স্মৃতি চাৰণ সভাত বিশিষ্ট সাংবাদিক মনোৰঞ্জন শৰ্মা নগাঁও জনতা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী কৃতি শিক্ষক কুলেন্দ্ৰ কলিতা, সমাজ সেৱক লক্ষ্মী কলিতাৰ উপৰিও কেইগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে বহু সংখ্যক গুণমুগ্ধ উপস্থিত থাকে। উল্লেখ্য যে প্ৰয়াত আদ্য কলিতাই ১৯৭৫ চনৰ ১ মাৰ্চত জন্ম গ্ৰহণ কৰিছিল। আৰু ২০২৬ চনৰ ৩০ জুলাইত এক জটিল ৰোগত আক্ৰান্ত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত মৃত্যু বৰণ কৰিছিল।

কাৰ্বি আংলং মণ্ডল চেম্পিয়ন

# সন্তোষ লহকৰ আন্তঃজিলা ফুটবল

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১২ আগষ্ট ঃ** অসম ফুটবল সন্থাৰ দ্বাৰা পৰিচালিত ১৭ বছৰৰ অনুৰ্দ্ধ সন্তোষ লহকৰ সোৱঁৰণী আন্তঃজিলা ফুটবল প্ৰতিযোগিতাৰ গ্ৰূপ "চি"ৰ ফাইনেল খেলত মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ বিপক্ষে কাৰ্বি আংলং জিলা ক্ৰীড়া সন্থাই ছাডেন ডেথ পদ্ধতিত ২-১ গ'লৰ ব্যৱধানত জয়লাভ কৰি গ্ৰূপ "চি"ৰ চেম্পিয়ন হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ ব্যৱস্থাপনাত মানিপুৰ মিনি ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ ফাইনেল খেলখনত কাৰ্বি আংলং জিলা ক্ৰীড়া সন্থা আৰু মৰিগাঁও জিলা ক্ৰীড়া সন্থাই সংঘবদ্ধ ভাবে খেলি সুন্দৰ খেল প্ৰদৰ্শন কৰে যদিও নিৰ্দ্ধাৰিত সময়ত খেলখন ০-০ গ'লত অমীমাংসিত হৈ ৰয়। আজিৰ ফাইনেল খেলৰ আৰম্ভণিতে মৰিগাঁও সমষ্টিৰ বিধায়ক তথা মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সভাপতি ৰমাকান্ত দেউৰীয়ে আনুষ্ঠানিক ভাবে খেলখন শুভ উদ্বোধন কৰে। আজিৰ খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা কাৰ্বি আংলং দলৰ গ'লৰক্ষক আনজ'ক বেয়ে লাভ কৰে।

# হৰ ঘৰ তিৰংগা ২০২৬ অভিযানৰ অধীনত মৰিগাঁৱত স্কুটী ৰেলী অনুষ্ঠিত




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৩ আগষ্ট ঃ** হৰ ঘৰ তিৰংগা ২০২৬ অভিযানৰ অংশ হিচাপে আৰু 'বন্দে মাতৰম'ৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে জিলা প্ৰশাসন, মৰিগাঁৱৰ উদ্যোগত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (ASRLM)-ৰ দ্বাৰা আজি মৰিগাঁৱত এখন স্কুটী ৰেলী অনুষ্ঠিত হয়। মৰিগাঁও জিলা আয়ুক্ত সৃষ্টি সিং, IAS-এ মৰিগাঁও চাৰ্কিট হাউছৰ পৰা ৰেলীখন আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। ৰেলীখন মৰিগাঁও মহাবিদ্যালয় হৈ বসনাঘাটত সামৰণি পৰে। অনুষ্ঠানত মৰিগাঁৱৰ জিলা উন্নয়ন আয়ুক্ত অৰ্পাহ বাগলাৰী, ACS, অতিৰিক্ত জিলা আয়ুক্তসকল, সহকাৰী আয়ুক্তসকল, ASRLM-ৰ প্ৰতিনিধিসকল আৰু জিলা প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে। মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ আত্মসহায়ক গোট (SHG)-ৰ সদস্যসকলে স্কুটী ৰেলীত অংশগ্ৰহণ কৰি দেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় গৌৰৱৰ অনুভূতিৰে "হৰ ঘৰ তিৰংগা" ২০২৬ অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।

# বাল্য বিবাহ প্ৰতিৰোধক লৈ নগাঁৱত গুৰুত্বপূৰ্ণ সভা

**অসম বাৰ্তা, পুৰণিগুদাম, ১৩ আগষ্ট ঃ** বাল্যবিবাহ মুক্ত অসম গঢ়াৰ লক্ষ্যৰে আজি নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হৈ যায়। বাল্যবিবাহ প্ৰতিৰোধৰ বাবে চলি থকা সামূহিক প্ৰচেষ্টাক আৰু অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এই সভাৰ আয়োজন কৰা হয়। সভাখনত মূলতঃ 'বাল্যবিবাহ প্ৰতিৰোধ আইন, ২০০৬'ৰ আইনী ব্যৱস্থা আৰু শাস্তিৰ দিশসমূহৰ ওপৰত আলোকপাত কৰা হয়। ইয়াৰ উপৰি, বাল্যবিবাহ প্ৰতিৰোধ বিষয়াসকলৰ ভূমিকা আৰু দায়িত্বৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয় আৰু যিকোনো ঘটনাৰ সময়মতে প্ৰতিবেদন দাখিল, সত্যতা নিৰূপণ তথা পৰৱৰ্তী পদক্ষেপ গ্ৰহণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। প্ৰতিৰোধমূলক ব্যৱস্থাক অধিক ফলপ্ৰসূ কৰিবলৈ জিলা শিশু সুৰক্ষা বিষয়া, বাল্যবিবাহ প্ৰতিৰোধ বিষয়া, আৰক্ষী, খণ্ড উন্নয়ন বিষয়া আৰু গাঁও পৰ্যায়ৰ অংশীদাৰসকলৰ মাজত সুদৃঢ় সমন্বয় ৰক্ষা কৰাৰ আৱশ্যকতাৰ বিষয়ে সভাত উল্লেখ কৰা হয়। একেদৰে, তৃণমূল পৰ্যায়ত সজাগতা বৃদ্ধি কৰা, গ্ৰাম্য তথা স্পৰ্শকাতৰ অঞ্চলসমূহৰ ওপৰত বিশেষ চকু দিয়া আৰু গাঁও পৰ্যায়ৰ কমিটিসমূহ সক্ৰিয় কৰি তোলাৰ বিষয়েও বিষদভাৱে আলোচনা কৰা হয়। সভাত সহকাৰী আয়ুক্ত শিখা নাথ, উপ-আৰক্ষী অধীক্ষক পৰমিতা চৰকাৰ, জিলা শিশু সুৰক্ষা বিষয়া অঞ্জলি আৰ্যৰ উপৰিও জিলাখনৰ আটাইকেইটা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াসকল, জিলা শিশু সুৰক্ষা গোটৰ বিষয়াববীয়াসকল আৰু বেচৰকাৰী সংস্থা এনইএইড তথা কোশী লোক মঞ্চৰ প্ৰতিনিধিবৃন্দই অংশগ্ৰহণ কৰে। সভাখনত কেন্দ্ৰীয় চৰকাৰৰ মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ এক বিশেষ পদক্ষেপৰ বিষয়েও আলোচনা কৰা হয়, যাৰ অধীনত যিবোৰ গাঁৱত এটা নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত বাল্যবিবাহ সম্পৰ্কীয় কোনো এফ.আই.আৰ. বা অভিযোগ পঞ্জীয়ন হোৱা নাই, সেই গাঁওসমূহক উচিত সত্যতা নিৰূপণৰ পিছত "বাল্যবিবাহ মুক্ত গাঁও" হিচাপে ঘোষণা কৰা হ'ব। প্ৰতিখন গাঁও, জিলা আৰু অৱশেষত সমগ্ৰ অসমক বাল্যবিবাহৰ অভিশাপৰ পৰা মুক্ত কৰাৰ বাবে সমাজৰ সক্ৰিয় অংশগ্ৰহণ, সময়োপযোগী পদক্ষেপ আৰু ধাৰাবাহিক নিৰীক্ষণ নিশ্চিত কৰাৰ এক উমৈহতীয়া সংকল্পৰে সভাৰ সামৰণি পৰে।

# প্ৰচণ্ড গৰমৰ প্ৰভাৱঃ তিনিচুকীয়াত সলনি বিদ্যালয়ৰ সময়সূচী

**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ১৩ আগষ্ট ঃ** জিলাখনত বিগত কেইবাদিন ধৰি অব্যাহত থকা প্ৰচণ্ড গৰমৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য আৰু সুৰক্ষাক সৰ্বাধিক অগ্ৰাধিকাৰ দি তিনিচুকীয়া জিলাৰ বিদ্যালয়সমূহৰ সময়সূচী সলনি কৰা হৈছে। বিদ্যালয়সমূহৰ পৰিদৰ্শক মদন পেগু আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা জিলা মিছন সমন্বয়ক বিন্তী শৰ্মাই জাৰি কৰা নিৰ্দেশনা অনুসৰি ১২ আগষ্ট, ২০২৬ৰ পৰা পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত এই নতুন সময়সূচী বলৱৎ থাকিব। নিৰ্দেশনা অনুসৰি, নিম্ন প্ৰাথমিক বিদ্যালয়সমূহ পুৱা ৮ বজাৰ পৰা দুপৰীয়া ১২.৩০ বজালৈ, উচ্চ প্ৰাথমিক বিদ্যালয়সমূহ পুৱা ৮ বজাৰ পৰা দুপৰীয়া ১.৩০ বজালৈ আৰু উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহ পুৱা ৮ বজাৰ পৰা দুপৰীয়া ১.৪৫ বজালৈ পাঠদান অনুষ্ঠিত হ'ব। প্ৰচণ্ড গৰমৰ সময়ছোৱাত দুপৰীয়াৰ উষ্ণতাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক কিছু পৰিমাণে সকাহ দিয়াৰ লক্ষ্যৰেই এই সময়সূচী সলনি কৰা হৈছে। ইফালে, গৰমৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক সুৰক্ষিত ৰখাৰ বাবে বিদ্যালয় কৰ্তৃপক্ষক একাধিক সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে। পুৱা অনুষ্ঠিত হ'বলগীয়া প্ৰাৰ্থনা ছাঁযুক্ত স্থানত অনুষ্ঠিত কৰা, ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়লৈ পানীৰ বটল লৈ আহিবলৈ উৎসাহিত কৰা আৰু সঘনাই পানী খাবলৈ দিয়া, গৰমৰ সময়ছোৱাত মোজা, জোতা আৰু টাই পৰিধানৰ পৰা ৰেহাই দিয়া আদি ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হৈছে। তদুপৰি, কোনো ছাত্ৰ-ছাত্ৰী গৰমৰ প্ৰভাৱত অসুস্থ হৈ পৰিলে বিলম্ব নকৰাকৈ তাৎক্ষণিক চিকিৎসাৰ ব্যৱস্থা কৰাৰ লগতে প্ৰযোজনসাপেক্ষে অভিভাৱকক অৱগত কৰিবলৈ বিদ্যালয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হৈছে। শ্ৰেণীকোঠাসমূহত পৰ্যাপ্ত ফেন, নিৰাপদ বৈদ্যুতিক সংযোগ আৰু মুক্ত বায়ু চলাচলৰ ব্যৱস্থা নিশ্চিত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। বিদ্যালয় চৌহদৰ শৌচাগাৰ আৰু প্ৰস্ৰাৱাগাৰ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে স্বাস্থ্যসন্মত পৰিৱেশ নিশ্চিত কৰিবলৈও নিৰ্দেশনাত উল্লেখ কৰা হৈছে। নতুন সময়সূচী আৰু গৰমৰ পৰা সুৰক্ষাৰ বাবে গ্ৰহণ কৰিবলগীয়া সকলো ব্যৱস্থা ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয়ৰ কৰ্মচাৰীসকলক তাৎক্ষণিকভাৱে অৱগত কৰাৰ দায়িত্ব বিদ্যালয় কৰ্তৃপক্ষক অৰ্পণ কৰা হৈছে। উল্লেখ্য যে, তিনিচুকীয়াৰ জিলা আয়ুক্তৰ অনুমোদন সাপেক্ষে জাৰি কৰা এই নিৰ্দেশনাৰ মূল উদ্দেশ্য হৈছে প্ৰচণ্ড গৰমৰ মাজত বিদ্যালয়লৈ অহা-যোৱা আৰু বিদ্যালয়ত থকা সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ স্বাস্থ্যৰ ওপৰত পৰা সম্ভাব্য নেতিবাচক প্ৰভাৱ হ্ৰাস কৰা। শিক্ষা অব্যাহত ৰখাৰ লগতে শিশুসকলৰ সুৰক্ষাক অগ্ৰাধিকাৰ দি জিলা প্ৰশাসনে গ্ৰহণ কৰা এই পদক্ষেপে অভিভাৱকসকলকো কিছু পৰিমাণে সকাহ প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

জটিল ৰোগত আক্ৰান্ত চন্দামাৰীৰ কণমানি পৰশ পৰাণ মেধিলৈ সহায়ৰ হাত

# গহপুৰ মাৰোৱাৰী সমাজৰ মহানুভৱতা

**অসম বাৰ্তা, গহপুৰ, ১২ আগষ্ট ঃ** জটিল ৰোগ(Lymphoid Leukemia)ত আক্ৰান্ত হৈ গুৱাহাটীৰ বি বৰুৱা কেন্সাৰ ইনষ্টিটিউটত যোৱা চাৰিমাহে চিকিৎসাধীন হৈ থকা গহপুৰৰ চন্দামাৰীৰ কণমানি পৰশ পৰাণ মেধিৰ প্ৰতি সহায়ৰ হাত আগবঢ়াইছে গহপুৰৰ মাৰোৱাৰী সমাজে। চাৰে তিনিবছৰ বয়সতে ব্লাড কেন্সাৰত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা পৰশ পৰাণৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰি আজি পূৰ্বোত্তৰ প্ৰাদেশীয় মাৰোৱাৰী সন্মিলনৰ গহপুৰ-বিহালী শাখা আৰু গহপুৰ ৰাম মন্দিৰ সমিতিয়ে ৩৫, ০০০ টকাৰ আৰ্থিক সাহায্য আগবঢ়ায়। প্ৰতিষ্ঠিত ব্যৱসায়ী তথা বিশিষ্ট সমাজকৰ্মী শংকৰলাল আগৰৱালা, অজয় আগৰৱালা, ৰাম অৱতাৰ আগৰৱালা, দীপক আগৰৱালা, বিজয় আগৰৱালা আৰু চন্দন শৰ্মাৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে কণমানিটিৰ চন্দামাৰীৰ ঘৰলৈ গৈ পিতৃ নৱজ্যোতি মেধিৰ হাতত উক্ত ধনৰাশি প্ৰদান কৰে। তেওঁলোকৰ এই মহানুভৱতা আৰু সামাজিক দায়বদ্ধতাক শলাগ লৈছে সকলো ৰাইজে। প্ৰতিনিধি দলটোৱে কণমানিটিৰ আশু আৰোগ্য কামনা কৰি ভগৱানৰ ওপৰত প্ৰাৰ্থনা জনাইছে। কোনো হৃদয়বান লোকে কণমানিটিক সহায় কৰিব বিচাৰিলে পিতৃ নৱজ্যোতি মেধি( বেংক একাউণ্ট নম্বৰ: 40876222214, IFSC-SBIN0009140 ভাৰতীয় ষ্টেট বেংক, বালিজান শাখা)ৰ বেংক একাউণ্টৰ জৰিয়তে সহায় কৰিব পাৰিব। তদুপৰি পিতৃৰ এই ৯১০১১-৭১০৯৯ ম'বাইল নম্বৰত যোগাযোগ কৰিব পাৰিব।

# গহপুৰত গৰু চোৰ অব্যাহত

**অসম বাৰ্তা, গহপুৰ, ১২ আগষ্ট ঃ** গহপুৰত অব্যাহত আছে গৰু চুৰি কাৰ্য্য। বিশ্বনাথ জিলাত নতুন জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদে যোগদান কৰাৰ পিছতেই জিলাখনৰ গহপুৰৰ ৰজাবাৰীত যোৱা নিশা সংঘটিত হয় এই গৰু চুৰি কাৰ্য্য। গহপুৰ থানাৰ অন্তৰ্গত ৰজাবাৰী তিনিআলিৰ সমীপৰ লগ পেগুৰ ঘৰৰ চোতালৰ পৰা যোৱা নিশা চুৰি হয় এই বলধ হাল। লগ পেগুৱে বলধ হালৰ বজাৰ মূল্য প্ৰায় ১, ২০, ০০০ টকা হ'ব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰিছে। শালি খেতিৰ এই সময়ছোৱাত খাটিখোৱা কৃষক জনৰ গৰু হাল চুৰি কৰি নিয়াত দুখত ভাগি পৰিছে কৃষকজন। উল্লেখযোগ্য যে- গহপুৰ সমজিলাৰ বিভিন্ন প্ৰান্তত ধাৰাবাহিকভাৱে সংঘটিত হৈ থকা এই গৰু চুৰি কাৰ্য্য ৰোধ কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণ ৰূপে ব্যৰ্থ হৈছে আৰক্ষী। গহপুৰ সমজিলাত অব্যাহত থকা বিভিন্ন চুৰিকাৰ্য সমূহ ৰোধ কৰাৰ ক্ষেত্ৰত নৱাগত আৰক্ষী অধীক্ষক আছিফ আহমেদৰ বলিষ্ঠ পদক্ষেপ কামনা কৰিছে ভুক্তভোগী ৰাইজে। প্ৰতিখন গাঁৱৰক্ষী বাহিনীৰ দক্ষতা বৃদ্ধি কৰি গাঁৱৰক্ষী বাহিনী সমূহক সজাগ কৰিব পাৰিলে চোৰৰ সন্ত্ৰাস কিছু পৰিমাণে হ'লেও হ্ৰাস পাব বুলি মন্তব্য কৰিছে সচেতন ৰাইজে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন